# পিপীলিকা

❋

শ্ৰীললিত চন্দ্ৰ বৰা

PIPILIKA collection of short stories written by Prof. Shri Lalit Ch. Bora, Assam Agricultural College, Jorhat, Assam. Published by Sahitya Prakash Bhawan Limited, Gauhati—3

॥ প্ৰকাশক ॥

সাহিত্য প্ৰকাশ ভৱন লিমিটেড

গুৱাহাটী—৩

প্ৰথম প্ৰকাশ

জানুৱাৰী, ১৯৬৮

॥ বেটুপাতৰ শিল্পী ॥

শ্ৰীইন্দু তালুকদাৰ

॥ ছপা কৰোঁতা ॥

শ্ৰীপৱিত্ৰ তালুকদাৰ

লাৱণ্য প্ৰেছ, উজানবজাৰ, গুৱাহাটী—১

# পাতনি

"পিপীলিকা" মোৰ প্ৰকাশিত তৃতীয়খন গল্পৰ সঙ্কলন। আগৰ দুখন গল্পৰ পুথিয়ে ৰাইজৰ সমাদৰ পোৱাত মোৰ নিজৰ ওপৰতে বিশ্বাস জন্মিছিল। সেই বাবেই মোৰ ভাল লগা গুটিদিয়েক পূৰ্ব্ব-প্ৰকাশিত গল্প আৰু অধিকখিনি সৰব্ নতুন গল্প লিখি পাণ্ডুলিপি খন পেলাই থৈছিলোঁ। আমাৰ বহুত লিখক—লিখিকাৰ ভাগ্যত সাধাৰণতে সেয়ে ঘটে।

এনেতে, মোৰ বন্ধু, অসমৰ সৰ্ৱৰহী সুসাহিত্যিক অধ্যাপক যোগেশ দাসে পাণ্ডুলিপি খন নিয়াই প্ৰকাশৰ ব্যৱস্থা কৰে। মানে, তেখেতে এজন প্ৰকাশক মোক যোগাৰ কৰি দিয়ে। "পিপীলিকা"ৰ এই প্ৰকাশক হৈছে গুৱাহাটীৰ "সাহিত্য প্ৰকাশ ভৱন লিমিটেড। আজি শ্ৰীদাস আৰু প্ৰকাশক কোম্পানীটিৰ সহৃদয়তা আৰু সহানুভূতিৰ বাবেই হে এই **"পিপীলিকা"** প্ৰকাশিত হৈ ওলোৱাটো সম্ভৱপৰ হ'ল। এই বাবে অধ্যাপক শ্ৰীদাস আৰু প্ৰকাশক কোম্পানী দুয়োৰে ওচৰতেই মই বিশেষ ভাৱে ঋণী আৰু কৃতজ্ঞ !

মানুহ হিচাপে আমি কোনো কেতিয়াও ক্ষুদ্ৰ নহওঁ। মানুহৰ ওপৰত, মানুহৰ নৈতিকতাৰ ওপৰত, আমাৰ আছে গভীৰ বিশ্বাস। তথাপিও আমি বাটৰ ধূলি হৈ থাকিবলৈ নিবিচাৰোঁ। যদিও জীৱন সংগ্ৰামৰ বাস্তৱ চাকনৈয়াত পাক-ঘূৰনী খাই মাজে মাজে নিজকেই-একোটি সংগ্ৰামী 'পৰুৱা' যেন হে লাগে। গতিকে, পৰুৱা তথা "পিপীলিকা" নামৰ গল্পটোৰ নামেৰেই এই পুথিৰ নামাকৰণ কৰিবৰ মন গ'ল। কিয় জানো কব নোৱাৰো, নামটোৰ প্ৰতীক্-ধৰ্ম্মিতা মোৰ দেখোন ভাল লাগিল।

আশাকৰোঁ, এই কিতাপত আমাৰ অনিচ্ছাকৃত আৰু অজ্ঞানতা জনিত কিবা ভুল-ভ্ৰান্তি থাকিলে সহৃদয়শীল পঢ়ুৱৈ ৰাইজে তাক নিজ গুণে ক্ষমা কৰিব।

মোৰ প্ৰকাশিত আগৰ কিতাপ দুখনৰ দৰে, এইবাৰো আমি বিচাৰিছোঁ এই 'পিপীলিকা'ৰ প্ৰতি পঢ়ুৱৈ সমাজৰ সমাদৰ দৃষ্টি। কাৰণ, এনে সুদৃষ্টি আমাৰ ভৱিষ্যত 'লিখক-জীৱনৰ বাট'ৰ পৰম পাথেয় হব।

সৰ্দোশেহত, এই কিতাপ তেখেতৰ প্ৰেছত ছপা কৰি সোনকালে উলিয়াই দিয়াৰ বাবে গুৱাহাটীৰ শ্ৰীপৱিত্ৰ তালুকদাৰকো মোৰ নিজৰ আৰু প্ৰকাশকৰ তৰফৰ পৰা ধন্যবাদ জনাইছোঁ।

ইতি—

**শ্ৰীললিত চন্দ্ৰ বৰা**

১ জানুৱাৰী, ১৯৬৮ চন

অসম কৃষি কলেজ
যোৰহাট—৪

# সূচী


| | | |
|---|---|---|
| সেই অশ্ৰু | ... | ১ |
| বোবা বেদনা | ... | ১৪ |
| ৰাবৰিৰ বাবে | ... | ২৩ |
| যুঁজ | .... | ৩৪ |
| গোমধান আৰু ফুল | ... | ৪৪ |
| দৃষ্টি | .... | ৫৩ |
| জুৰিৰ পাৰৰ ছবি | ... | ৬১ |
| পুঠিমাছ | ... | ৭৩ |
| মাউৰ | ... | ৮১ |
| অনুষ্ঠান | ... | ৮৯ |
| কুঞ্জলতা | .... | ৯৬ |
| পিপীলিকা | ... | ১০৬ |

# ॥ সেই অশ্ৰু ॥

এবাৰ এজনী বিবাহিতা নাৰী মোৰ শোৱা কোঠালৈ সোমাই আহিছিল। সেই মানুহজনী ৰূপৱতী আছিল আৰু তাইৰ বয়সো চব্বিশ-পচিশ বছৰমানহে আছিল। তাই এজনী গাঁৱলীয়া বোৱাৰী আছিল।

মই কি পৰিস্থিতিত আৰু কেনেকৈ সেই মানুহজনীৰ ঘৰত এনিশা আলহী থাকিব লগীয়াত পৰিছিলো—সেই কথা আজি কোৱাৰ প্ৰয়োজন বোধ কৰিছোঁ।

বানপানী দুৰ্দ্দশাগ্ৰস্ত অঞ্চলৰ সাহায্য-মূলক কামৰ বাবে নিয়োজিত মই এজন বিষয়া আছিলোঁ। বাৰিষা ভৰা-নদীৰ সাপৰ নেগুৰ ছিগা ধাৰ, সাগৰ-সঙ্কাশ জলাহ-বিপদৰ মাজেদি নাৱৰ ওপৰত বহি বহিয়েই মাইলৰ পিচত মাইল-পানীৰ ওপৰেদি যাত্ৰা কৰি গৈ জলমগ্ন গাঁও আৰু অঞ্চলবিলাক পৰিদৰ্শন কৰা, বান-গ্ৰস্ত মানুহবিলাকক লগ ধৰা, উদ্ধাৰ কৰা আৰু সাহায্য-দান দিয়া আদি মোৰ কৰ্ত্তব্যৰ ভিতৰত আছিল। কিয়নো, যি নাৱঁতেই উঠো, নাইবা 'মটৰ লাঞ্চ'-তেই উঠো, মোৰ জীৱন সদায় বিপদ-সঙ্কুল আছিল। নদীৰ ডকা বা চাক্‌নৈয়া নাইবা পানীৰ সোঁতত উটি অহা প্ৰকাণ্ড কাঠৰ জাঁজি একোটাইও মাজে মাজে আমি উঠি যোৱা নাৱত লাগি দূৰ্ঘটনা ঘটোৱাৰো সম্ভাৱনা নোহোৱা নাছিল। কেতিয়াবা কেতিয়াবা আকৌ ৰাতি চাৰিওফালে পানীৰ মাজত 'এচমকা মাটিতেই' খপিব লগা হৈছিলোঁ। সেইবিলাক ঠাইত আশ্ৰয় লৈ লুকাই থকা একোডাল 'বিয়াগোম' সাপে যি কোনো মূহুৰ্ত্ততেই আমাৰ বিপদ ঘটোৱাৰ আশঙ্কা আছিল। তদুপৰি, ভাগৰ, পৰিশ্ৰম আৰু বান-প্ৰপীড়িত ৰাইজৰ মাজে মাজে গালি-শপনিকো—আশীৰ্ব্বাদ স্বৰূপে গ্ৰহণ কৰিব লগীয়াত পৰিছিলোঁ।

মাজে মাজে ভাবিবলৈ বাধ্য হৈছিলো—এনে বিপদজনক চাকৰি মোৰ পক্ষে নকৰাই উচিত আছিল। কিয়নো, খৰালিৰ কেইমাহ মোৰ 'আৰাম' হলেও, বাৰিষাৰ এই কেইমাহত যেতিয়াই তেতিয়াই মোৰ বিপদ দুৰ্য্যোগৰ আশঙ্কা 'অনবৰত লগা' আছিল।

মাজে মাজে ভাবিছিলো,—এনে বিপদজনক চাকৰি কৰিছিলো কিয়? কব লাগিব, নিশ্চয় ই পেটৰ দায়ত আৰু মোৰ নিজক আৰু পৰিয়ালক ভৰণ-পোষণ দিয়াৰ দায়িত্বত। তাতে, লাহে লাহে চাকৰি আদি পোৱাও টান হৈ আহিছে। এনে চাকৰিকে গ্ৰহণ নকৰিলে পিছত তাকো পোৱাৰ মুদা মৰিব!

আনটো কাৰণ হ'ল,—চৰকাৰী চাকৰি কৰা মানুহ হৈও দেশৰ দুৰ্দ্দশাগ্ৰস্ত ৰাইজক সহায় কৰাৰ সংকল্পও মোৰ মনত সদায় আছিল,—যদিও আজিৰ দিনত বহুতো মানুহে মোৰ দৰে চাকৰিয়াল এজনৰ মুখত দেশ-সেৱাৰ কথা শুনিলে, সেই কথা 'ভূতৰ মুখৰ ৰাম নাম' বুলিহে উকুৱাই দিব।·· কিয়নো, বহুতো মানুহৰ বিশ্বাস, 'স্বদেশ-সেৱা' ৰাজনৈতিক 'তথাকথিত' নেতা, নাইবা 'তথাকথিত' সমাজ-সেৱক সকলৰহে একচেটীয়া সম্পত্তি। চাকৰিয়াল লোকৰ তাত অধিকাৰ থকাৰ কথা,—তেওঁলোকে হয়তো ভাবিবই নোৱাৰে, অথবা, প্ৰতিকূল পৰিস্থিতিৰ সৃষ্টি কৰি ঈৰ্ষা-কাতৰ লোকসকলে সেই কথা ভাবিব নোৱাৰাকৈ ৰাখে। নাইবা, বহুত সময়ত চাকৰিয়াল হিচাপে আমাৰ কিছুমানে হয়তো ৰাইজৰ দৃষ্টিত, আমি দেশ-সেৱক হিচাপে বিবেচিত হবলৈ অক্ষম হওঁ।

* * *

ঠিক এবাৰ এনে বান-পানীৰ পৰিস্থিতিতেই এখন গাঁৱলৈ গৈছিলোঁ। নাৱেৰে ৯ ঘণ্টা যোৱাৰ পিছত সেই গাঁওঁখন পালোঁ। মই আৰু মোৰ লগত যোৱা আমাৰ সাহায্যকাৰী দলটোৱে গাঁও-খনৰ চাৰিওফালৰ পৰিস্থিতি অধ্যয়ন কৰি বুজিব পাৰিলো—সেই অঞ্চলত সেইখন গাঁৱেই মাত্ৰ পানীত তল নোযোৱাকৈ আছে।

গতিকে, 'ৰিলিফ্ কেম্প্' পতা সেই গাঁৱতেই ঠিক হ'ল।



আমি সদলবলে গাঁৱৰ 'প্ৰাইমেৰী' স্কুল এখনতে আমাৰ তম্বু তৰিলোঁ।

স্কুল ঘৰৰ ভেঁটিটো বৰ জেঁকা আছিল। বিশেষকৈ ৰাতি তাত মই কটাব লগীয়া হোৱা অসুচল হব বুলিয়েই মোৰ তলতীয়া 'ৰিলিফ্‌ৰ' কৰ্ম্মচাৰী সকলে বিশ্বাস কৰিছিল। তেওঁলোকৰ এজন কৰ্ম্মচাৰীৰ আমি উঠা এই গাঁওখনৰ ওচৰতেই ঘৰ।

গধুলি পৰত মানুহবিলাকে মোক কলে যে সেই কৰ্ম্মচাৰীজনে ইতিমধ্যে এঠাইত মোৰ খোৱা-শোৱাৰ বন্দোৱস্ত কৰিলেই।

এনেতে দেখিলো, সেই মানুহজন ওলালেই।

তেওঁ মোক কলে,ঃ চাৰ! ক্ষমা কৰিব। আপুনি নজানাকৈয়ে এঠাইত আপোনাৰ থকা-মেলাৰ ঠিক কৰি আহিছোঁ। ইয়াৰ পৰা এমাইল মান হব। জেঁকা স্কুল ঘৰত ৰাতি 'বঞ্চা'তকৈ তাত থাকিয়েই ভাল পাব।

ঃ তুমি এইটো বোধকৰো বৰ ভাল কাম নকৰিলা, মহন্ত!··· আমাৰ ভিতৰত কোনেও বিশেষ সুবিধা পোৱা উচিত নহয়। তাতে আমি হলো সকলো সাহায্যকাৰী মানুহ।

ঃ নহয় চাৰ, এইবাৰলৈ,—মাত্ৰ এইবাৰলৈ থাকক চাৰ! ইয়াত কষ্ট পাব, তেওঁ কলে।

অলপ পিছতেই লেম এটা হাতত লৈ এটা ল'ৰা আমাৰ ফালে অহা দেখিলোঁ।

সেই মানুহজনে কলেঃ এই ল'ৰাটোৰ ঘৰতেই আপুনি থাকিব লাগিব, চাৰ!

ল'ৰাটোৱে মোক প্ৰণাম এটা জনালে, আৰু ভয়ে ভয়ে কলে,ঃ মোৰ লগে লগে আহক, চাৰ! ঘৰৰ পৰা মোক আপোনাক নিবলৈকে পঠাই দিছে।

তাৰ পিছে পিছে মই গলোঁ।

মই সিহঁতৰ তাত থাকিবলৈ শেহত মান্তি হোৱাৰ কাৰণ হ'ল,—মোৰ তলৰ কৰ্ম্মচাৰী এজনে এই বন্দোৱস্ত কৰিছিল। গতিকে, তাত বিপদৰ সম্ভাৱনা কম আছিল। স্কুল ঘৰটোত খাই-বই উঠাৰ

পিছত ৰাতি 'ৰিলিফৰ দলৰ' লোকৰ লগত থাকিলে তেওঁলোকৰে অসুচল হয়। মোৰ পৰা আলেঙে আলেঙে চুৰট ধপাত খালেও— ৰাতি 'ৰিলিফৰ কাম'ৰ ভাগৰ দুখ পাতলাবলৈ তেওঁলোকে মই থাকিলে মুকলি মনেৰে হাঁহি-ধেমালি কৰিব নোৱাৰিব, নাইবা, বন-গীত, বিহু-গীত এফাঁকি গাবলৈকো তেওঁলোকে ভাল নাপাব। ওপৰৱালা কৰ্ম্মচাৰী হিচাপে তেওঁলোকে মোক অলপ ভয় সমীহ কৰি চলে,— সিফালে যিমানেই লাগিলে মই তেওঁলোকৰ লগত খোলা আৰু "গণতান্ত্রিক" ভাবাপন্ন নহওঁ।

ল'ৰাটোৱে মোৰ আগে আগে লেমটো হাতত লৈ সেই আন্ধাৰত গাঁৱৰ মাজৰ বাৰিষাৰ পিছল বাটেদি খুপি খুপি খোজ কাঢ়িছিল। সেই কেইদিন হেনো তাত সদায় ধাৰাসাৰে বৰষুণ পৰিছিল। মাত্র সেইদিনাহে সেই সময়ত বৰষুণ নাছিল। বাট-পথ কিন্তু তেনেই বোকাময় আৰু পিছল হৈয়ে আছিল।

নীৰবতা ভঙ্গ কৰিবলৈ ল'ৰাটোৰ লগতেই কথা পাতিলোঁ।

: তোৰ নাম কি অ' ··· ল'ৰা ?

: কলীয়া, ছাৰ।

: প-ঢ় ?

: সপ্তমমানলৈকে পঢ়িছিলো,— ছাৰ ! আমাৰ স্কুল ঘৰটো সাত দিনমানৰ আগতেই লুইতৰ গড়া-খহনীয়াত গ'ল এতিয়া আমাৰ পঢ়িবলৈ 'ইস্কুল-তিচ্‌কুল' একো নাই।

: ঘৰত তোৰ কোন কোন আছে ?

: পিতাই, আই আৰু এজনী সৰু ভনী।

: পিছে, মোক আজি কিহেৰে ভাত খুৱাবি ?—তাক অলপ ৰসিকতা কৰিয়েই সুধিলোঁ।

: ৰঙা চাউলৰ ভাত, মৰিছা আৰু অলপ মাছ।

: ঘৰত এতিয়া পিতায়েৰক পাম নে ?

: পাবও পাৰে, নাপাবও পাৰে, ছাৰ !

: এইবোৰ কি কথা ? মোক আলহী মাতি তেওঁ নাথাকিব, কিয় ?



আইৰ বকনি খাঁওতেই যায়। মনত 'কিবা' দুখ আছে। পিতাই আহোঁ বলিয়াৰ দৰে হ'ল। গাঁৱে গাঁৱে নাম-গুণ গাই ভাং হুঁপি ফুৰে আৰু 'বহুত ৰাতি' ঘৰ ওলায়হি।—

: মনত কিবা ডাঙৰ দুখ আছে নেকি ?

: আছে তো ? দুখনকৈ বাৰী-ঘৰ দুবাৰকৈ নদীৰ গড়া খহনীয়াত জাহ্ গ'ল। এইবাৰো বানৰ প্রচণ্ড মূৰ্ত্তি। মানুহৰহে ধৈৰ্য্য, ছাৰ !

কথা-বতৰাত ল'ৰাটোক বয়সতকৈও জ্ঞানী যেন লাগিল। পণ্ডিতৰ বিদ্যাৰ চেকনিতকৈ—সংসাৰৰ তিতা-কেঁহা অভিজ্ঞতাৰ কিলেহে যেন তাক বেচি শিকাইছে।

* * *

সিহঁতৰ ঘৰ সন্ধিয়া লাগি ভাগিলতহে পালোঁগৈ। ···

ওৰণিৰ আঁৰৰ মিচিকিয়া হাঁহি এটিৰে এজনী মানুহে মোক আদৰি নিয়া দি নিলে।

মোৰ বুজিবলৈ অকণো বাকী নাথাকিল যে সেই মানুহজনীয়েই ল'ৰাটোৰ মাক। মানুহজনী দেখাত ৰূপহী।

সিহঁতৰ ঘৰটোৰ বিষয়েই মানুহজনীয়ে প্রথমতে উলিয়ালে। কলে, : এইখন পাম-ঘৰ হে। ভগা ঘৰ। দু বাৰকৈ দুখন সুন্দৰ গৃহস্থী মাটিয়ে বাৰীয়ে বাৰিষা নদীৰ বুকুত গ'ল। ল'ৰাৰ বাপেক পগলাৰ দৰেই হ'ল !

বুজিলোঁ, মানুহজনী কথকী। গাঁৱলীয়া বোৱাৰী যদিও কথা-বতৰাত বেচ্ আগ বঢ়া।

তাইক অধিক কথা কবলৈ সুযোগ নিদি প্রথমতে তাইৰ গিৰীয়েকৰ খবৰ উলিয়ালোঁ।

কলে : তেওঁ আহিব। ৰাতি কেতিয়া ঘৰ সোমায়, তাৰহে একো 'ঠিকনা' নাই। মজিয়াত সজাই থোৱা ভাত খাই শুই থাকে। মোক টোপনি আহিলে নজগায় আৰু প্রায়ে আমনিও নিদিয়ে।

···আমনিও নিদিয়ে ···, কথাষাৰ কওঁতে মানুহজনীয়ে অলপ হাঁহিছিল।

মানুহজনী তেতিয়া মোৰ অলপ দুষ্ট স্বভাৱৰ যেন লাগিছিল । এই মানুহ ঘৰ যে এসময়ত গাঁৱৰ ভিতৰতেই চহকী আছিল, তাত অকণো সন্দেহ নাছিল । বাৰে বাৰে হোৱা বান পানীৰ ধ্বংস-লীলাত এওঁলোকৰ অৱস্থা 'লাও-লোৱা' নহলেই ৰক্ষা । এতিয়াও এওঁলোক পানী-পকৰাৰ দৰে বাৰিষাৰ বানতেই উটি-বুৰি ফুৰিছে। অনিশ্চয়তা আৰু বিপদক জীৱনৰ চিৰ লগৰীয়া কৰি লৈছে । আৰু অতীতৰ সুখৰ অৱস্থাৰ কথাকে সুঁৱৰি বা আনক কৈ প্ৰাণত শান্তি লভিছে ।

মানুহজনীয়ে মোক চাহ জলপান দিলে । আৰু মোৰ খোৱা থকাৰ সকলো দিহা কৰিলে ।

এটা কোঠাত মোৰ কাৰণে বিছনাৰো ব্যৱস্থা হ'ল ।

কিয় কব নোৱাৰোঁ, ইমান আগ্ৰহৰ মাজতো মানুহজনীলৈ মোৰ কিবা 'অজান সংশয়' জন্মিছিল । মোৰ মনলৈ ভাব আহিছিল— এইজনী যেন এজনী দুষ্ট স্বভাৱৰ তিৰোতা, আৰু হয়তো তাইৰ নৈতিক পতনৰ বাবেই তাইৰ গিৰিয়েক 'অসুখী' আৰু 'আনমনা' হবলৈ বাধ্য হৈছে । নহলে, নিজৰ গাভৰু-পত্নীক আৰু ল'ৰা-ছোৱালী দুটিক ঘৰত এৰি থৈ মাজনিশা শেহনিশা তেওঁ অনাই-বনাই গাঁৱে গাঁৱে ঘূৰি ফুৰে—কিহৰ দুখত ?

হয়তো, বাৰে বাৰে বান-পানীত বিধ্বস্ত হোৱাৰ বাবে মানুহ-জনৰ দেহা আৰু অৱস্থা উৰ'লি পৰা অৱস্থাও কিছু পৰিমানে দায়ী ।

ৰাতি বহুতখিনি হ'ল ।

সেই কথকী তিৰোতা জনীয়ে মোক বহুত কথাই কৈছিল ।

তাইৰ এসময়ৰ নিজৰ ঘৰৰ অৱস্থা আৰু গিৰিয়েকৰো পূৰ্ব্বৰ জয়-জয়-ময়-ময় অৱস্থাৰ কথা মোক কৈ তাই চকু পানীহে টুকিলে।

তাই কৈছিল, কেনেকৈ বানৰ গৰাহত তাইৰ বাৰীৰ তামোল-পান, গোহালিৰ গৰু-ম'হ, পুখুৰীৰ মাছ আৰু ঘৰ-দুৱাৰ, সা-সম্পত্তি সকলো শেষ হ'ল । এবাৰ বানত ভেঁটি মাটি সকলো নদীয়ে খহাই নিলত, তাইৰ বুদ্ধিয়ক আৰু পৰিশ্ৰমী গিৰীয়েকে আন এঠাইত হাবি



ভাঙি মাটি কাটি ঘৰ-দুৱাৰ সাজি নতুনকৈ ঘৰ-বাৰী পাতিলে, আৰু কেইবছৰ মানৰ ভিতৰতেই বহুতো পৰিমাণে পূৰ্ব্বৰ অৱস্থা ঘূৰাই আনিবলৈ সক্ষম হ'ল । কিন্তু বাৰিষাৰ কোবাল নদীখনে গতি-পথ সলনি কৰিলে, আৰু ফলত তেওঁলোকৰ সেই বাৰী-ঘৰো পুনৰ গড়া-খহনীয়াৰ বুকুত নিঃচিহ্ন হৈ গ'ল । উপায়ান্তৰ নেদেখি, উটি-বুৰি আহি এই নতুন পাম ঘৰ পতা দুবছৰেই হোৱা নাই । ইফালে, এইখন গাঁৱতো এই বাৰিষা গড়া খহনীয়া আৰম্ভ হলেই । আৰু বা ক'লৈ যাব লগা হয় ।

ঃ বুজিছে, সঁচাকৈয়ে আমাৰ অৱস্থা বৰ বেয়া হ'ল । 'দেউতাক', সেইবিলাক বেজাৰতেই কিবা 'বৈৰাগী' হ'ল ।

তাইৰ ছোৱালীজনী সৰু । আঢ়ৈ বছৰ মানহে বয়স হব । ল'ৰাটো ১১/১২ বছৰীয়া হব । সৰু ছোৱালীজনী আৰু ল'ৰাটোৱে, আমাৰ কাষত থিয় হৈ থকা শুনি আছিল ।

এনেতে, মানুহজনীয়ে ল'ৰাটোক দবিয়াই কোৱাদি কলে, ঃ পুতু ! তোৰ আমাৰ কথা-বতৰা শুনাৰ কি দৰকাৰ ? যা ! শুই থাকৃগৈ···যা ।

মাকৰ দাবি খাই ল'ৰাটো শুবলৈ বুলি সিটো কোঠালৈ গুচি গ'ল । আঢ়ৈ বছৰীয়া ভনীয়েকো লগত গ'ল ।

এইবাৰহে যেন তিৰোতাগৰাকী আগতকৈ মুকলি আৰু নিঃসঙ্কোচ হ'ল ।

মানুহজনীৰ কথা কাণ্ড দেখি-শুনি মই 'হত-বাক্' হৈ পৰিছিলোঁ। এই পৰিস্থিতি মোৰ কাৰণে অসহনীয় আছিল,—হয়তো অক্ষমনীয়ও। মই যেন ৰাতিটোৰ কাৰণে কোনো এক বিপদৰহে সন্মুখীন হৈছিলোঁ। এতিয়া এই এন্ধাৰ ৰাতি অচিন গাঁৱৰ মাজে মাজে আকৌ মই 'ৰিলিফৰ কেম্প্' পতা স্কুলঘৰ ওলোৱাটো মোৰ কাৰণে অসম্ভৱ কথা। কিয়নো, গলে সেই সৰু লৰাটোৰ সহায় নোলোৱাকৈ মই পলাই যাব লাগিব । আনহাতে, বাহিৰত ধাৰাষাৰে বৰষুণ পৰিছিল ।

গিৰিয়েক আহে নে নাহে, একো ঠিক নাই ।

ঘৰত মতা মানুহ নথকা অৱস্থাত, এজনী মাইকী মানুহ ঘৰখনত ন বালক ল'ৰা-ছোৱালী দুটি লৈ থকা অৱস্থাত সেই ঘৰত মই মানে মোৰ দৰে 'পজিচন' থকা মানুহ এজন ৰাতি থাকিলে—মোক বাৰু মানুহে কি ভাবিব ? মানুহবিলাকে হয়তো দেখুৱাই মোৰ আগত চৰ্চ্চা নকৰিব—ভয়ত। কিন্তু নৈতিক ভাবে জানো মোৰো 'কেনেবা' 'কেনেবা' লাগি নাথাকিব ? ঘৰত মোৰ সদ্য-বিবাহিতা স্ত্রীয়ে এই কথা শুনিলে হয়তো এই কথাকেই কেন্দ্র কৰি আমাৰ সোণৰ সংসাৰত ভাঙোন ধৰিব।

ভিতৰি ভিতৰি মোৰ ইয়াত থাকিবলৈ বন্দোৱস্ত কৰা মানুহটোলৈ বৰ খং উঠিছিল। ভাবিছিলোঁ, তাক সময়ত ভালকৈ 'ধমকি' দিব লাগিব। আগতে, মোৰ লগত আলোচনা নকৰাকৈ এইদৰে যেন য'তে ত'তে মোৰ থকা-শোৱাৰ বন্দোৱস্ত নকৰে।

আৰু, ওৰণিখন টানি টানি লৈ মিচিকি মিচিকি হাঁহি থকা সেই ধুনীয়া বোৱাৰীজনী ? তাই পৰ-স্ত্রী। তাইৰ 'ওৰণি-তলৰ মৰম' মোক নালাগে। ই অবৈধ আৰু অযুক্তিকৰ কথা। তাতে, 'পৰকীয়া প্রেম' জানো পাপ-কথা নহয় ?

অথচ, ব্যৱহাৰত, কথা-বতৰাত আৰু শুশ্রূষাত এই মানুহজনীয়ে আতিথেয়তাৰ সীমা-ৰেখা চেৰাই গৈছিল। অনুমান হৈছিল, দুষ্ট স্বভাৱৰ এই গাঁৱলীয়া তিৰোতা এজনীয়ে আজি নিশা মোৰ এই নিঃসহায় পৰিস্থিতিৰ সুযোগ লৈ মোক যেন কিবা 'ফান্দত' পেলাবৰহে উপক্রম কৰিছিল।

তেতিয়াও তাইৰ গিৰিয়েক আহি নোলাল।

মানুহজনীক মই কলোঁ, ঃ মানুহজনো ইমান পৰে আহি নোলাল ; মোৰ অকলে ইয়াত বৰ ভাল লগা নাই।

ঃ ভয় কিহৰ ? মই জানো নাই ? আপুনি জানো 'পুৰুষ' নহয় ? আৰু, মই কিবা 'ৰাক্ষসিনী' নে যে ৰাতিটোৰ ভিতৰতে আপোনাক গিলি থম ?

উত্তৰ নিদিলোঁ।



মনতে ভাবিলোঁ, তুমি 'ৰাক্ষসিনীত'কৈও 'বহুত কিবা'। ... ... একো নকলোঁ। ...

* * * *

অলপ পিছতেই মোৰ অন্তৰৰ পৌৰুষ জাগি উঠিল।

তাতে, ভাগ্য আৰু এৰাব নোৱাৰা পৰিস্থিতিয়ে যদি এজনী তিৰোতাৰ লগত মোক এৰাতি 'বঞ্চিব' লগীয়া অৱস্থাত পেলায়, প্রশ্নটো 'মই এজন পুৰুষ আৰু এজনী তিৰোতাৰ প্রশ্ন' হিচাবেই ভবা আৰু লোৱা উচিত। আৰু পৰিস্থিতিৰ বাবে অন্ততঃ তেনে ভাৱেই সাজু থকা উচিত।

মানসিক আৰু শাৰিৰীক ভাবেও,—মই সেইদৰেই নিজকে নিজে প্রস্তুত কৰি লৈছিলোঁ।

মাথোন, এই চিন্তা দুশ্চিন্তাৰ ফাঁকে ফাঁকে নগৰত থকা মোৰ বিবাহিতা ভাৰ্য্যাৰ মুখ-ছবিখন জিলিকি উঠিছিল।

সেই কৰুণ চকু জুৰিয়ে মোক যেন অবুজ ভাষাৰে আগতেই কৈ ৰাখিছিল, ... 'আজীৱন মোৰ প্রেম পাবা ... মাথোন অন্য নাৰীৰ প্রতি আসক্ত নহবা ...।'

* * * *

ৰাতি শোওঁতে প্রায় দুপৰ নিশাই হবৰ হ'ল। ঘৰটোত মুঠতে তিনিটা কোঠা আছিল। এটা কোঠা আলহী-চ'ৰা, বাকীটো মানুহ ঘৰৰ শোৱনি কোঠা। আন কোঠাটোত বোধকৰোঁ, আলহী দুলহী আহিলে শোৱা-থকাৰ ব্যৱস্থা কৰা হয়। ঘৰটো সাধাৰণ। খেৰৰ আৰু মাটি বোকাৰ ঘৰ। সাধাৰণ ঘৰ,—মানুহজনীৰ ভাষাত 'পাম ঘৰ।' মানুহজনী এই ঘৰটো লৈ অকণো সুখী নাছিল—এইবাবেই যে তাইৰ পূৰ্ব্বৰ ঘৰবিলাক,—যিবিলাক নদ-নদীৰ গড়া খহনীয়াত জাহ গ'ল,—ইয়াতকৈ বহুত ভাল আছিল। মোক চাহ-ভাত দি থকা অৱস্থাতো তা পূৰ্ব্বৰ অৱস্থাৰ কথা উপযাচিয়েই আকৌ মোক কৈ বোধকৰোঁ সেই দৰেই বাৰে বাবে মনক সান্ত্বনা দিবলৈ বিচাৰিছিল।

তাই মোক কলে, ঃ ৰাতি বহুত হ'ল। আপুনি শুই থাককগৈ।

তেওঁ আহি নোলাল। কেতিয়া আহে, কোনে জানে?

মই মোৰ কাৰণে ঠিক্‌ঠাক্ কৰি থোৱা কোঠাটোত সোমালোঁ। যদিও বিছনাখনত তুলি, গাৰু, বিছনা-চাদৰ আদি সাধাৰণ আছিল, সেইবিলাক, বেচ পৰিস্কাৰকৈ ধোৱা আছিল। ঘৰৰ গৃহস্থনীজনীৰ হাত-মুখ সমানে চলে, সেই ধাৰণা কৰিবলৈ মোৰ অকণো সৰহ সময় নালাগিল। গাৱঁলীয়া বান-বিধ্বস্ত অঞ্চলত এনে এখন গৃহস্থালিত কটোৱা যে স্কুল ঘৰৰ বিলিফ্‌ কেম্পত কটোৱাতকৈ বহুত ভাল হৈছে, সেইটো মই তেতিয়াহে উপলব্ধি কৰিব পাৰিছিলোঁ।

অলপ পিছতেই মোৰ কোঠাৰ দুৱাৰখনত; মানুহজনী ল'ৰা-ছোৱালী হালৰে সৈতে শোৱা কোঠাটোৰ ফালৰ পৰা, বাঁহৰ দুৱাৰ-দাংডাল লগোৱাৰ শব্দ হ'ল। মই শোৱা কোঠাটোৰ দুৱাৰখন মোৰ ফালৰ কোঠাৰ ভিতৰৰ পৰা বন্ধ কৰি থব পৰাৰ কোনো ব্যৱস্থা নাছিল। সাধাৰণতে, সেইখন সিটো কোঠাৰ ফালৰ পৰাই বন্ধ কৰি থোৱা হয়। তথাপিও, কব নোৱাৰোঁ, কি ভাবি শোৱাৰ আগতে এখন কাঠৰ টুলকে মোৰ কোঠাত দুৱানখনৰ ওচৰত দি ৰাখিছিলোঁ।...

মোৰ সচৰাচৰ অভ্যাস মতে শোৱাৰ আগতে মেজত সজাই থোৱা পানী গিলাচ খালোঁ।... আৰু, এটা চিগাৰেট পুৰি শেষ কৰিলোঁ।...

কেতিয়া মোৰ টোপনি আহিছিল, কব পৰা নাছিলোঁ।

এনেতে, হঠাৎ সাৰ পাই দেখোঁ, মোৰ কোঠাত যেন এটা অশৰিৰী ছাঁ।... খকা-মকাকৈ বিছনাখনতে উঠি বহি মই জুইশলাটো খেপিয়াবলৈ ধৰিলোঁ। ভয়ত মোৰ সৰ্ব্ব শৰীৰ কঁপি গৈছিল। এই অচিন ঠাইত 'ভূতৰ কাণ্ড' দেখি সঁচাকৈয়ে বৰ ভয় লাগিছিল।

সেই ছাঁ।... লাহে লাহে পৰিণত হ'ল—ক্ৰমে আগবাঢ়ি অহাৰ লগে লগে, এজনী মানুহলৈ—। মানে, সেইয়া সিটো কোঠাৰ পৰা দুৱাৰ খুলি সোমাই অহা মোক আশ্ৰয় দিয়া ঘৰখনৰ গৃহস্থনী বোৱাৰী জনী!

আতঙ্কত মোৰ চিঞৰি দিবৰ মন গৈছিল। ই কি কাণ্ড!



যদি কোনেবাকৈ গিৰীয়েকে আহি এই অৱস্থাতে পায়হি, মোৰ বাৰু প্ৰাণ ৰাখিবনে? একে ঘাপে কাটি মোক টুকুৰা-টুকুৰ নকৰিবনে? মই প্ৰকৃততে দোষী নে নিৰ্দ্দোষী, সেই কথা বিচাৰ কৰিবৰ গিৰীয়েকৰ সময়েই থাকিব ক'ত?

মানুহজনী মোৰ বিছনাৰ কাষলৈ আহি টুলখন টান মাৰি তাতে বহিল। ইতিমধ্যে, কেৰাচিন তেলৰ চাকিটো জুইশলাৰ কাঠি মাৰি মই জ্বলাই পেলাইছিলোঁ।

তাই মোক কলে—ফুচ্‌ফুচাই, : চাৰ! ভয় নাই। তেওঁ এতিয়া আহি নাপায়। মই অলপ সময়হে থাকিম ··· ইয়াত। মই 'বাঘিনী' নহওঁ।

মানুহজনীয়ে মোক 'চাৰ' বুলিলে—এই প্ৰথমবাৰ। কিয়? ···

মোৰ খং উঠিছিল। কলোঁ, : এইটো তুমি ভাল কাম কৰা নাই।

: ভাল কাম, বেয়া কাম মই জানো, চাৰ। ··· তাইৰ মাতটো আগতকৈ ডাঙৰ হ'ল। ···

আকৌ কলে, : আপোনাৰ ওচৰলৈ এটা বুধি বিচাৰি আহিছোঁ। আপুনি মোৰ কথা শুনিবই লাগিব। ··· যদি নুশুনে,··· আপোনাক মই বিপদত পেলাম ···।

বিজুলী সৌকাৰ সমুখত 'চাৰ্কাছৰ' সিংহ বশ হোৱাৰ দৰে এই মানুহজনীৰ ওচৰত মই বশ হৈ গলোঁ।··· ভাবিলোঁ, কোনোমতে মোৰ ৰাতিৰ বিপদ আঁতৰক।

কলোঁ, : কোৱা, বাৰু সোনকালে। কিয় কালি ৰাতিপুৱাই দেখোন কব পাৰিবা?

: নোৱাৰোঁ। মোৰ 'গৃহস্থৰ' সমুখত নোৱাৰোঁ। পুৱা তেওঁ আহি পাব। ···

: কোৱা! ···

: চাৰ!··· মোক ক্ষমা কৰিব চাৰ! ··· আপুনি নগৰীয়া হাকিম। বুধি বেচি দীঘল। মোক, অবলা নাৰীক এটা উপায় দিয়ক।

G 944



তেওঁ আহি নোলাল। কেতিয়া আহে, কোনে জানে?

মই মোৰ কাৰণে ঠিক্‌ঠাক্ কৰি থোৱা কোঠাটোত সোমালোঁ। যদিও বিছনাখনত তুলি, গাৰু, বিছনা-চাদৰ আদি সাধাৰণ আছিল, সেইবিলাক, বেচ পৰিস্কাৰকৈ ধোৱা আছিল। ঘৰৰ গৃহস্থনীজনীৰ হাত-মুখ সমানে চলে, সেই ধাৰণা কৰিবলৈ মোৰ অকণো সৰহ সময় নালাগিল। গাৱঁলীয়া বান-বিধ্বস্ত অঞ্চলত এনে এখন গৃহস্থালিত কটোৱা যে স্কুল ঘৰৰ বিলিফ্ কেম্পত কটোৱাতকৈ বহুত ভাল হৈছে, সেইটো মই তেতিয়াহে উপলব্ধি কৰিব পাৰিছিলোঁ।

অলপ পিছতেই মোৰ কোঠাৰ দুৱাৰখনত; মানুহজনী ল'ৰা-ছোৱালী হালৰে সৈতে শোৱা কোঠাটোৰ ফালৰ পৰা, বাঁহৰ দুৱাৰ-দাংডাল লগোৱাৰ শব্দ হ'ল। মই শোৱা কোঠাটোৰ দুৱাৰখন মোৰ ফালৰ কোঠাৰ ভিতৰৰ পৰা বন্ধ কৰি থব পৰাৰ কোনো ব্যৱস্থা নাছিল। সাধাৰণতে, সেইখন সিটো কোঠাৰ ফালৰ পৰাই বন্ধ কৰি থোৱা হয়। তথাপিও, কব নোৱাৰোঁ, কি ভাবি শোৱাৰ আগতে এখন কাঠৰ টুলকে মোৰ কোঠাত দুৱানখনৰ ওচৰত দি ৰাখিছিলোঁ।...

মোৰ সচৰাচৰ অভ্যাস মতে শোৱাৰ আগতে মেজত সজাই থোৱা পানী গিলাচ খালোঁ।... আৰু, এটা চিগাৰেট পুৰি শেষ কৰিলোঁ।...

কেতিয়া মোৰ টোপনি আহিছিল, কব পৰা নাছিলোঁ।

এনেতে, হঠাৎ সাৰ পাই দেখোঁ, মোৰ কোঠাত যেন এটা অশৰিৰী ছাঁ।... থকা-মকাকৈ বিছনাখনতে উঠি বহি মই জুইশলাটো খেপিয়াবলৈ ধৰিলোঁ। ভয়ত মোৰ সৰ্ব্ব শৰীৰ কঁপি গৈছিল। এই অচিন ঠাইত 'ভূতৰ কাণ্ড' দেখি সঁচাকৈয়ে বৰ ভয় লাগিছিল।

সেই ছাঁ। ... লাহে লাহে পৰিণত হ'ল—ক্ৰমে আগবাঢ়ি অহাৰ লগে লগে, এজনী মানুহলৈ—। মানে, সেইয়া সিটো কোঠাৰ পৰা দুৱাৰ খুলি সোমাই অহা মোক আশ্ৰয় দিয়া ঘৰখনৰ গৃহস্থনী বোৱাৰী জনী!

আতঙ্কত মোৰ চিঞৰি দিবৰ মন গৈছিল। ই কি কাণ্ড!



যদি কোনেবাকৈ গিৰীয়েকে আহি এই অৱস্থাতে পায়হি, মোৰ বাৰু প্ৰাণ ৰাখিবনে? একে ঘাপে কাটি মোক টুকুৰা-টুকুৰ নকৰিবনে? মই প্ৰকৃততে দোষী নে নিৰ্দ্দোষী, সেই কথা বিচাৰ কৰিবৰ গিৰীয়েকৰ সময়েই থাকিব ক'ত?

মানুহজনী মোৰ বিছনাৰ কাষলৈ আহি টুলখন টান মাৰি তাতে বহিল। ইতিমধ্যে, কেৰাচিন তেলৰ চাকিটো জুইশলাৰ কাঠি মাৰি মই জ্বলাই পেলাইছিলোঁ।

তাই মোক কলে—ফুচ্‌ফুচাই, : চাৰ! ভয় নাই। তেওঁ এতিয়া আহি নাপায়। মই অলপ সময়হে থাকিম ··· ইয়াত। মই 'বাঘিনী' নহওঁ।

মানুহজনীয়ে মোক 'চাৰ' বুলিলে—এই প্ৰথমবাৰ। কিয়? ···

মোৰ খং উঠিছিল। কলোঁ, : এইটো তুমি ভাল কাম কৰা নাই।

: ভাল কাম, বেয়া কাম মই জানো, চাৰ। ··· তাইৰ মাতটো আগতকৈ ডাঙৰ হ'ল। ···

আকৌ কলে, : আপোনাৰ ওচৰলৈ এটা বুধি বিচাৰি আহিছোঁ। আপুনি মোৰ কথা শুনিবই লাগিব। ··· যদি নুশুনে,··· আপোনাক মই বিপদত পেলাম ···।

বিজুলী সৌকাৰ সমুখত 'চাৰ্কাছৰ' সিংহ বশ হোৱাৰ দৰে এই মানুহজনীৰ ওচৰত মই বশ হৈ গলোঁ।··· ভাবিলোঁ, কোনোমতে মোৰ ৰাতিৰ বিপদ আঁতৰক।

কলোঁ, : কোৱা, বাৰু সোনকালে। কিয় কালি ৰাতিপুৱাই দেখোন কব পাৰিবা?

: নোৱাৰোঁ। মোৰ 'গৃহস্থৰ' সমুখত নোৱাৰোঁ। পুৱা তেওঁ আহি পাব। ···

: কোৱা! ···

: চাৰ!··· মোক ক্ষমা কৰিব চাৰ! ··· আপুনি নগৰীয়া হাকিম। বুধি বেচি দীঘল। মোক, অবলা নাৰীক এটা উপায় দিয়ক।

ঃ উপায়! কি উপায়?

ঃ আজি কেইবছৰ মানৰ পৰা আধামুৰি জুইৰ দৰে গাৱঁৰ মহৰী কাম কৰা ডেকা মানুহ এটাই মোক খেদি ফুৰিছে।··· এদিন তেওঁ ঘৰত নথকা অৱস্থাত—বলাৎকাৰ কৰি সি মোৰ ভৰি পিছলালে। তেতিয়াৰ পৰাই ··· মাজে ··· মাজে। বুজিছেই ···। তাক মই ভাল নাপাওঁ। কিয় পাম? কিন্তু চাৰ! ··· মই নিৰুপায়, নিৰুপায়···। সি কয়, মই 'তুৰি-মুৰি' কৰিলেই হয় মোক মাৰি পেলাব, নহয় মোৰ গিৰিহঁতক সকলো কথা কৈ দিব। ···তেতিয়া এওঁ তো কাটি টুকুৰা টুকুৰ কৰিব। এইবাৰ কিন্তু মানুহজনীয়ে ফোঁপাই ফোঁপাই কান্দি উঠিল। তেওঁ ঘৰত নাথাকিলে সি মাজে মাজে আহে। ইটো সিটো মোলৈ আৰু ল'ৰা-ছোৱালী দুটালৈ আনে। মোৰ ঘৰৰ মানুহে তাক ভাল মানুহ বুলিয়েই ভাবে। ··· তেওঁ নাজানে যে সি 'চুকতে' থাকি 'বুকতে' কামোৰ দিছে। ··· মাজে মাজে সি ভয় দেখুৱায় মোক ··· যে তাক ভাল নেপালে মোৰ গৃহস্থৰ আগত সকলো কেলেঙ্কাৰী কৈ দিব। ··· ভয়ত চাৰ! মই তাৰ সকলো কথাই শুনো। নহলে, মোৰ গিৰিহঁত যিহে খঙাল মোক 'দুচেও' কৰিব। ···

মানুহজনীয়ে বেলেগ ধৰণেৰে বাৰে বাৰে একেটা কথাকেই কলে। ···

তাই আকৌ কলে, ঃ চাৰ! বানপানীৰ গড়া খহনীয়াত তিনিখন ঘৰ 'বদলালোঁ'। সি কিন্তু পাছ এৰা নাই। ··· চাৰ! মোৰ শিৰত সেন্দুৰ আছে ··· গিৰিহঁত আছে ··· ল'ৰা-ছোৱালীহাল আছে ·· তেনেহলে মই কেনেকৈ তাৰ লগত পলাই যাওঁ? আৰু, পৰহি সি মোৰ আগত দা-জোকাৰি গৈছে। কৈছে, এদিন তাৰ লগত মই পলাই যাবই লাগিব এদিন নহয়, এদিন।

মই মানুহজনীক কলোঁ, ঃ তোমাক মই কাইলৈ উপায় দিম। এতিয়া শুই থাকাগৈ।

ঃ কাইলৈ নহয়, আজি এতিয়াই। আপোনালোক ডাঙৰ হাকিমৰ কেতিয়াও কথাৰ ঠিক নাই। মই জানো, আপুনি পুৱাই 'পলাব'।



মই কিন্তু নেৰিছোঁ ··· আমি গোটেই ঘৰখনেই আপোনাৰ তালৈকে যাওঁ চাৰ! ৰক্ষা কৰক ···। সেই 'পশুৰ' হাতৰ পৰা মোক 'বচাওক' ···। নহলে, এদিন মই বৰ লুইতত জাপ দিম ···। হে হৰি! ··· বান পানীৰ গড়া-খহনীয়াই ঘৰে-ঘৰোৱাহে আমাৰ গোটেই কেইটা প্ৰাণীকেই খহাই নিলেই ভাল আছিল।

কেৰাচিন তেলৰ পোহৰত সেই ধুনীয়া মুখৰ মানুহজনীৰ সদ্য-অশ্ৰুসিক্ত চকু কেইটা দেখি মোৰ পুতৌ জন্মিল। ··· লগতে, ভাবিলোঁ, পানী পৰুৱাৰ দৰে উটি-বুৰি ফুৰা অৱস্থাতো—এই দুৰ্ভগীয়া মানুহ-জনী আৰু দুষ্ট মহৰীটোৰ—কেলেঙ্কাৰী, যৌনতাৰ ফালটোৰ কথা হয়তো মোৰ দৰে বানগ্ৰস্তলোকৰ 'ৰিলিফৰ' কামত ফুৰা মানুহ এজনে আগতে কল্পনাই কৰিব পৰা নাছিলোঁ।

মানুহজনীক বুদ্ধিৰে প্ৰবোধ দি আৰু ৰক্ষাৰ আশ্বাস দি কোনো ৰকমে তাইক সিটো কোঠালৈ পঠাই দিলোঁ।

ৰাতিপুৱা সোনকালেই মই সেই ঠাই এৰি—স্কুলৰ পিনে আগ বাঢ়িলোঁ। মনতে পাঙিলোঁ, ৰাতিৰ অভিজ্ঞতাৰ কথা মোৰ নগৰৰ বন্ধু উকীল ৰামচৰণৰ বাহিৰে আন কাকো নকওঁ। মানুহজনীক অনিচ্ছা-কৃত স্খলনৰ পৰা উদ্ধাৰ কৰাৰ উপায়, হয়তো সেই উকীলৰ পৰাই পাম।

আৰু, ভাবিলোঁ, মানুহজনীয়ে যেতিয়া কান্দিছিল তাইৰ অশ্ৰুৱে তাইৰ কামনা, বা মোৰো লুক্কায়িত কামনাকো, বানে অৰণ্য গাওঁ প্লাৱিত কৰাৰ দৰেই, সেই ৰাতি প্লাৱিত কৰি থৈছিল। ···

মানুহজনীক সেই লম্পট মহৰীটোৰ গৰাহৰ পৰাও হয়তো সময়ত বচাব পৰা হব।

কালৰ সোঁতত অতীতৰ এটা দুৰ্যোগৰ নিশাৰ দৰেই সেই ধুনীয়া কথকী মানুহজনীকো হয়তো পাহৰি পেলাম।

কিন্তু, পাহৰিব পাৰিম জানো, তাইৰ, নিশাৰ সেই অশ্ৰু?

# বোবা বেদনা

ডাঃ বিবেক হাজৰীকাৰ লগত এদিন মোৰ নাটকীয় ভাবেই চিনা-পৰিচয় হৈ গ'ল। এইটো ঘটিছিল কোনো এক সন্ধিয়া মেডিকেল কলেজ হস্পিতালৰ ১১১ নং 'ওৱাৰ্দত'। মোৰ দূৰ সম্বন্ধীয়া ৰোগী এজনৰ বাতৰি লবলৈ যাওঁতে ভুল কৰি প্ৰথমে সেই 'ওৱাৰ্দ'টোতেই সোমাইছিলোঁ। ক্ষমা খুজি আকৌ ওলাই আহিব খোজোতেই তেখেতে কৈছিল, ঃ বহা, অলপ। কোনো কথা নাই, 'ইয়ং বয়'। তোমালোকৰ দৰে ল'ৰাৰ লগত দু-আষাৰ কথা পাতি ভাল লাগে। তাতে, ডাক্তৰে আজি মোৰ 'ইউৰিনত' 'চুগাৰ' কম পোৱা বুলি কোৱাত মনটো অলপ ভাল লাগি আছে।

মন্ত্ৰ-মুগ্ধ ভেৰাৰ দৰে মই বিচাৰিব লগীয়া ৰোগীজনৰ কথা পাহৰি গলোঁ। আৰু চকী এখন টানি আনি শুই থকা এই ভদ্ৰলোকজনৰ সমুখা-সমুখীকৈ বহিলোঁ।

ঃ ৰ'বা, মোৰ নাম ডাঃ বিবেক হাজৰীকা। থাকোঁ ...

ভদ্ৰলোকে তেখেতৰ নাম-ধাম আৰু কামৰ বিষয়ে মোক প্ৰায় তিনি মিনিট জোৱা এটা চমু বক্তৃতা দিলে।

হাজৰীকাৰ বয়স তিনিকুৰিৰ ওচৰা-ওচৰি হব।

গতিকে তেখেতে মোক 'তুমি-তামা' বুলি সম্বোধন ধৰি নমতাটোহে অস্বাভাৱিক হ'লহেঁতেন।

ইয়াৰ পিছত যেতিয়াই হস্পিতাললৈ মই মোৰ চিনাকী ৰোগীজনৰ বাতৰি লবলৈ যাওঁ, ডাঃ হাজৰীকৰ 'ওৱাৰ্দত' সোমাই তেখেতৰো খা-খবৰ লোৱা মোৰ এক অভ্যাসতেই পৰিণত হ'ল। গহীন গম্ভীৰ আৰু বয়সস্থ সেই ভদ্ৰলোকজনৰ শান্ত-সৌম্য চেহেৰাটোত মানুহক কিবা এক আকৰ্ষণ কৰিব পৰা শক্তিহে যেন লুকাই আছিল।



তেখেতক শুশ্ৰূষা কৰি থকা মহিলাগৰাকীৰ বয়স প্ৰায় আঢ়ৈকুৰিমান হব। তেখেতৰ চুলিত আধা আধি বয়সৰ ৰূপালী আঁচোৰ লাগিছিল। মুখখনত অনবৰত হাঁহিৰ ঈষৎ-ৰেখা এটা লাগিয়েই আছিল।

আজি-কালি ডাঃ হাজৰীকাৰ 'ওৱাৰ্দ'লৈ প্ৰায়েই যাওঁ।

হাজৰীকানীয়ে মই গলে প্ৰায়েই—সেই 'স্পিচিয়েল ওৱাৰ্দৰ' ৰান্ধনি কোঠাৰ বৈদ্যুতিক 'ষ্টোভ'টোত পানী উতলায়। আৰু যথা-সময়ত মোলৈ হাঁহি হাঁহি একাপ গৰম চাহ আৰু 'ক্ৰীম্-ক্ৰেকাৰ' বিস্কুট কেইখনমান লৈ আহে। চাহ বিস্কুটখিনি শেষ নকৰালৈকে মোৰ ফালে চাই কৈ থাকে, 'খোৱা, খোৱা গোটেইখিনি শেষ কৰা'।

এনে গৰাকী মহিলাক কোনদিনা কেতিয়া কোন মুহূৰ্ত্তত 'মাহীদেউ' বুলি সম্বোধন কৰি পেলালোঁ সঠিক মনত নাই।

ডাঃ হাজৰীকা 'ডায়েবেটিছৰ' ৰোগী। দীঘলীয়া আৰু সু-চিকিৎসাৰ কাৰণে আহি এইদৰে হস্পিতালত আছেহি। 'ইনুছিলিন' দিলে তেখেতৰ ৰোগ অলপ কমে। আৰু, ৰোগ কমিলেই হাজৰীকাই কোনেও গম নোপোৱাকৈ মাহীদেউ ইফালে সিফালে যোৱাৰ সুৰুঙাতেই—মনে মনে লগুৱা ল'ৰাটোৰ হতুৱাই বজাৰৰ পৰা মিঠাই আদি অনাই খায়। পিছত, হাজৰীকানীৰ 'জেৰাত' আচল কথা ওলাই পৰে। ফলত, বুঢ়াই বকনি খায়, আৰু বিছনাৰে পৰা অসহায়ৰ হাঁহি এটা মাৰিবলৈ চেষ্টা কৰে। মই চাহ-পানীত সোহা মাৰোঁ।

এই পৰিয়ালটোৰ লগত মই আত্মীয়ৰ দৰে হৈ পৰিছিলোঁ।

হাজৰীকাৰ ৰোগ অলপ কমাত মাহীদেৱে মোকেই তিনিদিনৰ কাৰণে তেখেতক 'চোৱা-চিতা' কৰাৰ ভাৰ দি তেজপুৰলৈ গুছি গৈছিল।

ৰোগীৰ বিছনাৰ কাষতে মই বহি আছিলোঁ—তাৰ পিছদিনা সন্ধিয়া। ব্যস্ত মেডিকেল কলেজ হস্পিতালৰ ব্যস্ত পৰিৱেশৰ লগত আমি নিজকেই খাপ খুৱাই লৈছিলোঁ।

: বিজু ! অলপ ওচৰলৈ আহা । আনাচোন, চকীখনকে টান মাৰি মোৰ ওচৰলৈকে আনা ।

তেখেতৰ কথা মতে কাম কৰাৰ পিছতেই শুই থকা ডাঃ হাজৰীকাই মোলৈ যিটো দৃষ্টি নিক্ষেপ কৰিলে, সেই অপত্য দৃষ্টিপাতত মোৰ মনটো কেনেবা লাগিছিল । মোৰ ৺দেউতালৈ মনত পৰিছিল ।

: কোঠাটোৰ 'হুক্' ডাল ভিতৰফালৰ পৰাই লগাই দিয়া, বিজু। ক'ৰবাত মাহীদেউৰা ওলাবহি । তেওঁলৈ মোৰ বৰ ভয় লাগে । তেওঁ বকে ।

তেখেতৰ আদেশ পালন কৰিলোঁ ।

··· ইফালে-সিফালে চাই তেখেতে কবলৈ আৰম্ভ কৰিলে, : ডাক্তৰে যিমানেই নকওক. দিনে দিনে মই শুকাই-খীণাই যাব ধৰিছোঁ । কেতিয়াবা কিজানি বিচনাতেই মৰি থাকিম । মাহীদেউৰাৰ লগত আগতে মোৰ কোনোদিন দাঁতে-ওঁঠে লগা নাছিল। তাহানি দিল্লীত থাকোঁতে মাহীদেউৰাৰ পোহনীয়া পুচিক কিবা খঙত একে মাৰেই মাৰি পেলালোঁ । শ্যাম দেশীয় সেই মেকুৰীটো তেওঁৰ বৰ মৰমৰ আছিল ।···

··· গ'ল কথা গুচিগল । তেওঁ মেকুৰীটোৰ কথা কিন্তু পাহৰিব নোৱাৰিলে । ইয়াৰ মৃত্যুত তেওঁৰ কিবা এক জটিল আৰু অচিন স্থায়ী মানসিক দাগ লাগিল—যাৰ ফলত, পিছলৈ যি কোনো মেকুৰী দেখিলেই তেওঁ চিঞঁৰ-বাখৰ কৰি মূৰ্চ্ছিত হৈ পৰা এটা অভ্যাসত পৰিণত হ'ল ।

মানসিক চিকিৎসকৰ পৰামৰ্শ হ'ল, মাহাদেউৰা যেতিয়াৰে পৰা সন্তান সন্তৱা হব, তেতিয়াৰ পৰা হয়তো এই দোষ গুচিব পাৰে ।

মই কলোঁ, : কিয়, আন এটা শ্যাম-দেশীয় মেকুৰী কিনি আনি পুহিলেও তো হ'ল হেঁতেন ?

: তেনে কৰিবলৈ বাকী ৰখা নাই । আন মেকুৰী আনি পোহা তো বেলেগ কথাই, মেকুৰী দেখিলেই তেওঁ চিঞঁৰ-বাখৰ কৰি মূৰ্চ্ছা যায় ।



: এই বিষয়ে মোক আৰু অলপমান বহলাই কব নে ?

* * *

ইয়াৰ পিছত ভদ্ৰলোকৰ কথাৰ পৰা বুজিব পাৰিলোঁ যে দিল্লীৰ এখন বিশ্ববিদ্যালয়ৰ পুষ্টি-বিজ্ঞানৰ তেওঁ অধ্যাপক আছিল । তেতিয়া তেওঁ ডেকা আছিল আৰু আছিল তেওঁৰ সুন্দৰ স্বাস্থ্য, চেহেৰা আৰু কৰ্ম্ম শক্তি । গৱেষক-অধ্যাপক হিচাপে তেওঁৰ নাম ফাটি-ফুটি গৈছিল । বিয়াৰ পিছত, বিয়াৰ ফল স্বৰূপে কোনো সতি-সন্ততি আদি ভালেমান বছৰলৈকে নোহোৱাই আছিল—তেখেতসকলৰ যি একমাত্ৰ দুখ ।

আমাৰ সমাজত সাধাৰণতে ভবাৰ দৰে হাজৰীকানীৰেই কিবা দোষ বুলি ভাবি গিৰীয়েকে বহুতো চিকিৎসা আদি কৰালে । ফল কিন্তু একো নহ'ল ।

পিছেঁ, সময়ৰ সোঁতত আৰু ডাক্তৰী বিজ্ঞানৰ বলত এদিন যেতিয়া স্বয়ং ডাঃ হাজৰীকাই তেওঁলোকৰ সন্তান-হীনতাৰ বাবে তেওঁৰেই দায়ী বুলি ভিতৰুৱাকৈ প্ৰমাণিত হৈ গ'ল,—সেইদিনা যেন ডাঃ হাজৰীকাৰ ভৰিৰ তলৰ পৰা পৃথিবীখন খহি গ'ল ।

ক্ৰমে ক্ৰমে হাজৰীকানীও স্বভাৱত অলপ খিঙ্ খিঙীয়া হবলৈ ধৰিলে, আৰু মাজে মাজে অলপ কথাতেই গিৰীয়েক-ঘৈণীয়েকৰ ভিতৰত ঠোঁটা-মোজা লাগি থকা হ'ল ।

হাজৰীকানীয়ে কিন্তু, গিৰীয়েকক সদায়েই প্ৰাণ ভৰি ভাল পাইছিল, আৰু সন্তান হীনতাৰ বাবে কোনো দুখ-বেজাৰ প্ৰকাশ্যে কৰি থকা নাছিল নাইবা গিৰীয়েককো কোনো দোষ নিদিছিল । কাৰণ, তেওঁ এজন সক্ষম পুৰুষ আছিল, আৰু ঘৈণীয়েকক সন্তুষ্ট ৰাখিব পাৰিছিল ।

ইয়াৰ পাচত ভালেকেইটামান বছৰ এটাৰ পিছত আনটোকৈ কালৰ কোলাত বাগৰি পৰিল । হাজৰীকা হাজৰীকানীৰো বয়স হ'ল । কিন্তু, ঘৰখনলৈ 'তৃতীয় প্ৰাণীৰ' আৰু আগমন নহ'ল ।

এনে সময়তেই সেই ঘৰখনলৈ পোহনীয়া শ্যাম দেশীয় মেকুৰীটোৰ

আবিৰ্ভাৱ ··· আৰু তাৰ হত্যাকাণ্ড ··· আৰু মাহীদেউৰ 'মেকুৰী-অসুখ'। সময়ৰ সোঁতত তেওঁলোক হ'ল প্ৰৌঢ় ···। দিল্লীৰ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰি তেজপুৰৰ অগ্নি-গড়ৰ কাষত স্থায়ী ঘৰ সাজি তাতে আছে।··· এতিয়া ভদ্ৰলোকৰ 'ডায়েবেটিছৰ' অসুখ বেচি হোৱাত ইয়াৰ হস্পিতালতে ভৰ্ত্তি হৈছেহি। ভাল পালেই গুচি যাব।···

হাজৰীকাই কথাবিলাক কৈ যাওঁতে তেওঁৰ চকু সেমেকিছিল।

আধাঘণ্টামান পিচতেই মাহীদেউ আহি পালে।

মই আগতেই দুৱাৰৰ খিল খুলি ৰাখিছিলোঁ।

আহিয়েই প্ৰথমে তেখেতে গিৰীয়েকৰ খা-খবৰ ললে, আৰু স্বাস্থ্যৰো বুজ ললে।

মোক সুধিলে, ঃ বিজু তোমাৰ কোনো অসুবিধা হোৱা নাছিল তো এই কেইদিন এখেতৰ বা-বাতৰি লৈ আছাতো?

ঃ নাই, মাহীদেউ। তেখেতৰ লগত কথা-বতৰা পাতি মই বৰং খুব ভালহে পাইছিলোঁ।

গিৰীয়েকে মোক কোৱা কথাবিলাকৰ—কিয় জানো কি ভাবি—মাহীদেউক কোনো 'ফুট্' বা 'গম' নিদিবলৈকে ইতিমধ্যে ঠিক কৰিছিলোঁ। তেখেতৰো অৱশ্যে এই কথাত সমৰ্থন আছিল।

ঃ বিজু! চাহ একাপ খাবা, ৰ'বা। পিঠাও আনিছোঁ—তোমালৈ। অলপ বহা ···, বুলি কৈ মাহীদেউৱে কাপোৰ কানি সলাই মোলৈ চাহ কৰিবলৈ বুলি পাকঘৰ সোমাল।

হাজৰীকাই বিছনাৰ পৰাই দুখেৰে সেঁহাই উঠিল, ঃ বিজু! মাহীদেউৰাই অভিমান কৰে কাৰণেই মোক বকে, নহয়নে? তেওঁক বাৰু মই কি সুখ দিব পাৰিলোঁ? বেচেৰীয়ে 'চিয়াটিকা-পেইনত' ভুগিয়েই আছে, অথচ মোৰ কাৰণেই নিজৰ বেমাৰক বেমাৰ নোবোলে। মই হলোঁ 'মৃত্যু-মুখী' আৰু তেওঁ 'চিৰ অসুখী'।···

কথাৰ সোঁত আনফালে বোৱাবৰ কাৰণে মই তৎক্ষণাৎ বাহিৰা কথাৰ অৱতাৰণা কৰিছিলোঁ।



মাহীদেৱে মোলৈ চাহ জলপান লৈ আহিল।

* * * *

চাওঁতে চাওঁতে মহাদেউ বহুতখিনি ভাললৈ আহিল। আত্মীয়তা আৰু অধিক গাঢ় হলত—মই ভদ্ৰলোককো আজি কালি 'মহাদেউ' বুলি সম্বোধন ধৰি মাতিবলৈহে আৰম্ভ কৰিছোঁ।

মাহীদেৱে এদিন আবেলি মোক কলে, ঃ বিজু! আজি কেইবা-মাহো 'চিনেমা' চোৱা নাই। ওলোৱা আজি। মহাৰাও ওলাওক।

মহাদেৱে কলে, ঃ তোমালোকেই যোৱা আজি। মোৰ যাবলৈ বৰ মন যোৱা নাই।

ৰিক্সাখনত উঠি নগৰৰ 'বোল-ছবি' ঘৰলৈ যাওঁতে হস্পিতালৰ কাষৰ বিজুলীবাতিৰ আলোকমালা চেৰাই গৈছিলোঁ।

বোল-ছবি চাই উভটি আহিছিলোঁ। ···

'ওৱাৰ্ডত' মাহীদেউক কলোঁ, ঃ আপুনি বাৰু ইমান পুৰণি কাপোৰ-সাজ পিন্ধি চিনেমালৈ যাব পায় নে?

মাহাদেৱে হাঁহি এটা মাৰি কলে, ঃ বিজু! মই আঢ়ৈকুৰী বছৰীয়া বুঢ়ীজনীয়ে এতিয়া জানো পাট-মাদৈ সাজিবৰ বয়স আছে? গাভৰু বোৱাৰী কালতেই নিপিন্ধিলোঁ। তেজপুৰৰ ঘৰত বাকচ বিলাকত এতিয়াও বহুতো ভাল ভাল কাপোৰ জাপে জাপে জপা হৈয়েই আছে। ভাঁজ খোলা নাই। ····· মোৰ 'মৰ-কাপোৰ' কৰিবলৈ সেইবিলাক সেইদৰে সাঁচি থৈছো ···।

এখেতসকললৈ মোৰ—স্কুলীয়া ল'ৰা-এটাৰ ক্ৰমে ক্ৰমে কিন্তু অভিমানৰ সৃষ্টি হৈছিল। তাৰ কাৰণ, সংসাৰত মোৰ নিজৰ বুলিবলৈ কেওঁ কিছু নাই। সংসাৰৰ ঘাট-মাউৰা, নগৰৰ উপকণ্ঠ অঞ্চলৰ গাৱঁলীয়া ল'ৰা মই। কোনোমতে, এই নগৰখনৰ একোণত এটা পঁজা-ঘৰত থাকি দশম মান শ্ৰেণীত পঢ়িছোঁহি। মই যিদিনা হস্পি-তালত—মোৰ সেই চিনাকী ৰোগীজনৰ খা-খবৰ লবলৈ গৈছিলোঁ—ঘটনাক্ৰমে বা দুৰ্ঘটনাক্ৰমে—এখেতসকলৰ 'ৰুমত' সোমাই পৰিছিলোঁ আৰু ক্ৰমে পৰিচয় আৰু আত্মীয়তাও গাঢ় হৈ আহিছিল। ···

অথচ, এওঁলোকে আজিলৈকে মোৰ পৰিচয় বা আঁতি-গুৰি একো সোধা নাই।

মই নিঃস্বাৰ্থ ভাবেই এওঁলোকৰ কাৰণে 'পৰি মৰোঁ', অথচ এওঁলোকে মোৰ পৰিচয় আজিও সোধা নাই।

এওঁলোকৰ এই নিষ্ঠুৰতাত মই বেদনাহত হৈ পৰিলেও তাক কেতিয়াও আনৰ আগত প্ৰকাশ কৰা নাছিলোঁ। ল'ৰাটো মই এনেকুৱাই। বুকু ফুটিলেও মোৰ মুখ নুফুটে।

* * * *

তেখেতসকল হস্পিতালৰ পৰা যোৱাৰ দিনটো আহি পৰিল। মাহীদেৱে মোক কলে,: বিজু, আমাৰ 'তেজপুৰৰ ঘৰৰ ঠিকনা-টো তুমি জানাই। কেতিয়াবা আমাৰ ফালে যাবৰ তোমাৰ জানো সময় হব?

তেখেতৰ কথা কোৱাৰ ধৰণ মোৰ অকণো ভাল লগা নাছিল। মই হয়তো মনে মনে বিচাৰিছিলোঁ—মোৰ মাতৃ-স্বৰূপা এই মহিলা গৰাকীয়ে মোক কব লাগিছিল, ... 'ব'লা তুমিও আমাৰ লগতে ওলোৱা'। ...

মই অভিমান ভৰা কঁপা কঁপা মাতেৰে কলোঁ,: মাহীদেউ! মই পঢ়া-শুনাতহে ব্যস্ত থাকিবৰ সময় আৰু বয়স। অ'ত ত'ত ঘূৰি ফুৰিবৰ মোৰ সময় নাই।

ইচ্ছা কৰিয়েই মই তেনেদৰে কৈছিলোঁ। ... মানুহ গৰাকীয়ে পায় যদি অলপ আঘাত পাওক।

মাহীদেৱে মোৰ কথা শুনিয়েই ততালিকে মাত লগালে,: নালাগে যাব, তুমিনো আমাৰ কোন কি? পৰ জানো আপোন হয়? শিমলু গছ কেতিয়াও চন্দন হব নোৱাৰে, বুজিছা?

তেখেতৰ চকু পানীখিনি বৈ পৰিব খুজিও যেন থমকি ৰৈ গ'ল।

মই মাথোন নীৰৱে আছিলোঁ, আৰু ভাবিছিলোঁ। ভাবিছিলোঁ, মই এটা কম বয়সীয়া স্কুলীয়া ল'ৰা। কিন্তু,



মাহীদেউৰ মেকুৰী দেখি মূৰ্চ্ছিত হোৱাৰ কাৰণ মই ভাবি উলিয়াই-ছিলোঁ—এই দৰে,—। নিঃসন্তান মাহীদেউৰ মনটো সেই মৃত মেকুৰী পোৱালীটোৱে অপত্য স্নেহেৰে কেন্দ্ৰীভূত কৰি লৈছিল। তাৰ মৃত্যুত তেখেতৰ মানসিকাতত নিজ সন্তানৰ মৃত্যু-ভীতিয়ে ঠাই পাইছিল —যাৰ ফলত মেকুৰী দেখিলেই তেখেতে আতঙ্কত—চিঞৰি উঠিছিল।

আৰু ভাবিছিলোঁ, 'মেকুৰী হিষ্টিৰিয়া' এখেতৰ সম্পূৰ্ণ নিৰাময় হ'লহেঁতেন—যদি এখেত এটি মাত্ৰ সন্তানৰ জননী হ'লহেঁতেন; নাইবা কাৰোবাক তোলনীয়া পো কৰি লৈ তাকেই মনে প্ৰাণে মাতৃ স্নেহ ঢালি দিব পাৰিলেহেঁতেন।

লগতেই ভাবিছিলোঁ, এখেতসকলৰ ধনে-দৌলতে ভৰি আছে। মোকেই বাৰু তোলনীয়া পো কৰি লবলৈ প্ৰস্তাৱ আগ বঢ়োৱাত কি আপত্তি আছিল?

পলকতেই ভাবিছিলোঁ, মাহীদেৱে মোক অলপ আগতে কোৱা কথাষাৰতেই সত্য লুকাই আছে। ... পৰক আপোন নাইবা শিমলুক চন্দন বুলি ভাবিব পৰাৰ স্তৰলৈ মাহীদেউ এতিয়াও উন্নীত হব পৰা নাই। আৰু সেইদৰে ময়ো মাহীদেউক 'মাতৃব্য' বুলিহে ভাবিব পাৰিম—'মাতৃ' বুলি নহয়।

মাহীদেউহঁত তেজপুৰলৈ জাহাজত উঠি যাওঁতে, মোলৈ মনত পৰি মাহীদেউ জানো অশ্ৰুসিক্তা হৈ পৰা নাই? ... আৰু, মাহী-দেৱে তেখেতৰ সন্তান-হীনতাৰ বিষয়ে কিয় বাৰু মোৰ আগত এদিনো উল্লেখ নকৰিলে?

* * * *

মোৰ খেৰৰ পঁজাৰ 'বোৰ্ডিং ঘৰত' শুই শুই সেই নিশা ভাবি আছিলোঁ,— মাহীদেৱে তেখেতৰ মনোবেদনা প্ৰকাশ কৰিছিল—চিনেমাৰ পৰা আহোঁতে—মোক ভাল কানি-কাপোৰ তেখেতৰ পিন্ধিবৰ মন নোযোৱা বুলি কোৱাৰ দিনা।...

মাহীদেউলৈ মনত পৰি মই মনে মনে চুপি কান্দিছিলোঁ—অভিমানত। কিয় বাৰু মোক ঠিক নিজৰ ল'ৰাৰ দৰে তেখেতে মৰম

কৰা নাছিল? আৰু, সিংসহায় 'মহাদেউ' জনে? সন্তান হীনতাৰ প্ৰকাশ্য বেদনাৰ ভাগ—উজাৰ কৰি মোৰ আগত কিয় তেখেতেও ব্যক্ত নকৰিলে? মাহীদেউ, মহাদেউকো কিয় বাৰু তেওঁলোকৰ প্ৰতি জাগি উঠা মোৰ অভিমান বেদনাক—মইয়ো কোনো কথাৰে ৰূপ নিদিলোঁ?

বয়সত সৰু যদিও ভগবানে মোক মৰম কৰিবৰ আৰু মৰম বুজিবৰ শক্তি দিছে। ইয়াত বয়স নাইবা বিদ্যাৰ প্ৰশ্ন নুঠে। অজান শিশুৱেও বুজে—মানুহে সিহঁতক মৰম কৰে নে নকৰে?

তেখেতসকল আৰু মোৰ কাৰো মুখ নুখুলিছিল—কাৰণ আমাৰ প্ৰত্যেকৰেই অন্তৰৰ পুঞ্জীভূত বেদনা-ৰাজি বোবা হৈ পৰিছিল।

● ●

# বাবৰিৰ বাবে

মই আছিলোঁ নগৰৰ সাধাৰণ নিম্ন মধ্যবিত্তৰ ঘৰৰ ল'ৰা। আমাৰ থকা ঘৰটো আছিল—সাধাৰণ। খেৰী পঁজা এটা বুলি কলেও অধিক কোৱা নহয়। মোৰ আয়ে ঘৰতে দিনটো সোমাই তাঁত-সূত বৈ কাপোৰ-কানি বেছি মোৰ স্কুল কলেজত পঢ়াৰ খৰছ উলিয়াইছিল আৰু ঘৰ-মাটিৰ খাজানা শোধাইছিল।

মানুহে,--বিশেষকৈ আমাৰ ওচৰ-চুবুৰীয়া ধনী মানুহ কিছুমানে মোক দুখীয়াৰ ঘৰৰ ল'ৰা বুলি অৱজ্ঞা কৰাৰ সুযোগ মই গ্ৰহণ কৰিছিলোঁ। ঘৰতে সোমাই থাকি নিয়মিতৰূপে লিখা-পঢ়া কৰাৰ ফলত—সময়ত মই পঢ়া-শুনাত চোকা ল'ৰা বুলি পৰিগণিত হৈছিলোঁ। এই কাৰণেই, নগৰৰ বিশ্ববিদ্যালয়ত পঢ়িবলৈ গৈ, বৃত্তিৰ টকা আৰু আইয়ে কাপোৰ বেচি সাঁচি ৰখা টকাৰে কোনোৰকম পঢ়াৰ খৰছ উলিয়াই—সময়ত এম্-এ পৰীক্ষা পাছ কৰাৰ সপোনো এদিন ফলিয়ালে।

অথচ, আজি মই এম্-এ পাছ কৰি আহি চাকৰি এটাৰ যোগাৰ নোহোৱালৈকে ঘৰতে বহি থকা এই কাল ছোৱাত মোৰ ভগা ঘৰলৈ মানুহৰ কিমান অহা-যোৱা! কেইবাজনেও মোক—মই আইৰ ল'ৰা নহয়—যেনিবা তেওঁলোকৰেই—বুকুৰ কুটুম বুলি ভাবিবলৈ কৈছিল।

অথচ মই এম্-এ পাছ কৰাৰ—আগৰ কাল ছোৱাত এই এতিয়াৰ কন্যা-দাতাসকলৰ চৰণ-ধূলি আমাৰ ভগা ঘৰৰ মজিয়াত পৰা নাছিল।

সুখ্যাতিৰে এম্-এ পাচ কৰি অহাৰ পিচত মোৰ কাৰণে দূৰত উপযুক্ত চাকৰিৰ অভাৱ নাছিল। মই পিছে এই নগৰখনৰেই স্থানীয় কলেজ এখনত অধ্যাপকৰ কাম এটা খালি হোৱালৈকে অপেক্ষা কৰিছিলোঁ। কিয়নো, এনে এটা কাম কৰিলেই মোৰ, ভাল লাগিব। ঘৰখন, নগৰখন আৰু মোৰ অকলশৰীয়া দুখুনী বিধবা মাতৃক এৰি—

আঁতৰলৈকো যাব লগা নহব। সেই পঢ়াদিনৰে পৰা আই অকল-শৰীয়া। ময়োতো কলেজীয়া কালৰে পৰাই সদায় আইক এৰি আঁতৰত থাকিব লগীয়া হৈছিল। এতিয়া আইক মোৰ সঙ্গ আৰু অদূৰ ভবিষ্যতে ভাবী বোৱাৰীয়েকৰ অলপ সেৱা-শুশ্রূষাৰে সন্তোষ দিয়াটো জানো মোৰ উচিত নহয়?

নগৰখনৰ মোহ এৰি দূৰলৈ চাকৰি কৰিবলৈ নোযোৱাৰ কাৰণ আন এটাও নথকা নহয়। আইৰ লগত এই বিষয়ে মুখেৰে আলোচনা কৰাও নাই, আৰু কৰাব আৱশ্যকো হোৱা নাই। কিয়নো, আয়ে কথা কয় কম, বুজে বেছি। হয়তো, পৃথিবীৰ মাক বিলাকেই তেনেকুৱা।

বাবৰি বৰা নামৰ নগৰৰেই সেই লাহী, কলি আৰু ধেনু-ভিৰীয়া চেলাউৰি থকা চকুৰ ছোৱালীজনীকেই বৈৱাহিক সূত্রে মোৰ জীৱনৰ লগৰী কৰিম বুলি ঠিক কৰিছিলোঁ। ছোৱালীজনী মই বাস কৰা নগৰখনৰেই এঘৰ সাধাৰণ মধ্যবিত্ত অৱস্থাৰ জীয়াৰী। তাইক কেতিয়া ক'ত কেনেকৈ প্ৰথমবাৰ দেখিছিলোঁ, সি মোৰ কাৰণে এক অপ্ৰকাশ্য কথা হৈয়েই থাকক। আজি এটা কথাই মাথোন মোৰ মনত পৰিছে, আৰু সেয়ে এই ছোৱালীজনীৰ কণ্ঠত মৌ-মাত আৰু চকুত চৰিত্ৰ আছিল। কলেজত পঢ়িবলৈ যোৱাৰ আগতেই—হঠাৎ প্ৰথম দেখা দিনৰে পৰাই তাই মোৰ হৃদয় মন অধিকাৰ কৰি বহিল।

কলেজলৈ পঢ়িবলৈ মোৰ যোৱাৰ দিন চমু চাপি আহিল। মই ভাবিছিলোঁ বাবৰিৰ প্ৰতি ওপজা মোৰ এই প্ৰেম অপ্ৰকাশ্য হৈ থাকিলে বাবৰিয়ে হয়তো গম নাপাব। তাৰ ফলত, মই পঢ়ি থকা অবস্থাতেই এই ছোৱালীজনীৰ যদি আনৰ লগত বিয়া হৈ যায়!

বাবৰিক মোৰ 'শেষ কথা'— মানে দুটা শব্দৰে গঠিত সেই কথাটো এদিন আলিবাটতেই ছেগ বুজি কম বুলি পাঙি গলোঁ।— কোৱা আৰু নহ'ল। সেই কথাষাৰ—সেই শব্দ দুটা কোৱা নহ'ল। সকলো পাহৰি গলোঁ। মোৰ ভাষা 'বোবা হ'ল!



যদি আগতে মই বাবৰিহঁতৰ ঘৰলৈ আৰু বাবৰিও আমাৰ ঘৰলৈ অহা নাছিল—আমাৰ ঘৰৰ আৰু তেওঁলোকৰ ঘৰৰ বাকী আন মানুহবিলাকৰ মাজত অহা-যোৱা আছিল।

মই ভাবিলোঁ, কলেজলৈ ঘৰ এৰি পঢ়িবলৈ যাম যেতিয়া—মাত লগাবলৈ যোৱাৰ সুযোগতে বাবৰিৰ ঘৰলৈ এইবাৰ মোৰ যোৱাটো অসমিচীন নহব। আৰু, সুযোগ মিলিলেই বাবৰিক যেনে-তেনে দুটা শব্দ কম ··· 'ভাল ··· পাঁও ···'।

সঁচাকৈয়ে মোৰ সুযোগ ওলাল।

বাবৰিক তেওঁৰ ঘৰৰ 'পাৰ্টিকো'তেই উলৰ চুৱেটাৰ এটা গুঠি থকা অৱস্থাত অকলেই লগ পালোঁ।

মই কলোঁ, ঃ বাবৰি!

ঃ কওক,, টুলু ককাইদেউ!

ঃ মই গুৱাহাটীৰ কলেজত পঢ়িবলৈ যাম বুলি শুনিছা, নিশ্চয়।

ঃ শুনিছোঁ।

ঃ বাবৰি! মই এম্‌-এ পাচ কৰি নহালৈকে বাট চাবা দেই, মো'লৈ।

··· কালৈকো নাযাবা ···।

মোৰ কথাষাৰ শুনিয়েই বাবৰি দৌৰি যোৱাৰ দৰে আঁতৰি ভিতৰ সোমাই গ'ল। ময়ো জ্বৰ ঘমাদি ঘামি উঠি গুচি আহিলোঁ।

মই কলেজ পালোঁগৈ।

আৰু এইদৰেই মোৰ প্ৰেমৰ এক-পক্ষীয় ভাবে হোৱা সূত্ৰ-পাতেই দুই-পক্ষীয় ৰূপ ললে। আমাৰ মাজত চিঠি-পত্ৰৰ আদান-প্ৰদান চলিল।

তাৰ পিচত আহিল মোৰ শিক্ষাৰ সাধনাৰ পৰ্ব্ব, আৰু বাবৰিৰ প্ৰতীক্ষাৰ অধ্যায়।

আয়ে পিচত কথাবিলাক শুনিলে আৰু বুজিলে।

সেইদৰে, বাবৰিৰ ঘৰেও।

সময়ত বাবৰিহঁতৰ ঘৰৰ পৰাও ভৱিষ্যতে বাবৰিৰ লগতেই মোৰ বিয়া-বাৰু হোৱাৰ সম্ভাৱনাৰ সমৰ্থনৰেই আভাষ পালোঁ। কাৰণ,

মোৰ আছিল ভৱিষ্যত শিক্ষাৰ উচ্চ ডিগ্ৰী, আৰু হয়তো এটা ভাল চাকৰি।

বাবৰিক মোৰ হাতত গতাব পাৰিলে তেওঁলোকে ভালেই পাব।

* * *

বিশ্ব-বিদ্যালয়ৰ জহৰ বন্ধত সেইবাৰ ঘৰলৈ আহিছোঁ।

নিশা মই মোৰ কোঠাত শুই আছোঁ।

লেমটো হাতত লৈ আই সোমাই আহিল। আঠুৰাখনৰ ভিতৰত সোমাই থকা ম'হ দুই-এটাক খেদাবলৈ বুলি আঠুৰাখন দাঙি বিচি আকৌ পেলাই দি মোৰ বিছনাৰ মূৰ শিতানৰ কাষতেই বহিলহি। আয়ে মোৰ মূৰটো পিহি দি মৰমৰ সুৰত কলে, ঃ টুলু! কথা এটা তোক কওঁ কওঁ বুলি ভাবি আছোঁ — অ'!

ঃ ক, আই!

ঃ মই 'বুঢ়ী' মাৰ-জনীৰ কথা দলিয়াই নোপলাবি, সোণ! মই কালি-পৰহিলৈ চকু 'মুদিম'। তোৰ সমুখত গোটেই ভৱিষ্যত টোৰেই পৰি আছে। বুজিছ, নাৱত উঠোঁতে নাওঁখন আৰু ব'ঠাপাত সদায় চাই ল'ব লাগে।

ঃ আই! এইবোৰ মই একো বুজা নাই।

ঃ আমি হলোঁ 'জনম-দুখীয়া' মানুহ। দেউতাৰে ভেঁটিটোৰ বাহিৰে একোকেই এৰি যাব নোৱাৰিলে। তোক-মোক দুখৰ অঠাই সাগৰতেই এৰি গুচি গ'ল। কোনোমতে তোক পঢ়াই-শুনাই তুলি-তালি ইমানটো কৰিলোঁ। মোৰ জানো আশা নাই, বোপাই?

ঃ আই! মই সকলো বুজোঁ। মই দুখকহে ঘিণ কৰোঁ আই, দুখীয়া মানুহক নহয়। প্ৰথমতে সকলো 'মানুহ' পিছতহে ধনী বা দুখীয়া।

আয়ে মোক আৰু অধিক কবলৈ সুযোগ নিদি কলে, ঃ বোপাই! তই বাবৰিক বিয়া কৰোৱাৰ আশা এৰ। অৱস্থাপন্ন ঘৰৰ ছোৱালী এজনী বিয়া কৰালে 'গুৰিয়াল' পোৱাদি পাবি আৰু টানে-আপদেও তৰিব পাৰিবি। বাবৰিহঁতৰ অৱস্থা আমাৰ ঘৰৰ নিচিনাই। তাইক



বিয়া কৰালে তোৰ ভৱিষ্যতে সহায় হওক ছাৰি টেঁটুত তোৰ গোটেই ঘৰখনেই লাগিব পাৰে।

খং কৰি আইক কলোঁ; ঃ আই! বাবৰিৰ বাহিৰে আন কাৰো লগত মোৰ বিয়া নহয়।...

মোৰ সৌভাগ্য যে সেই আইকেই লৈ বাবৰিৰ আঙুলিত এদিন মই বিয়াৰ প্ৰতিশ্ৰুতিৰ চিন স্বৰূপে আঙঠি এটা পিন্ধাই দিলোঁ। সকলো ঠিক হ'ল—আনুষ্ঠানিক ভাবে।

আঙঠি পিন্ধোৱাৰ পিচত মই ভাবিছিলোঁ—আজি মই যিজনী ছোৱালীৰ পাণিগ্ৰহণ কৰিবলৈ ওলাইছোঁ,—তাইৰো জীৱনটো মোৰ দৰেই দুখ-দাৰিদ্ৰ্যৰ মাজতেই গঢ়ি উঠিছিল। বাবৰি বোলা এই ছোৱালীজনীক যদি প্ৰকৃততেই ভাল পাইছিলোঁ, মাজে মাজে ভাবিছিলোঁ হয়তো বাবৰিক কোনো ধনী মানুহৰ ঘৰৰ ল'ৰাৰ লগত বিয়া হবলৈ সুযোগ দি–মই কক্ষচ্যুত হৈ সেই পথৰ পৰা গুচি অহাই উচিত আছিল।

মোৰ কাৰণে এইবোৰ অনুশোচনাৰ হয়তো আছিল আৱেগিক মূল্য। বাস্তৱত এইবোৰ অসম্ভৱ।... তেনে চৰম-ত্যাগ, যি ত্যাগে মোক আৰু বাবৰিক মিলনৰ পৰা বিচ্ছিন্ন কৰিব পাৰে, সেই ত্যাগক ত্যাগ নুবুলি 'দৰ্শনহে' বুলিব পাৰি। তেনে 'দৰ্শক'ক সাবটি লোৱাটো পলায়ন-বাদৰেইহে নামান্তৰ। ... অন্ততঃ মই ভুলে শুদ্ধই তাকেই বুজিছিলোঁ।...

এম-এ পাচ কৰি আহিলোঁ। আমাৰ, মানে মোৰ আৰু বাবৰিৰ সপোন ক্ৰমে বাস্তৱৰ পথত অগ্ৰসৰ হবলৈ ধৰিলে।

ঠিক কৰিলোঁ, চাকৰি এটাৰ যোগাৰ হোৱাৰ পিচতেই আমাৰ বিয়া পাতিম। এতিয়া মোৰ ভয় নাই। কিয়নো, বাবৰি নামৰ যিজনী ধুনীয়া ছোৱালীৰ অনামিকা আঙঠিত মোৰ সোণৰ আঙঠি এটা জিলিকিছে, সেই জনীয়েই মোৰ বাগ্‌দত্তা ভাবী পত্নী।

চাকৰি-খালিৰ বাতৰি ক'ৰো পৰা অহা নাই। মানে, স্থানীয় কলেজৰ 'লেক্‌চাৰাৰ' পদটিও খালি হওঁ হওঁ হৈ হে আছে, হোৱা

নাই। যোগ্যতাৰ ফালৰ পৰাও মই কামটো পোৱা একৰকম নিশ্চিত।

ইফালে দিনক দিনে নগৰখনত বয়-বস্তুৰ দাম উৰ্দ্ধ-গতিত উঠিহে গৈছে। খাদ্য-বস্তুৰ অনাটনৰ লগে লগেই ভেঁজাল খাদ্যৰ উপদ্ৰৱ।

নগৰখনত জুইহে জ্বলিছে। বন-জুই নহয়—ই অনাটনৰ অগ্নি শিখা। আমাৰ জীৱন অতিষ্ঠ কৰি পেলাইছে। বজাৰৰ প্ৰায় সকলো খাদ্য-সামগ্ৰী, আনকি ঔষধ-পথ্য আদিও ভেঁজাল ভেঁজাল লগা হৈছে।

এদিন আমাৰ ঘৰলৈ ফুৰিবলৈ আহিল—যাদৱ বৰঠাকুৰ। ওখ, কোট-পেণ্ট-টাই মাৰি ধুনীয়াকৈ পিন্ধি-উৰি থকা, ঘন আৰু কেঁকোৰা চুলি একোছাৰ গৰাকী,— মুখত মিচিকিয়া হাঁহি এটাৰে যাদৱ এটা দেখনিয়াৰ ডেকা। সি মোৰ স্কুলীয়া কালৰে পৰাই নলে-গলে লগা বন্ধু। অলপতে, আমেৰিকা যুক্তৰাজ্যৰ পৰা ভেটেৰিনাৰীৰ উচ্চ-ডিগ্ৰী লৈ আহিছে।

যাদৱে মোক কলে : হে'ৰ! শেহত গৈ বাবৰিৰ লগতেই তোৰ বিয়াখনৰ পকা বন্দোৱস্ত হ'ল বুলি শুনি ভাল পালোঁ।

তাক মই অলপ ৰসিকতা কৰি কলোঁ : যাদৱ! তই বাৰু আমেৰিকাৰ পৰা মোলৈ কি আনিলি? বিয়াত তো পিচত দিবিয়েই, এতিয়া কিবা নিদিয়, জানো?

: তোলৈ মই কিটো আনিম? মোলৈ জানো চিঠি দিছিলি? তাতে, সৰুৰে পৰাই তই হ'লি অভিমানী মানুহ। কাকো একো নোখোজ। তোক কি লাগে লিখা হলে মই বাচি বাচি ভাল 'নিৰ্ভেজাল' কিবা এটা বস্তু লৈ আহিলোঁহেঁতেন। বাৰু, বৰ্ত্তমানে 'ৰেঅ'ন পলিষ্টাৰ ফাইবাৰৰ লং পেণ্ট' এটাকেই দিম দে। তোলৈ থৈ দিছিলোঁ। ...

সি হাঁহি কলে।

ইয়াৰ পিচত চাহ খাই খাই যাদৱে সি দেশৰ বিষয়ে যিখিনি বক্তৃতা দিলে শুনি ভাল লাগিল। যেনে, ... 'বুজিছ,.. তাত গাখীৰ এবিধেই,—'গাখীৰ'। গাখীৰ কিনিবলৈ আমাৰ দৰে 'খাঁটি' নেকি



বুলি সোধাৰ তো আৱশ্যক নায়েই, বোধকৰোঁ। তেনেদৰে সোধাটোও 'অভদ্ৰ' কথাহে। তদুপৰি, তাৰ খোৱা-বস্তু, ঔষধ-পত্ৰ সকলো নিৰ্ভেজাল।

অৱশ্যে আলোচ্য দেশখনৰ যিবিলাক কথা-কাণ্ড তাৰ ভাল লগা নাছিল, সেই বিষয়েও সি কবলৈ নাপাহৰিলে।

পিছ দিনা সন্ধিয়া যাদৱৰ ঘৰলৈ গলোঁ—সি মোৰ কাৰণে ৰখা 'লংপেণ্ট'টো আনিবলৈ।

যাদৱে কলে, : বুজিছ? তোক কালি কৈহে আহিছিলোঁ— পেণ্টটো দিম বুলি? যোৱা ৰাতি মোৰ তাত আলহী থকা মোমাইৰ 'হাত-লৰ' স্বভাৱৰ লৰাটোৱে 'ফাক্' মাৰি লৈ গ'ল। ঘৰুৱা কথা। ক'তনো মেল-মোকৰ্দ্দমা কৰোঁ! তাতে, মোৰ 'পেণ্ট' নিয়াৰ স্বত্ব হয়তো সি তাৰ থকা বুলিয়েই ভাবিছিল।

মই কলোঁ, : কোনো কথা নাই, যাদৱ! বস্তুটো তই হে মোক দিওঁ বুলিছিলি। মইতো বিচৰা নাছিলোঁ। গতিকে, নাপালেও মোৰ আপত্তি নাই।

যাদৱে কলে, : নহয়, মোৰ 'কথা' মই ৰাখিমেই। মোৰ চোলা-পেণ্ট এজোৰ তোৰ গাত হলেই হয়। ৰহ্ চোন, কি পাওঁ, চাওঁ।

অলপ পিচতেই যাদৱ ভিতৰলৈ গৈ আকৌ ওলাই আহিল। হাতত লৈ আহিল, এটা হালধীয়া ৰঙৰ দীঘলীয়া বটল। বটলৰ ভিতৰত বহুটো কিবা দৰবৰ বড়ি।

: টুলু! তোক দিবলৈ আমেৰিকাৰ পৰা অনা বস্তু, এইটোৰ বাহিৰে মোৰ আন একোৱেই নাথাকিল, ভাই! সকলোবোৰ বিলাওঁতেই শেষ হ'ল। ল, এইটো আমেৰিকাৰ পৰা অনা খুব খাঁটি ভিটামিন-বড়িৰ বটল। ইয়াৰ একো একোটা বড়ি—বড়ি নহৈ যেন একো একো পালি মকৰধ্বজ। মাৰৰ গা দুৰ্ব্বল যেন লাগিলে খুৱাই দিবি, ভাল হব। সেৱন ব্যৱস্থাৰ কথা বটলতেই আখৰেৰে কটা আছে।

মই বড়িৰ বটলটোলৈ চাই তাক গ্ৰহণ কৰিমেই নে নকৰিম—

নাই। যোগ্যতাৰ ফালৰ পৰাও মই কামটো পোৱা একৰকম নিশ্চিত।

ইফালে দিনক দিনে নগৰখনত বয়-বস্তুৰ দাম উৰ্দ্ধ-গতিত উঠিহে গৈছে। খাদ্য-বস্তুৰ অনাটনৰ লগে লগেই ভেঁজাল খাদ্যৰ উপদ্ৰৱ। নগৰখনত জুইহে জ্বলিছে। বন-জুই নহয়—ই অনাটনৰ অগ্নি শিখা। আমাৰ জীৱন অতিষ্ঠ কৰি পেলাইছে। বজাৰৰ প্ৰায় সকলো খাদ্য-সাগগ্ৰী, আনকি ঔষধ-পথ্য আদিও ভেঁজাল ভেঁজাল লগা হৈছে।

এদিন আমাৰ ঘৰলৈ ফুৰিবলৈ আহিল—যাদৱ বৰঠাকুৰ। ওখ, কোট-পেণ্ট-টাই মাৰি ধুনীয়াকৈ পিন্ধি-উৰি থকা, ঘন আৰু কেঁকোৰা চুলি একোছাৰ গৰাকী,—মুখত মিচিকিয়া হাঁহি এটাৰে যাদৱ এটা দেখনিয়াৰ ডেকা। সি মোৰ স্কুলীয়া কালৰে পৰাই নলে-গলে লগা বন্ধু। অলপতে, আমেৰিকা যুক্তৰাজ্যৰ পৰা ভেটেৰিনাৰীৰ উচ্চ-ডিগ্ৰী লৈ আহিছে।

যাদৱে মোক কলে : হে'ৰ! শেহত গৈ বাবৰিৰ লগতেই তোৰ বিয়াখনৰ পকা বন্দোৱস্ত হ'ল বুলি শুনি ভাল পালোঁ।

তাক মই অলপ ৰসিকতা কৰি কলোঁ : যাদৱ! তই বাৰু আমেৰিকাৰ পৰা মোলৈ কি আনিলি? বিয়াত তো পিচত দিবিয়েই, এতিয়া কিবা নিদিয়, জানো?

: তোলৈ মই কিটো আনিম? মোলৈ জানো চিঠি দিছিলি? তাতে, সৰুৰে পৰাই তই হ'লি অভিমানী মানুহ। কাকো একো নোখোজ। তোক কি লাগে লিখা হলে মই বাচি বাচি ভাল 'নিৰ্ভেজাল' কিবা এটা বস্তু লৈ আহিলোঁহেঁতেন। বাৰু, বৰ্ত্তমানে 'ৰেঅ'ন পলিষ্টাৰ ফাইবাৰৰ লং পেণ্ট' এটাকেই দিম দে। তোলৈ থৈ দিছিলোঁ। ...

সি হাঁহি কলে।

ইয়াৰ পিচত চাহ খাই খাই যাদৱে সি দেশৰ বিষয়ে যিখিনি বক্তৃতা দিলে শুনি ভাল লাগিল। যেনে, ... 'বুজিছ,.. তাত গাখীৰ এবিধেই,—'গাখীৰ'। গাখীৰ কিনিবলৈ আমাৰ দৰে 'খাঁটি' নেকি



বুলি সোধাৰ তো আৱশ্যক নায়েই, বোধকৰোঁ। তেনেদৰে সোধাটোও 'অভদ্ৰ' কথাহে। তদুপৰি, তাৰ খোৱা-বস্তু, ঔষধ-পত্ৰ সকলো নিৰ্ভেজাল।

অৱশ্যে আলোচ্য দেশখনৰ যিবিলাক কথা-কাণ্ড তাৰ ভাল লগা নাছিল, সেই বিষয়েও সি কবলৈ নাপাহৰিলে।

পিছ দিনা সন্ধিয়া যাদৱৰ ঘৰলৈ গলোঁ—সি মোৰ কাৰণে ৰখা 'লংপেণ্ট'টো আনিবলৈ।

যাদৱে কলে, : বুজিছ? তোক কালি কৈহে আহিছিলোঁ—পেণ্টটো দিম বুলি? যোৱা ৰাতি মোৰ তাত আলহী থকা মোমাইৰ 'হাত-লৰ' স্বভাৱৰ লৰাটোৱে 'ফাক্' মাৰি লৈ গ'ল। ঘৰুৱা কথা। ক'তনো মেল-মোকৰ্দ্দমা কৰোঁ! তাতে, মোৰ 'পেণ্ট' নিয়াৰ স্বত্ব হয়তো সি তাৰ থকা বুলিয়েই ভাবিছিল।

মই কলোঁ, : কোনো কথা নাই, যাদৱ! বস্তুটো তই হে মোক দিওঁ বুলিছিলি। মইতো বিচৰা নাছিলোঁ। গতিকে, নাপালেও মোৰ আপত্তি নাই।

যাদৱে কলে, : নহয়, মোৰ 'কথা' মই ৰাখিমেই। মোৰ চোলা-পেণ্ট এজোৰ তোৰ গাত হলেই হয়। বহ,চোন, কি পাওঁ, চাওঁ।

অলপ পিচতেই যাদৱ ভিতৰলৈ গৈ আকৌ ওলাই আহিল। হাতত লৈ আহিল, এটা হালধীয়া ৰঙৰ দীঘলীয়া বটল। বটলৰ ভিতৰত বহুটো কিবা দৰবৰ বড়ি।

: টুলু! তোক দিবলৈ আমেৰিকাৰ পৰা অনা বস্তু, এইটোৰ বাহিৰে মোৰ আন একোৱেই নাথাকিল, ভাই! সকলোবোৰ বিলা-ওঁতেই শেষ হ'ল। ল, এইটো আমেৰিকাৰ পৰা অনা খুব খাঁটি ভিটামিন-বড়িৰ বটল। ইয়াৰ একো একোটা বড়ি—বড়ি নহৈ যেন একো একো পালি মকৰধ্বজ। মাৰৰ গা দুৰ্ব্বল যেন লাগিলে খুৱাই দিবি, ভাল হব। সেৱন ব্যৱস্থাৰ কথা বটলতেই আখৰেৰে কটা আছে।

মই বড়িৰ বটলটোলৈ চাই তাক গ্ৰহণ কৰিমেই নে নকৰিম—

বুলি ভাবি বহি ৰলো। আমেৰিকাৰ ভিটামিন। মোৰ মনলৈ আহিল, এক দুৰ্ব্বলতা।...

লগে লগেই মানসিক ভাবে মোৰ দেশৰ সকলো বস্তুকেই মই ভেঁজাল বুলি ভাবিলোঁ। আৰু, বিদেশৰ—বিশেষকৈ ইউৰোপ-আমেৰিকাৰ—যি কোনো বস্তুৰেই মোৰ মানত মহৎ, শ্ৰেষ্ঠ আৰু নিৰ্ভেজাল হৈ মানস-পটত ভাঁহি উঠিল।

এইদৰে ভবাৰ কাৰণে জানো, মই দায়ী? বৰ্ত্তমানে, আমাৰ দেশত চলি থকা ভাল খাদ্য আৰু ঔষধ-পথ্যৰ দুষ্প্ৰাপ্যতা, দুৰ্মূল্যতা আৰু ভেঁজালৰ অত্যাচাৰেই জানো মোৰ দৰে ভাৰতীয় এটাৰ অকল শৰীৰেই নহয়, মনো ভেঁজাল আৰু বিষাক্ত কৰি তোলাৰ বাবে দায়ী নহয়?... আৰু মোৰ মনৰ এই সাম্প্ৰতিক নীচাত্মিকা বোধৰ বাবে জানো যাদৱৰ উক্তিয়েও কম ক্ৰিয়া কৰা নাছিল?

এই কথা আনে অনুভৱ কৰিব নোৱাৰিলেও, নগৰীয়া নিম্ন মধ্যবিত্ত অৱস্থাৰ মই আৰু বাবৰিৰ ঘৰে পাৰিছোঁ। আমাৰ ঘৰত চাকৰ-নাকৰ নাই। আমাৰ ঘৰৰ মই, আৰু বাবৰিহঁতৰ ঘৰৰ সৰু ভায়েকে কেতিয়াবা চাইকেলত মোনা আঁৰি লৈ এমোনা ধান মিহলি চাউল যোগাৰ কৰিবলৈকে দিন দুপৰতে কিমান দিন নগৰৰ ৰাজআলিত টলৌ-টলৌকৈ ঘূৰি ফুৰিছোঁ!... তাতকৈয়ো আইৰ এবাৰ বেমাৰ হওঁতে এবটল খাঁটি ঔষধ,—চৰাদামতো বজাৰত যোগাৰ কৰিব নোৱাৰি মই আৰু আয়ে জানো কম কষ্টখন খাবলগীয়া হৈছিলোঁ?

এইবিলাক জানো পাহৰিবলগীয়া কথা?

ভিটামিনৰ বড়িৰ বটলটোলৈ এইবাৰ মোৰ দুৰ্ব্বলতা জন্মিছিল। তাতে, আমেৰিকাৰ ভিটামিন।...

বড়িৰ বটলটো লৈ আনন্দ মনেৰে মই ঘৰলৈ উভটি আহিলোঁ।

আইৰ বেমাৰ আগতেই ভাল হ'ল—যদিও এই বটলৰ পৰা নিৰ্ভেজাল, আমেৰিকাৰ ভিটামিন-বড়ি খুৱালে আয়ে নিশ্চয় এতিয়া



গাত বল পাব। অৱশ্যে, সেই সময়ত আইৰ আগৰ একো বেমাৰ নাই।

আইক কলোঁ,ঃ আই! এইয়া চা। সুন্দৰ 'ভিটামিন' বড়ি। খুব 'খাঁটি'। যাদৱে আমেৰিকাৰ পৰা আনিছে।

ঃ মোৰ এতিয়া গাত 'বেমাৰ-আজাৰ' একো নাই অ'।... আমেৰিকাৰ হ'ল বুলিয়েই নো 'মাৰে' হোৱাই নোহোৱাই ভিটামিন-বড়ি সোপা 'গিলিম' নে?

আয়ে মই দিয়া বড়িৰ বটলটো হেঁচুকি থলে। নুচুলে।... নাচালে।... নাখালে।...

* * * *

এদিন এখন চিঠি পালোঁ—বাবৰিৰ।

আন কথাৰ লগতেই লিখিছে... 'বিয়াৰ আগে আগেই 'প্ৰাইভেট্'কৈ বি-এটোকেই দিওঁ বুলি ভাবিছোঁ। ঘৰত নো খাওঁ কি সোপা? গাত বল পাবলৈ কিবা এটা খাবলৈ বিচৰাত ডাক্তৰে অন্য ঔষধৰ লগতেই 'ভিটামিন্ বি কমপ্লেক্স'কেই 'প্ৰেচ্‌ক্ৰাইব' কৰিছে। তুমি ফাৰ্ম্মাছী'ৰ পৰা এবটল কিনি আনিবা। দাম মই দিম।... কাইলৈ...। অ'! তুমি আমাৰ কলেজতেই কামটো পোৱা বুলি শুনি আনন্দত মোৰ নাচি পেলাবৰেই মন গৈছে...জানা?...'

কিবা ভাবি আলমাৰিৰ পৰা ঔষধৰ বটলটো উলিয়ালোঁ। দেখিলোঁ বাবৰিয়ে থোৱা 'প্ৰেচ্‌ক্ৰিপশ্যনৰ' দৰবৰ লগত এই বটলটোৰ ঔষধৰ নামো আখৰে আখৰে মিলি গৈছে। তদুপৰি, ঔষধটোৰ ব্যৱহাৰৰ শেষ তাৰিখ—তাত লিখা মতে উকলি যোৱালৈ তেতিয়াও এবছৰ সময় আছে।...

ভাবিলোঁ আমেৰিকাৰ, খাঁটি এই ভিটামিনৰ বড়ি আয়ে নাখায় যেতিয়া বাবৰিক খাবলৈ দিলেই হব। ইয়াত এইবোৰ বস্তু পোৱা কিমান কঠিন!

সন্ধিয়া মই নিজে গৈ বড়িৰ বটলটো বাবৰিৰ হাতত দিলোঁ।

কলোঁ, কেনেকৈ সেইয়া খাঁটি ভিটামিনবড়ি যাদৰে আমেৰিকাৰ পৰা লৈ আহিছিল। আৰু আয়ে নাথায় যেতিয়া সি বাবৰিবেই ব্যৱহাৰত আহিব।

লগতে, সেই ভিটামিন বড়িৰ বটলটোৰ বিশুদ্ধতাৰ বিষয়ে এটি নাতি-দীৰ্ঘ বক্তৃতাও দিয়া হ'ল।…

বড়িবিলাক দিনে কেনেকৈ আৰু কেইটাকৈ খাব লাগে, বাবৰিক দিহা নিদি বটলৰ 'লেবেলত' লিখা থকা সেৱন-বিধি পঢ়ি চালেই হব বুলি কলোঁ। চাহ খালোঁ আৰু দৰবৰ বেচ হিচাবে তেওঁৰ পৰা এজুৰি মৰম লগা চকুৰ এটা বেঁকা চাৱনিকেই লৈ গুচি আহিলোঁ।…

ৰাতি এঘাৰমান বজাত মোলৈ বাবৰিৰ ঘৰৰ ল'ৰা এটাই লৈ আহিছে—এখন চিঠি। তেতিয়া মই শোৱা নাছিলোঁ আৰু পঢ়া-শুনা কৰি আছিলোঁ।

চিঠিখন খুলি চালোঁ। লিখিছে, বাবৰিয়ে!

পঢ়ি গলোঁ ……।

লিখিছে,‥ 'তুমি যোৱাৰ পিচত 'ভিটামিনবড়ি' খালোঁ। পিচে, এইমাত্ৰ লেবেলত চকু পৰিল। তাত চোন লিখা আছে, 'ফৰ ভেটেৰিনেৰী ইউজ্'। 'ভেটেৰিনেৰী' পঢ়ি অহা যাদৰে দৰব অনা বোলোতেই মোৰ গা 'চেৰাইছিল'।… এতিয়া দেখোন এইবিলাক কিবা গৰুৰ বড়িহে।… খাই মোৰ গা বেয়া লগা নাই, অৱশ্যে। অলপ অলপ কিন্তু ভয় লাগি আছে। কাইলৈ পুৱা মানে আমাৰ তালৈ এপাক আহিবাই।…'

আতঙ্কত আৰু দুৰ্ভাৱনাত মই চিঞৰি উঠিলোঁ।

মোৰ মনত খেলালে যেন 'ভিটামিন' নহয় 'বিষৰ' বৰি খাই এইমাত্ৰ মোৰ বাবৰিজনী অচেতন হৈ পৰিছে।

পুৱালৈ বাট নাচাই তৎমূহুৰ্ত্তেই যাত্ৰা কৰিলোঁ—বাবৰিৰ ঘৰ অভিমুখে। যাওঁতে বাটে বাটে যাদৰটোলৈ মোৰ খং উঠি গৈছিল। ই বাৰু ভুল কৰি গৰু-ছাগলীৰ দৰব মানুহৰ ব্যৱহাৰৰ কাৰণে দিয়ে নে? আমেৰিকাৰ পৰা পাচ কৰি আহিল, কি হ'ল? সৰু



কালিৰ অহোঁ-বলীয়া স্বভাৱ এতিয়াও দেখিছোঁ ইয়াৰ আঁতৰ হোৱা নাই।

এক 'ফালং'মান বাট যোৱাৰ পিচতেই দেখিলোঁ,— সিফালৰ পৰা ৰাতি দুপৰত 'টৰ্চ্চলাইট' এটা হাতত লৈ বাবৰিৰ ঘৰৰ সেই ল'ৰাটো আকৌ আহি আছে।…

দেখি মোৰ জীৱ বাজ হোৱাৰ দৰে হ'ল। বুকুখন অজান আতঙ্কত ধপ্‌ধপাই উঠিল। অন্তৰে হাঁহাকাৰ কৰি উঠিল। যাদৰৰ প্ৰতি আক্ৰোশত প্ৰতিশোধৰ ভাৱ জাগি উঠিল।… ই মোক ভিটামিন বড়িৰ বটলটো দি 'ভাল' বিপদত পেলালে!

ল'ৰাটো ওচৰ চাপি আহিল।

আকৌ এটুকুৰা কাকত মোৰ হাতত দিলে।

পঢ়িলোঁ।…

এইবাৰ বাবৰিয়ে লিখিছে, ঃ এই দুপৰ ৰাতিখন তোমাক আমনি দিয়াৰ বাবে ক্ষমা কৰিবা, দেই। কাৰণ, আগৰ বাতৰিটোত তুমি হয়তো চিন্তিত হৈ পৰিছাই।… বুজিছা, তেনেই সৰু আখৰেৰে বটলটোৰ একোণত কটা আছিল, 'ফৰ্ হিউমেন্ ইউজ্ অলচ'…। মানুহেও খাব পাৰে এই ভিটামিন বড়ি। 'একেই ভিটামিন'— গৰু আৰু মানুহৰ।… মাত্ৰাৰহে হীন-দেঢ়ি। মানে, মানুহে দুটা খালে, গৰুক খুৱাব লাগে ছটা।…

সেই 'ভিটামিন বি কম্‌প্লেক্সৰ' বড়ি থকা বটলটোৰ প্ৰতি থকা মোৰ পূৰ্ব্ব বিশ্বাস দৃঢ়ীভূত হৈ পৰিল। আমেৰিকাৰ ভিটামিন!

এটা স্বস্তিৰ উশাহ টানি পুনৰ মোৰ গৃহাভিমুখে মুখ ঘূৰালোঁ। মনৰ অজান আতঙ্কও লগে লগে নোহোৱা হ'ল।…

# যুঁজ

বৰা আৰু হাজৰীকাৰ ঘৰ দু-পুৰুষীয়া শতৰু। মিহিৰাম বৰা আৰু গগণ হাজৰীকাৰ ঘৰ, এখন কপিলীপৰীয়া গাঁৱত। আমি নৌ উপজা দিনৰে পৰাই হেনো ইঘৰৰ মানুহে সিঘৰত ভুলতো ভৰি নিদিয়ে। মাত-বোলৰ তো কথাই নাই। তেওঁলোকে, সিঘৰৰ যি কোনো এজনৰ নামত মাটিত সাত কিলহে মাৰিব। গাঁৱৰ জ্ঞানী-গুণী মানুহে দুয়োঘৰক মিলাবলৈ কৰা চেষ্টাৰ কোনো ফল নধৰিলে।

হাজৰীকা আৰু বৰাহঁত কালক্ৰমে লয় পালে। সাত-শতৰুৰ দৰেই চলি অহা এপুৰুষৰ অন্ত পৰিল। দ্বিতীয় পুৰুষৰ আৰম্ভণি হ'ল। নল মৰিল, আৰু গজালি উঠিল।

পূৰ্ব্বৰ অপ্ৰীতি কিন্তু আগৰ দৰেই চলি থাকিল। এপুৰুষৰ কাজিয়া আন পুৰুষে যেন উত্তৰাধিকাৰী সূত্ৰেহে বহল কৰিলে।

দ্বিতীয় পুৰুষৰেই শুনক,—এই কাহিনী।

৺মিহিৰাম বৰাৰ পুতেক—নবীন চন্দ্ৰ। কলেজত পঢ়ে। ৺গগণ হাজৰীকাৰ গাভৰু জীয়েক,—তৰুলতা। গাঁৱৰ হাইস্কুলৰ ছাত্ৰী।

নবীনহঁতৰ পৰিয়ালৰ ভিতৰত মৰি-হজি থাকিলগৈ, নবীনৰ মাক আৰু এহাল গাড়ী টানা ম'হ। নবীনৰ ঘৰৰ অৱস্থা এই পুৰুষত পৰি আহিল। আগৰ গাঁৱৰ ধনী ৺মিহিৰাম বৰাৰ পুতেক নবীনহঁত আগতকৈ দুখীয়াহে হ'ল। খেতিৰ ধানে এওঁলোকক বছৰেকটো কোনোমতেহে জোৰে। মাকে তাঁত-সূঁত বৈ কিছু উপাৰ্জ্জন কৰে। ম'হ হাল ভাত কাপোৰীয়া গুৱাল ল'ৰা এটাই ৰখে। ঘৰখনত সুখৰ প্ৰধান কাৰণ আছিল— নবীন। ল'ৰাটো হলে পঢ়া-শুনাত বৰ চোকা। পাঠশালাৰ পৰাই বৃত্তি ধৰি ধৰি এতিয়া কলেজ পাইছেগৈ।



ইঘৰ তৰুলতাৰ, আপোন বুলিবলৈ জীয়াই থাকিলগৈ—খুৰাক জনহে। খুৰাকৰ লগতেই তৰু থাকে। এওঁলোকৰ অৱস্থা ভাল। পঢ়া-শুনাত কোনো আৰ্থিক বাধা নাই। এওঁলোকৰ এখুটি ম'হ আৰু এগোহালী গৰু আছে। ঘৰখনত গাখীৰৰ উভৈনদী। গাখীৰৰ পৰাও ঘৰখনৰ ভাল আয় হয়।

দ্বিতীয় পুৰুষত তৰু আৰু নবীনহঁতৰ দিনত—গাঁওখনৰ আৰু মানুহ বিলাকৰ বহুত উন্নতি হৈছে। হয়তো শিক্ষাৰ পোহৰ পাই মানুহ বিলাকৰো মন বহল আৰু উদাৰ হ'বলৈ ধৰিছে। সামাজিক কুসংস্কাৰ বিলাকো লাহে লাহে নোহোৱা হ'বলৈ ধৰিছে।

তৰু আৰু নবীন নতুন পুৰুষৰ নৱযুগৰ প্ৰতীক্। প্ৰাচীন সংস্কাৰৰ বাধা-ভেঁটা ভাঙি সিহঁতে ইঘৰে সিঘৰৰ লগত মিলি জুলি-প্ৰীতিৰে থাকিবলৈ ইচ্ছা কৰে। কিন্তু পথত মহা অন্তৰায় স্বৰূপ হ'ল,— আগৰ পুৰুষৰ প্ৰতিনিধি, নবীনৰ বিধবা মাক আৰু তৰুলতাৰ খুৰাক। পূৰ্ব্ব পুৰুষৰ অপ্ৰীতিৰ বীজ এওঁলোকে পোষনেই নহয়, বপন কৰিবলৈকো বিচাৰিছে আৰু তাত কৃতকাৰ্য্যও হৈছে। সেই কাৰণেই নবীনৰ মাকে, পুতেকক তৰুলতাহঁতৰ ঘৰলৈ যাবলৈ দিয়াৰ প্ৰশ্নই নুঠে। বুঢ়ীয়ে আনকি, গোহালীৰ পোহনীয়া গোণা-ম'হটোকো কয়, সাৱধান! বাপেৰৰ ( মানে তৰুলতাৰ খুৰাক ) বাৰীলৈ যাব লাগিলে, একে ৰাম টাঙোনেই শেষ কৰিম, আৰু চকুত জলকীয়া দিম'। বুঢ়ীৰ কথা শুনি ম'হহালৰ ভিতৰতে সেই গোণা ম'হটোৱে মূৰ জোকাৰে। ভাব যেন ··· 'তথাস্তু!··· আপোনাৰ কথা ৰাখিম!' নকলেও হব যে নবীনৰ মাক আৰু তৰুলতাৰ খুৰাকৰ মাজত আপোচ মীমাংসা' কোনোমতেই হব নোৱাৰে। কিয়নো তেওঁলোক জীয়াই থকাৰ কালত যেন দুয়োঘৰৰ পুৰণি শতুৰালিও বৰ্ত্তি থাকিব লাগিব।

গাওঁখনৰ কাষেদি নদীখন বৈ গৈছে। সুদূৰত পাহাৰৰ ৰেখাই শাৰী পাতি আছে।

ৰাতি-বিয়লিৰ কাল। ···

# যুঁজ

বৰা আৰু হাজৰীকাৰ ঘৰ দু-পুৰুষীয়া শতৰু। মিহিৰাম বৰা আৰু গগণ হাজৰীকাৰ ঘৰ, এখন কপিলীপৰীয়া গাঁৱত। আমি নৌ উপজা দিনৰে পৰাই হেনো ইঘৰৰ মানুহে সিঘৰত ভুলতো ভৰি নিদিয়ে। মাত-বোলৰ তো কথাই নাই। তেওঁলোকে, সিঘৰৰ যি কোনো এজনৰ নামত মাটিত সাত কিলহে মাৰিব। গাঁৱৰ জ্ঞানী-গুণী মানুহে দুয়োঘৰক মিলাবলৈ কৰা চেষ্টাৰ কোনো ফল নধৰিলে।

হাজৰীকা আৰু বৰাহঁত কালক্ৰমে লয় পালে। সাত-শতৰুৰ দৰেই চলি অহা এপুৰুষৰ অন্ত পৰিল। দ্বিতীয় পুৰুষৰ আৰম্ভণি হ'ল। নল মৰিল, আৰু গজালি উঠিল।

পূৰ্ব্বৰ অপ্ৰীতি কিন্তু আগৰ দৰেই চলি থাকিল। এপুৰুষৰ কাজিয়া আন পুৰুষে যেন উত্তৰাধিকাৰী সূত্ৰেহে বহল কৰিলে।

দ্বিতীয় পুৰুষৰেই শুনক,—এই কাহিনী।

৺মিহিৰাম বৰাৰ পুতেক—নবীন চন্দ্ৰ। কলেজত পঢ়ে। ৺গগণ হাজৰীকাৰ গাভৰু জীয়েক,—তৰুলতা। গাঁৱৰ হাইস্কুলৰ ছাত্ৰী।

নবীনহঁতৰ পৰিয়ালৰ ভিতৰত মৰি-হজি থাকিলগৈ, নবীনৰ মাক আৰু এহাল গাড়ী টানা ম'হ। নবীনৰ ঘৰৰ অৱস্থা এই পুৰুষত পৰি আহিল। আগৰ গাঁৱৰ ধনী ৺মিহিৰাম বৰাৰ পুতেক নবীনহঁত আগতকৈ দুখীয়াহে হ'ল। খেতিৰ ধানে এওঁলোকক বছৰেকটো কোনোমতেহে জোৰে। মাকে তাঁত-সূঁত বৈ কিছু উপাৰ্জ্জন কৰে। ম'হ হাল ভাত কাপোৰীয়া গুৱাল ল'ৰা এটাই ৰখে। ঘৰখনত সুখৰ প্ৰধান কাৰণ আছিল— নবীন। ল'ৰাটো হলে পঢ়া-শুনাত বৰ চোকা। পাঠশালাৰ পৰাই বৃত্তি ধৰি ধৰি এতিয়া কলেজ পাইছেগৈ।



ইঘৰ তৰুলতাৰ, আপোন বুলিবলৈ জীয়াই থাকিলগৈ—খুৰাক জনহে। খুৰাকৰ লগতেই তৰু থাকে। এওঁলোকৰ অৱস্থা ভাল। পঢ়া-শুনাত কোনো আৰ্থিক বাধা নাই। এওঁলোকৰ এখুটি ম'হ আৰু এগোহালী গৰু আছে। ঘৰখনত গাখীৰৰ উভৈনদী। গাখীৰৰ পৰাও ঘৰখনৰ ভাল আয় হয়।

দ্বিতীয় পুৰুষত তৰু আৰু নবীনহঁতৰ দিনত—গাঁওখনৰ আৰু মানুহ বিলাকৰ বহুত উন্নতি হৈছে। হয়তো শিক্ষাৰ পোহৰ পাই মানুহ বিলাকৰো মন বহল আৰু উদাৰ হ'বলৈ ধৰিছে। সামাজিক কুসংস্কাৰ বিলাকো লাহে লাহে নোহোৱা হ'বলৈ ধৰিছে।

তৰু আৰু নবীন নতুন পুৰুষৰ নৱযুগৰ প্ৰতীক্। প্ৰাচীন সংস্কাৰৰ বাধা-ভেঁটা ভাঙি সিহঁতে ইঘৰে সিঘৰৰ লগত মিলি জুলি-প্ৰীতিৰে থাকিবলৈ ইচ্ছা কৰে। কিন্তু পথত মহা অন্তৰায় স্বৰূপ হ'ল,— আগৰ পুৰুষৰ প্ৰতিনিধি, নবীনৰ বিধবা মাক আৰু তৰুলতাৰ খুৰাক। পূৰ্ব্ব পুৰুষৰ অপ্ৰীতিৰ বীজ এওঁলোকে পোষনেই নহয়, বপন কৰিবলৈকো বিচাৰিছে আৰু তাত কৃতকাৰ্য্যও হৈছে। সেই কাৰণেই নবীনৰ মাকে, পুতেকক তৰুলতাহঁতৰ ঘৰলৈ যাবলৈ দিয়াৰ প্ৰশ্নই নুঠে। বুঢ়ীয়ে আনকি, গোহালীৰ পোহনীয়া গোণা-ম'হটোকো কয়, সাৱধান! বাপেৰৰ ( মানে তৰুলতাৰ খুৰাক ) বাৰীলৈ যাব লাগিলে, একে ৰাম টাঙোনেই শেষ কৰিম, আৰু চকুত জলকীয়া দিম'। বুঢ়ীৰ কথা শুনি ম'হহালৰ ভিতৰতে সেই গোণা ম'হটোৱে মূৰ জোকাৰে। ভাব যেন … 'তথাস্তু!… আপোনাৰ কথা ৰাখিম!' নকলেও হব যে নবীনৰ মাক আৰু তৰুলতাৰ খুৰাকৰ মাজত আপোচ মীমাংসা' কোনোমতেই হব নোৱাৰে। কিয়নো তেওঁলোক জীয়াই থকাৰ কালত যেন দুয়োঘৰৰ পুৰণি শতুৰালিও বৰ্ত্তি থাকিব লাগিব।

গাওঁখনৰ কাষেদি নদীখন বৈ গৈছে। সুদূৰত পাহাৰৰ ৰেখাই শাৰী পাতি আছে।

ৰাতি-বিয়লিৰ কাল। …

এঘৰত এজনী বুঢ়ীক কেৰাচিন তেলৰ চাকি এটা জ্বলাই দানা এচৰীয়া লৈ এটা গোহালীলৈ যোৱা দেখা গ'ল।

বুঢ়ীজনীয়েই নবীনৰ মাক।

গৰল ধৰা গোণা ম'হটোক চৰিয়াৰ দানাখিনি আৰু বাঁহৰ ঘেৰ-টোৰ পৰা উলিওৱা ঘাহঁখিনি খাবলৈ দি আলফুলকৈ তাৰ ডিঙিটো পিহি দি দি বুঢ়ীজনীয়ে কলে : বাছা ! তই জানই দেউতাক-জীয়াই থকা কালত কোনো দিনেই কোনো কথাতেই আমাৰ বৰাৰ ঘৰ, হাজৰীকাৰ ঘৰৰ 'তল' হোৱা নাই। এই মান ৰাখিব লাগিব মোৰ সোণা, ··· মোৰ ল'ৰাই কি মান ৰাখিব ? লিখা-পঢ়া শিকি 'পুৰুষৰ' দৰে জেদ্ ৰাখিব নজনা হ'ল। বাৰু, বাৰু মোৰ বাছা ! তই মোৰ মান ৰাখিব পাৰিবি সোণ ? : সেই অমাত গৰলীয়া ম'হ টোৱে বুঢ়ীৰ কথা শুনি ঘাঁহ পাগুলিব লাগিল আৰু পাগুলাৰ শব্দ মাজেদিয়েই যেন প্ৰকাশ কৰিলে, ·· 'পা···ৰিম'। অন্ততঃ বুঢ়ীয়ে মনেৰে তেনেদৰেই ভাবিলে।

* * *

বছৰেকৰ বিহুটো আহিছে। গাওঁখনত ঢেঁকীত চিৰা-সান্দহ খুন্দাৰ শব্দই গোটেইখন খলক লগাইছে। আনন্দত আৰু ফুৰ্ত্তিত ডেকা-ডেকেৰী আৰু চেমনীয়াহঁতৰ গা-মন উনৈচ-বিচ লাগিছে। খৰালিৰ নদীৰ সিপাৰৰ পোৱা উলু-বিৰিণাৰ শিপাৰ পৰা নকৈ গজালি ওলোৱা ঘাঁহ খাই গৰু-ম'হ বিলাকৰ গা ধৰি তেল ফাটি যাওঁ, তেল ফাটি যাওঁ' হৈছে।

গাওঁখনত, প্ৰতি বিহুটোতেই ম'হ যুঁজ হয়। সেইবাৰ গাঁৱত লেখত লব লগীয়া ম'হ, দুটাই' আছিল। এটা বৰাহঁতৰ ঘৰৰ, মানে নবীনৰ মাকে পোহা সেই গৰলীয়া ম'হটো আৰু আনটো তৰুহঁতৰ খুৰাকৰ ম'হ-খুটিৰ ভিতৰতেই এটা বাচক্-বনীয়া গোণা ম'হ। দেখাত বল-বীৰ্য্য আৰু পৰাক্ৰমত দুয়ো ঘৰৰ দুয়োটা ম'হেই কোনোটোৱেই কম নাছিল। ইটোৱে সিটোক খেদিলেই ফেঁপেৰি পাতি ধৰাৰ ভয়ত সিহঁতক অ লেঙে আলেঙে সদায় বেলেগ বেলেগ পথাৰৰ দলনিত



চৰোৱা হৈছিল। ম'হ যুঁজৰ স্ফূৰ্ত্তিখন বিহুটোতেই চাবলৈকে গোটেই গাঁৱৰ মানুহেই যেন উৎসাহেৰে বাট চাইছিল।

সকলোৱেই জানিছিল, এইবাৰ বৰা আৰু হাজৰীকাৰ ঘৰৰ যিটো ম'হ যুঁজত জিকিব সেই ম'হৰ গৰাকীয়েই দুয়োঘৰৰ ভিতৰত শ্ৰেষ্ঠ হব। প্ৰকৃততে, এই যুঁজ নবীনৰ মাক আৰু তৰুৰ খুৰাকৰ মাজতেই যে হব, সেই বিষয়ে কাৰো মনত সন্দেহ নাছিল।

বিহুটো ওচৰ চপাৰ লগে লগেই মানুহৰ মনৰ উৎকণ্ঠাও বাঢ়ি আহিছিল। বুঢ়ীৰ ম'হটোৰ আপ্‌ডাল আৰু তাৰ ওচৰলৈ লৰা-ধপৰাৰ কোব চলিছিল।

দুটা ম'হ আছিল যেন দুয়ো ঘৰৰ সিপুৰুষীয়া কাজিয়াৰ বাহক বা প্ৰতীক।

* * *

বুঢ়ীৰ এদিন ৰাতি ভাবি ভাবি চকু সেমেকি গৈছে। মনত পৰিছে, মৰিবৰ সময়ত গিৰীয়েক ৺মিহিৰাম বৰাৰ কথা এষাৰ — "হেঁৰ নবীনৰ মাক ? 'সিহঁতৰ' লগত কেতিয়াও মিতিৰালি নকৰিবি। লাগিলে তই আৰু মোৰ বংশই 'উছন' হৈ যাবি। মানুহে নোৱা-ৰিলে আমাৰ জীৱ জন্তুৰ দ্বাৰাই আমাক 'সিহঁতৰ' ওচৰত হাৰ নমনোৱাকৈ ৰাখিব পাৰিলেহে মই সিপুৰাতো শান্তি পাম।"

এই 'পুৰুষত', তৰুলতাহঁতৰ তুলনাত নবীনৰ মাকৰ অৱস্থা পৰি আহিল। গিৰীয়েক মৰাৰ পিচৰে পৰাই যেন লক্ষ্মীয়ে এৰা দিছে। ভাগ্যে যেনিবা সৰস্বতীৰ অনুগ্ৰহত ল'ৰাটো পঢ়াত চোকা হ'ল। ধনৰ বলত এতিয়া হাজৰীকাৰ ঘৰ, বৰাৰ ঘৰতকৈ বহুতৰ আগ। বুঢ়ীৰ ল'ৰা নবীনৰেই বা কি 'সজাত' আছে ? কলেজ পাচ কৰি ডাঙৰ অৰ্থাৎ মোটা দৰমহাৰ চাকৰি কৰি হাজৰীকাৰ ঘৰৰ তৰুলতাৰ খুৰাকক চেৰ পেলাব পৰাহলেহে বুঢ়ীয়ে ল'ৰাক 'বাপৰ-বেটা' বুলিলেহেঁতেন। পিছে ল'ৰাৰ 'লতি-লক্ষণ' বুঢ়ীয়ে বৰ ভাল দেখা নাই। সি দেখোন কিবা উদাস ভাবৰ। খং-ৰাগ তাৰ একো নাই। জেদ্ নাথাকিলে সি কিহৰ পুৰুষ ? হাজৰীকাৰ ঘৰক প্ৰতিযো-

গীতাক চেৰ পেলোৱাৰ কথা কলেই সি দেখোন সঙ্গীত শুনিও কাণ জোকাৰি ঘাঁহ খোৱা গৰুৰ নিচিনা, হয় নিমাত নিজান হৈ থাকে, নহয়, কয়—'পৃথিবীত তাতকৈও বহুত ডাঙৰ কাম আছে। তৰুইঁতৰ লগত কাজিয়া 'পুহি'ৰখাৰ পৰা লাভ কি ?' ... ইত্যাদি। তাতে, ল'ৰাটো কিতাপৰ পোক ! কিতাপ এখন পালে তাক ভাত মাছ একোকে নালাগে।

কথাবিলাক ভাবি ভাবি বুঢ়ীৰ হয়তো অলপ টোপনিয়েই ধৰিছিল। বুঢ়ীয়ে নিশ্চয় কৈ জানিছিল যে পুতেকৰ পৰা বৰ্ত্তমানে একো কাম নহয়, আৰু ভৱিষ্যতেও নহব।

পুৰণি বেমাৰ এটাৰ দৰেই সিঘৰৰ প্ৰতি থকা অসূয়া বুঢ়ীয়ে অন্তৰতেই পুহি থাকিব। মনত পৰিল গিৰীয়েকৰ কথা ... 'মানুহৰ দ্বাৰা নোৱাৰিলে, জন্তুৰ দ্বাৰা হলেও তইঁতৰ শ্ৰেষ্ঠতা বজাই ৰাখিবি'।

বুঢ়ীয়ে তেতিয়া দিনে-ৰাতিয়ে তাঁত-সূত ববলৈ ধৰিলে আৰু কাপোৰ-কানি বেচি অলপ ধনো গোটালে। আধি মাটিৰ পৰা পোৱা ধানৰ অলপ অচৰপ বেচি ধন গোটাই লগতে আৰু অলপ ধন যোগ দি পুতেকক নোসোধাকৈয়ে নিজৰ মতৰেই বুধবৰীয়া গৰু-হাটৰ পৰা এদিন এহাল গোণা ম'হ কিনাইলৈ আহিল, পচিশ কুৰি টকাত। এটা ম'হ গুৱালক দৰমহা দি ৰাখি ম'হ হাল প্ৰতি-পালন কৰিবলৈ লাগিল। কালক্ৰমে, ম'হ দুটাৰ এটা, তুলনাত নিশকতীয়া হলেও ইটোৰে গৱল ধৰি দুৰ্দ্দান্ত হৈ উঠিল। বুঢ়ীয়ে তথাপিও সন্তোষ লভিলে 'হওক', ইটো ম'হেই তেওঁৰ মান ৰাখিব পাৰিব। সেই ম'হটোৰ প্ৰতি বুঢ়ীৰ বিশেষ যতন হ'ল।

পুতেক বন্ধত কলেজৰ পৰা আহি মাকক ম'হ পোহা দেখি কথা বিষম দেখিলে। কলে,ঃ আই ! তইচোন তাতকৈ খীৰতী গাই দুজনীকেই পুহিব পাৰ ? গাখীৰখ্যোপা খালে গাত বলো পালিহেঁতেন ... ঃ।

বুঢ়ীয়ে শুনি হাঁহিলে। কলে,ঃ মই যি কৰোঁ, 'পাগলী মাৰক' কৰি থাকিব দে, বোপাই !... এইবোৰ কথা তোক দৰকাৰ নাই।...



এনেতে থিক বিহুৰ আগে আগেই বুঢ়ীলৈ, গাঁৱৰ এজন ডেকাই হাজৰীকাৰ ঘৰৰ পৰা এক 'বাৰ্ত্তা' তথা 'বিযোদ্‌গাৰ' বহন কৰি আনিলে। হাজৰীকাই মানে, তৰুলতাৰ খুৰাকে হেনো বাতৰি দি পঠাইছে যে তেখেতে বুঢ়ীৰ দৰে মাইকী মানুহক পুতো কৰে। তদুপৰি এইঠো নিশ্চিত যে যুঁজত তেওঁৰ গৰলীয়া ম'হটোক, বুঢ়ীৰ গৰলীয়া ম'হৰ দৰে দুটা ম'হেও বলে নোৱাৰিব। যুঁজ লগালে লাভৰ মূৰত বুঢ়ীয়ে ম'হটো হেৰুৱাবহে পাৰে। গতিকে, বুঢ়ীয়ে বিহু-তলীত ম'হক যুঁজত ননমোৱাই মঙ্গল ইত্যাদি।

অৱশ্যে কথাটো বৰ মিছা বুলিও কব নোৱাৰি। তৰুৰ খুৰাকে যদিও যুঁজৰ কাৰণে উপযোগী কৰি ম'হ নোপোহে, কিবা ভাগ্য-ক্ৰমে তেওঁৰ ম'হ খুটিৰ মাজৰেই এটা ম'হ অঞ্চলটোৰ ভিতৰতেই দুৰ্দ্দান্ত আৰু অপৰাজেয় হৈ উঠিছিল। যোৱা দুটা বিহুৰ ম'হ যুঁজত সেই ম'হটোৱে ভেবেলাৰ ম'হ এটাক যুঁজত একে খুন্দাতেই বগৰাই পেলাই ঘূৰ্ণীয়া কৰি থলে। তাৰ পিছৰ বিহুটোও নীলিহঁতৰ ম'হ-টোক যুঁজত ঘটুৱাই খেদি নি নি নদীৰ গৰাত বগৰাই শলঠেকত পেলাই শিঙেৰে খুচি খুচি পেটৰ নাড়ী ভুৰু উলিয়াই মাৰিলে।...

গতিকে তৰুৰ খুৰাকৰ গৌৰবৰ হেতুও নোহোৱা নাছিল।

ডেকা ল'ৰাটোৱে কঢ়িয়াই লৈ অহা তৰুৰ খুৰাকৰ ডাঙ্কোপ মৰা কথা শুনি বুঢ়ীয়ে কাল-নাগিনীৰ দৰে যেন ফণা তুলিহে উঠিল। খঙত-আক্ৰোশত আৰু বেজাৰত 'একো নাই' যেন হৈ কলে,ঃ যা ! তাক কবিগৈ সি যদি পুৰুষ হয়; তেনেহলে, কিয় মেখেলা পিন্ধা তিৰোতাৰ দৰে কথা কৈছে ? মোৰ-মাইকী মানুহজনীৰ ম'হটোৰ লগত যুঁজ লগাবলৈ তাৰ কিয় ইমান ভয় ? ঃ

নকলেও হব যে তাৰ পৰিণাম স্বৰূপে নদীখনৰ চাপৰিত অজাত-শত্ৰু বৰা আৰু হাজৰীকাৰ ঘৰৰ ম'হ দুটাৰ যুঁজখন অনিবাৰ্য্য হৈ পৰিল। লাহে লাহে বিহুলৈও ওচৰ চাপি আহিল।

সময়ত সেই যুঁজৰ দিনটোও ওচৰ চাপি আহিল। দুয়ো ঘৰৰে যেন সেই প্ৰাচীন-চিন্তাৰ পুনৰাভিনয়। তাতে, দুয়ো ঘৰৰে

ল'ৰা-ছোৱালীহাল গাঁৱত নাই । আজি কালি, তৰুলতা আৰু নবীন নগৰৰ কলেজত পঢ়ে । বিহুৰ পিছদিনাহে আহি পোৱাৰ কথা । তাতে সিহঁতৰ বোধহয়, এইবোৰ ম'হ যুঁজ-হাতী যুঁজলৈ মন নোহোৱা হ'ল । হবই । সিহঁত বোলোতে আজিৰ যুগৰ ল'ৰা-ছোৱালী । সেই দিনটো আহিল । নদীৰ চাপৰিত লোকে লোকাৰণ্য হৈ পৰিছে । সৰু-সুৰা ম'হ যুঁজৰ অন্তত শিঙত তেল-টেঙ্গা লগোৱা বুঢ়ীৰ ঘৰৰ আৰু তৰুৰ খুৰাকৰ ঘৰৰ ম'হ দুটাক অলপ আঁতৰেৰে পৰাই সমুখা সমুখি কৈ থিয় কৰাই লৈ গুৱালে লাহেকৈ নাকী-জৰীডাল খুলি দিলে । ইটো ম'হে সিটোক দেখিয়েই শিঙেৰে মাটি খুচৰিবলৈ লাগিল । আৰু, দুয়োটাই ইটোৱে সিটোক দেখি ৰঙা চকু, আৰু যেন বেচি কৈহে ৰঙা কৰি তুলিলে । দুই মহিষাসুৰৰ যেন চকু চাৰিটাই খণ্ডত অগ্নিহে বৰষিব ধৰিলে । খণ্ডত, ইটোৱে সিটোক চাই ঘেঁ··· ঘেঁ কৈ মাতি উঠিল । যেন প্ৰাচীন পৰিয়াল দুটাৰ প্ৰতীক্ স্বৰূপ খং ৰূপী দানৱ-টো এই মহিষ দুটাৰ মাজেদিয়েই আসুৰিক ৰূপে প্ৰকট হৈ উঠিছে । ··

মানুহবিলাকে আনন্দত কিৰিলি পাৰি চিঞৰি চিঞৰি ম'হ দুটাৰ খং উঠাবলৈ চেষ্টা কৰিলে । খন্তেকতেই যেন সৰু-সুৰা ভূমি কম্পৰ দৰে তাত এক প্ৰলয়ৰহে সূচনা হ'ল । দুই ম'হৰ প্ৰতাপত মেদিনী কঁপিবলৈ ধৰিলে । নদী পাৰৰ বন-বিৰিণা গছকত একা কাৰ হ'ল । এটা ম'হে বিশ্বাশৰদে আহি আনটোৰ লগত ইমান জোৰেৰে খুম্ তথা খুন্দা মাৰিলে যে ফলত জুইৰ ফিৰিঙটিৰ উদ্ভৱ হ'ল । দুয়োটা ম'হে শিঙ-বান্ধ ললে । কোনেও যেন কাকো এৰিবলৈ সাজু নহয় ।

বুঢ়ীয়ে গুৱালটোক চিঞৰি চিঞৰি কলে, ঃ কি চাই আছ ! টঙনিয়াই দে···মোৰ ম'হটোক টঙনিয়াই দে · ভালকৈ যুঁজ লাগক ! ··· লাগ বাছা ! লাগ ··· যুঁজ লাগ ··সিটোক নাড়ী ভুৰু-উলিয়াই দে ··· ! ঃ

বিপৰীত ফালৰ আন এজন পুৰুষৰ কণ্ঠস্বৰ । তেৱেঁই আনটো



ম'হৰ গৰাকী । তেওঁ তেওঁৰ ম'হটোক সম্বোধন কৰি কলে, ঃ বাছা ! নালাগিবি । মিতিৰালি কৰ । দুয়োঘৰ আৰু শতৰু নহওক ।··· ।

কথাৰ লগে লগেই আকৌ দুয়ো ম'হৰ শিঙৰ খুন্দিয়া-খুন্দিৰ শব্দ শুনা গ'ল ··· থন্ ··· ঠন্ !

গছৰ আগত পৰি থকা কিছুমান অলপ ধতুৰা চৰাই ভয়-খাই উৰি গুচি গ'ল ।

ম'হ হালে আকৌ ইটোৱে সিটোলৈ চালে আৰু শিঙেৰে মাটি খুচৰিলে । ৰাইজে ঢোল-খোল বজাই শব্দ কৰি ম'হ হালৰ খং তুলোৱাত যেন ইন্ধনহে যোগালে । সকলোৰেই ধাৰণা, খন্তেকতেই এটা ম'হ যুঁজত হাৰিব, আৰু তেতিয়া, 'খেদাখেদিৰ' পৰ্ব্ব আৰম্ভ হব । অৰ্থাৎ, এটা ম'হে আনটোক খেদি নি নি হয়তো শিঙেৰে খুচি খুচি হত্যা কৰিব । সেই 'দুৰ্ভগীয়াটো' বুঢ়ীৰ ম'হটোৱেই হবনে সেই হাজৰীকাৰ ঘৰৰ ম'হটোৱেই হব এই লৈ, 'ৰণ-থলী'তেই কিছুমান গুৱাল-গৰখীয়াৰ মাজত—গোপন বাজিৰ গুণ-গুণনি উঠিছিল ।

ম'হ দুটাৰ শিঙে শিঙে আকৌ এটা খুন্দা—'খু-ম্' ।

তাৰ পিছত ইটোৱে সিটোক 'সুঙা-সুঙি' আৰু পলকতেই 'ছিচেম্ বন্ধ' । মানে, সকলোকে আচৰিত কৰি ম'হ দুটা যুঁজৰ পৰা নিবৃত্ত হ'ল ।

গুৱালবিলাকে বহুত চেষ্টা কৰিও সিহঁত দুটাৰ মাজৰ আধৰুৱা ৰণ পুনৰ আৰম্ভ কৰাব নোৱাৰিলে । ম'হ দুটাই অলপ আঁতৰে আঁতৰে ইটোৱে সিটোলৈ পিঠিয়া পিঠিকৈহে থিয় হৈ ৰ'ল ।

সিহঁতে পুৰুষ জনৰ কথাই ৰাখিলে শেষত । এতিয়া সিহঁত মিতিৰ হ'ল ।

বেচেৰী দুৰ্দ্দান্ত গৰলীয়া ম'হটোৰ গৰাকিনী সেই বৃদ্ধা নাৰীৰ চকুৰ কোণত বিৰিঙি উঠা দেখা গ'ল,— চকুলো । তেওঁ অনুভৱ কৰিলে, যুঁজত নাহাৰিও আজি যেন তেওঁ হাৰিল । ···

আঁতৰৰে পৰা বুঢ়ীৰ ম'হটোৱে বুঢ়ীলৈ এবাৰ মূৰ তুলি চালে । ফোঁপাই ফোঁপাই সি যেন কবহে বিচাৰিছিল—তাৰ ভাষাৰে—'বুঢ়ী

আই! মিছাতে জেদক চিৰকলীয়া কৰি লাভ কি?' ...

সিটো ম'হো লাহে লাহে ৰণ-থলীৰ পৰা আঁতৰি গৈছে। এটা গুৱালে নাকী লগাই লৈ গৈছে। আৰু কাষেদি গৰাকী হাজৰীকাকো মিচিকি মিচিকি হাঁহিৰে খোজ কাঢ়ি যোৱা দেখা গৈছে।

ম'হ যুঁজৰ স্ফূৰ্ত্তি চাবলৈ অহা ৰাইজো তেতিয়া ঘৰা-ঘৰি আঁতৰি গৈছে।

*　　　*　　　*

ৰাতি নিজৰ ঘৰত বুঢ়ীৰ টোপনি অহা নাই। খঙতে, সন্ধিয়া ম'হটোকো আগৰ দৰে দানা-পানী দিয়া নাই। মনৰ ভাব, ইও 'পুৰুষ' নহয়। মোৰ ল'ৰাটোৰ দৰেই ইও 'নিস্তেজ' হে। ...

শেহ নিশা, বুঢ়ীৰ ঘৰৰ দুৱাৰত পৰিল, এটা মৃদুটোকৰ। পুতেকৰ মাত। পুঁৱতীনিশাৰ ৰেলত পুতেক নগৰৰ পৰা বিহু খাবলৈ আহি গাঁৱৰ ঘৰ পাইছে।...

ইকি! ... বুঢ়ীয়ে পুতেকৰ লগতেই দেখিলে, এক নাৰী মূৰ্ত্তি। দেখি চকু মুজি দিলে। শতৰুৰ ঘৰৰ ছোৱালী, সেইজনী দেখোন 'তৰুলতা'!

পুতেকে কলে, ঃ আই! চাচোন, গাঁৱৰ ভিতৰতেই আমাৰ 'জাকত জিলিকা' ঘৰ দুখনে দুপুৰুষীয়া শতুৰালি পুহি ৰাখি অঞ্চল-টোৰেই কিমান অনিষ্ট সাধিলে? দুখন ঘৰৰ মই আৰু তৰুৱেই মিলনৰ সেতু হব খোজোঁ, আই; আমাৰ দুয়োৰো মনৰ মিল হৈছে। তৰুৰ খুৰাকৰ আশীৰ্ব্বাদ আৰু মত পাইছোঁ। আমাক তুমি আশীৰ্ব্বাদ আৰু আদেশ দিয়া, আই!ঃ

মাকে পুতেকৰ কথাৰ ভাষা নুবুজিলেও ভাব বুজিলে।

ঃ ই হবই নোৱাৰে, ই অসম্ভৱ ...ঃ প্ৰবল আক্ৰোশত বুঢ়ীয়ে চিঞৰি দিলে। লগতেই বুঢ়ীৰ ম'হটোক আৰু ল'ৰাটোক, বৰকৈ মৰিয়াবৰ মন গ'ল। ম'হ আৰু ল'ৰা দুয়োটাই কাপুৰুষ।'

গাভৰু নাৰী মূৰ্ত্তিটো বুঢ়ীৰ ফালে আগ বাঢ়িল।

বুঢ়ীৰ ভৰি দুখনত পৰি তাই "মা" "মা" কৰি উচুপি উঠিল।



বুঢ়ীৰ অন্তৰত প্ৰতিধ্বনি হ'ল—"মা" "মা" শব্দ।

হঠাৎ, সঁচাকৈয়ে সেই গাভৰুজনীক বুঢ়ীৰ নিজৰ "বোৱাৰী" "বোৱাৰী" লাগি গ'ল ...। "তৰুলতা" নামৰ, বুঢ়ীৰ মানত সেই "অজাত শত্ৰু" ঘৰৰ ছোৱালীজনী যেন তেওঁৰ মনৰ পৰা নোহোৱা হ'ল।

একে লগেই পুতেক আৰু তৰুলতাক সাৱটি ধৰি বুকুত সুমুৱাই লোৱাৰ লগে লগেই বুঢ়ীৰ চকুৰ পৰা আনন্দৰ নিজৰাহে যেন ব'বলৈ ধৰিলে।

দূৰৰ গোহালীত বন্ধা থকা সেই অমাত গৰলীয়া ম'হটোৰেও মানৱীয় অনুভূতি থকা হ'লে নিশ্চয় সেই আনন্দৰ উৎসৱত যোগ দিলেহেতেন।

খন্তেকতেই পূবৰ আকাশ ৰঙা পৰি ৰঙা বেলিটো জিলিকি উঠিল।

বুঢ়ী, নবীন আৰু তৰুলতাই ঘৰৰ খিৰিকীৰ মাজেদি, চিৰিলি চিৰিলি নাৰিকল-পাতৰ ফাঁকেদি সেই ৰঙা বেলিটোলৈ এবাৰ চালে। দিগন্তত, গাঁৱৰ আকাশৰ পূবত সেইয়া উঠিবলৈ ধাবছিল যেন 'নৱযুগ'ৰ নতুন পোহৰ।

# গোমধান আৰু ফুল

……'ৰঘুকুল ৰীতি সদা চলি আঈ……, এটা 'হিন্দুস্থানী' মানুহে সেইয়া ৰাতিৰ চাকিৰ পোহৰত পঁজা-ঘৰ এটাত বহি তুলসী দাসৰ ৰামায়ণ পঢ়ি আছিল। মানুহটো ওখ-পাখ, গা মাগুৰ বৰণীয়া, হাত-ভৰিৰ আঁহ-পাহবিলাক দীঘল দীঘল। সি তেতিয়া পিন্ধি আছিল এখন আঠুমূৰীয়া চুৰিয়া আৰু এটা ঘাম ঘাম গোন্ধোৱা গেঞ্জী।

সময়, উজনি অসমৰ আহাৰ মাহৰ এটি সন্ধিয়া।

খন্তেক ৰামায়ণৰ পদ গাবলৈ এৰি, সি নাৰিকলৰ ৰচীৰে তৈয়াৰী পুৰণি খাটিয়া এখনৰ ওপৰত ৰাজ-আয়মেৰে বহি ধপাত হুপি আছিল। 'ৰাতিৰ মহাৰাজে' সম্প্ৰতি পাহৰিয়েই গৈছিল যে পিছদিনা পুৱাই আগৰ দৰেই শৰ্ম্মা চাহাবৰ ফুলনিত সোমাই খন্তিখন হাতত লৈ ফুল খুচৰিব লাগিব। ধপাত হুপি থাকোঁতে মাজে মাজে সি চিলিমৰ নুমাব খোজা অঙঠাখিনি, সৰু লোৰ শলা এডালেৰে খুচৰি ফুৰাই দিছিল। তেনে কৰোঁতে তাৰ ক'লা মুখমণ্ডল মাজে মাজে জ্বলন্ত অঙঠাৰ পোহৰত ৰঙচুৱা হৈ জিলিকিছিল।

আকৌ সি খাটিয়াখনত বাগৰ দিলে আৰু শুই শুই সুৰ লগাই ৰামায়ণ পঢ়াত লাগি গ'ল। পঢ়োঁতে পঢ়োঁতে ইফালে সন্ধিয়া লাগি ভাগিল। তাৰ ভাগৰো লাগিছিল। পিন্ধি থকা বিত্ চকুজোৰ সি লাহেকৈ সোলোকালে, আৰু মামৰে ধৰা, কিন্তু 'মজবুত' পুৰণি জাৰ্ম্মান টিনৰ তৈয়াৰী খোলটোত আকৌ ভৰাই থলে।

ইতিমধ্যে তাৰ চকুৰ পাহি দুটা জাপ্ খাই—আহিছিলেই। ভালকৈ টোপনি হলে অহা নাছিল। অলপ আগতেই পঢ়ি অতোৱা ৰামায়ণৰ দশৰথৰ অন্তৰত ৰাম-বনবাসৰ শোকৰ খলকনিয়ে, তাৰ অন্তৰতো শোক জগাই তুলিলে। পুথিৰ পাতৰ পৰা নামি আহি



এই শোকৰ প্লাৱনে ধৰ্ম্ম-ভীৰু কিন্তু দুখীয়া বন্ধুৱা ৰঘুমালীৰ অন্তৰো তেনেই বুৰাই পেলালে। সি ভাবিলে, 'হে ৰাম! তুমি ঈশ্বৰ হৈও, পিতৃ-সত্য পালনৰ বাবেই তোমাৰ পিতৃৰ মনত দুখ দিব লগা হ'লা?…… ভাবোঁতে ভাবোঁতে চকুৰেদি সৰ সৰ্ কৰে, চকুপানী বিলাক বাগৰি পৰিল। জপ্ কৰাৰ দৰেই সি গালে, 'ৰামা'…'ৰামা'…'ৰা…মা'। অন্তৰৰ হাঁহাকাৰ অলপ পিছতহে যেন মাৰ গ'ল।…

সি কব নোৱাৰাকৈয়ে, তাক নিদ্ৰা-দেৱীয়ে অজানিতেই আহি কোলাত তুলি ললে।

* * * *

খাটিয়াখনত শুই পৰাৰ পিছতেই শুনা গ'ল,—তাৰ নাকৰ ঘোৰ ঘোৰনি। ওচৰত ঢিমিক্ঢামাক্কৈ জ্বলি থকা—এটা কেৰাচিন তেলৰ চাকি।… বাহিৰত এন্ধাৰৰ দ'ম আৰু জিলিবিলাকৰ ঐক্যতান বাদন।

সেই পঁজা-ঘৰটোৰ ভিতৰৰ ঠেক আকাশ-মাটিত নিশাৰ নীৰবতা…।

এনেতে এটি নাৰী-মূৰ্ত্তি লাহে লাহে খাটিয়াখনৰ ওচৰ চাপিল। তায়েই ৰঘুমালীৰ তিৰোতা,—আশা।

গিৰীয়েকক তাই হেঁচুকি জগাবলৈ বুলি চিঞৰিলে, ঃ হে'ৰা উঠা! চাহাবে তোমাক যে আজি ৰাতি দহ বজাৰ আগতে লগ ধৰিবলৈ কৈছিল বুলি কৈছিলা?—পাহৰিলা, হবলা? … যোৱা, বেগেতে গৈ আহা। মই ভাত বনাবলৈ যাওঁ।…

পৰীক্ষাৰ এদিন আগতে কিতাপ হাতত লৈ 'পঢ়িম' বুলি সংকল্প কৰা সৰু ল'ৰাটোৰ সন্ধিয়া 'সেইফালেই' টোপনি আহিলে মাকে হেঁচুকি জগাই দিলে যেনেকৈ উচাপ্ খাই উঠে, ঘৈণীয়েকৰ হেঁচুকত ৰঘুমালীৰ অৱস্থাও তেনে হ'ল। তাক জগোৱাৰ সময়ত আশাই বকা কথাবিলাকৰ এটাই মাথোন তাৰ কাণত সোমাল,—সি শৰ্ম্মা চাহাবৰ বঙলালৈ যাব লাগে, এতিয়াই, ৰাতি দহ নৌ বাজি যাওঁতেই।

এঙামুৰি এটা দি, খাটিয়াখনৰ ওপৰতেই বহি সি কঁকাল

পোনালে। টোপনি ভাঙিবলৈ বুলি ঘটিৰ পৰা পানী এচলু হাতত লৈ চকুত জোৰেৰে মাৰি দি আশাক সুধিলে, : পাহৰিছিলোঁনে? বুজিছ? ভাগ্যে মনত পেলাই দিলি, আৰু মোক জগালি। যাচোন এই বিড়ীটো বেগেতে জুহালৰ অঙঠাত জ্বলাই আনি দে।

*   *   *

বঘুমালীৰ বঙলা পাওঁতে, ৰাতি তেতিয়া দহ বাজিবৰেই হৈছিল।

শৰ্ম্মা চাহাবে তাক তেখেতৰ 'ড্ৰয়িংৰুম'তে লগ পাই লেনিয়াই কোৱাদি কলে, : অ'...ৰঘু আহিলি? বহ্... তোক...তো...ৰ কিয় মাতিছিলোঁ? অ'... ঠিক...ঠি...ক মনত পৰিছে, ...হে...ৰি...

মালিকৰ বাক্য শেষ নৌহওঁতেই ৰঘুৱে আঁৰি-কুজা হৈ চালাম ঠুকি মাথোন কলে, 'হু...জু · ৰ'।

এইবাৰহে যেন শৰ্ম্মা চাহাবে প্ৰকৃতিস্থ হৈ কলে, : হেৰি অ'! তোক দিনত লগ পাবলৈ মোৰ সময়েই নাই। সেইকাৰণে এতিয়া ৰাতি মাতিছিলোঁ। শুনচোন, তোৰ ঘৰৰ আগত সেই সোপা তই কি 'গোমধান' ৰুইছ? আমাৰ 'কম্পাউণ্ডত' থকা তোৰ বাৰীৰ মাটিতো থাকিব লাগে, ফুলহে? তেহে দেখাত ভাল হয়। বাৰু কাইলৈ পুৱা গোমধানৰ পুলি-সোপা উঘালি, তাৰ ঠাইত 'জিনিয়া ফুল' লগাই দে, বুজিছ?

মালীটোৱে মাথোন ভয়ে ভয়ে কলে, : জী, আচ্ছা হুজুৰ।

তাকে কৈ আকৌ সি চালাম ঠুকি ঘৰ-মুৱা হ'ল।

চাহাবক তাৰ কিবা কবৰ মন গৈছিল।... নোৱাৰিলে। সি ভাবিলে, চাহাবৰ মুখে মুখে কথা নকৈ সি জ্ঞানীৰ কামেই কৰিলে। যিহে তাৰ চাহাব!... তেখেতৰ খং উঠিলে, তাৰ চাকৰিয়েই খেদাব।

*   *   *

ৰঘুমালীয়ে তাহানিয়েই নিজ 'দেচ্' বিহাৰৰ পৰা জমিদাৰৰ অত্যাচাৰত 'সৰ্ব্বস্বান্ত' হৈ ন-কইনা আশাৰ লগত অসমলৈ বুলি ৰেলৰ টিকট কাটিছিল। সি আহি শৰ্ম্মা চাহাবৰ ঘৰতেই মালী কামত



সোমাল। শৰ্ম্মাই তেখেতৰ বঙলাৰ কাষৰ পৰা—অলপ আঁতৰতেই থাকিবলৈ বুলি পঁজা এটা সজাই দিলে। দু-যুগ ধৰি সিহঁত হাল তেতিয়াৰ পৰাই তাতে আছে।

তাৰ ঘৈণীয়েক আশাৰ তলৰটো ওঁঠ অলপ কটা, চকু এটা ফুল পৰা। নাকটো ভোটা। বাওঁ পাহিত—এটা মণ্ড মাহৰ আকৃতিৰ মাহ আছে। মাজে সময়েহে চাবোন-খাৰৰ মুখ দেখা—মলিয়ন শাড়ী এখনে আশাৰ গাটোক বিহাৰী ধৰণেৰে মেৰিয়ায়। ধাৰ্ম্মিক ৰঘুৰ মানত তাৰ আশা যেন সীতাদেৱী—ৰূপৰ নহলেও গুণত। হালৰে বৰ মিল। দাঁতে-ওঁঠে নালাগেই কেতিয়াবা অলপ সাংসাৰিক মান অভিমান হলেও—পলকতেই হয় আপোচ্, মীমাংসা,...হাঁহি...গোপন চুমা...আৰু সন্ধি।...

সিহঁতে ভালেদিনলৈকে সতি-সন্ততিৰ মুখ দেখা নাছিল। শেহত যেনিবা ছোৱালী এজনী উপজি মান ৰাখিলে। তাই এতিয়া সাত-বছৰীয়া জনী হৈছে। মাকৰ মুখৰ গঢ়েই—জীয়েকৰো মুখৰ চানেকি। তাইৰ নাম ৰাখিছিল—উমা।

মালী দিনটোলৈ বুলি কামলৈ ওলাই যায়।

মাক-জীয়েক পঁজা-ৰখীয়া হৈ থাকে।

আশাৰ মাজে মাজে হাতৰ পৰা আধা কৰা বন যেন সৰি পৰে চিন্তাত। উমা এদিন গাভৰু হব।... তাইৰ বিয়া হব... গিৰীয়েকৰ ঘৰলৈ যাবগৈ।... পৰি ৰব পঁজাত...বুঢ়া-বুঢ়ী সিহঁত হাল। পো-বোৱাৰীৰ শুশ্ৰূষাৰ সুখ সিহঁতৰ জীৱনত আৰু নহব।...

এইবোৰ কথা ভাবি ভাবি আশাৰ চকু দুটা মাথোন সেমেকি যায়।

সৰু ছোৱালী উমাই—একো আও-ভাও নুবুজি ভেলেঙী পহুৰ দৰে মাকলৈ বহুতপৰ থৰ লাগি—চাই থাকে, আৰু কয়, : মা! ৰুলো মৎ... অৰ্থাৎ...আই!...নাকান্দিবা।...

*   *   *   *

ৰঘুৱে সেই ৰাতি শৰ্ম্মা চাহাবৰ ঘৰৰ পৰা আহি ভাত চুলেহে

…নাথালে।…বিছনাখনত শুই শুই সি এটা বিড়ী হুপিলে। সিফালে আশাই কাঁহী-বাতি ধোৱাৰ শব্দ। ৰঘুৱে ভাবিলে, আশাক ‘চাহাবে তাক কিয় মাতিছিল বুলি সুধিলে—সি পৰা পক্ষত সেই প্ৰশ্ন কথাৰ চলেৰেই এৰাই যাব।…কিয়নো, আচল কথা জানিলে আশাই মনত এতিয়া কিমান দুখ পাব—সি আগতেই বুজ পায়।

‘এৰা’…। সি ভাবিলে। আজি ইমান বছৰ শৰ্ম্মা চাহাবৰ বঙলাৰ আগফাল-পাচফাল, সি প্ৰতি বছৰেই কিমান দেশী-বিদেশী ফুলৰে জাতিস্কাৰ কৰি ৰাখিলে!… অপৰাজিতা, খৰিকাজঁাই, তগৰ, মালতী গোলাপ; শেৱালী, হ’লিকক্, ডালিয়া, ক্ৰিছেন্থিমাম্, চুইট্-চুলতান্ ফৰগেট্ মি নট,……জিনিয়া……প’পি…… আৰু যে কিমান কি!

সি ভাবিছিল—বছৰি বছৰি ফুলবিলাক ফুলিছে আৰু মৰহিছে। বছৰবিলাক আহিছে, আৰু গৈছে।

কিন্তু, তেতিয়াৰ সেই দিন আৰু আজিৰ এই দিন!

সেই দিনত শৰ্ম্মা চাহাবে দেখোন তাক দৰমহা হিচাবে মাহে দহ টকা ৰূপহে দিছিল। তাৰে ভালকৈ আঁটিছিল। আনকি, তাৰেই ৰাহি হোৱা দুই এটকা ‘মনিঅৰ্ডাৰ’ কৰি ‘দেচত’ থকা তাৰ গাৱঁ সম্বন্ধীয়া ‘চেচেৰা-ভাই’লৈ পঠিয়াবহে পাৰিছিল দেখোন!

সেই দিনত, সিহঁতৰ সুখৰ ছন্দই ছন্দই—শৰ্ম্মা চাহাবৰ ফুলনিৰ ফুলবিলাকেও যেন বছৰি বছৰি নাচিছিল।… পৰ্ব্বতৰ পৰা ‘মইনা চৰাই’ নামিছিল!… আকাশেদি ভাটৌ চৰাইৰ জাক উৰি গৈছিল। ভোমোৰাই গুণ্‌গুণাইছিল। হেঁটুলুকা কেইজনীয়ে ফুলনিত সোমাই গান গাইছিল। দহ টকাৰেই সিহঁতৰ ‘দুজনীয়া সংসাৰ’ ভালদৰেই চলিছিল। প্ৰতি দিনে পুৱাই খন্তি, কোৰ-কটাৰী, জাবৰৰ পাচি, বাঢ়নী আদি হাতত লৈ সি শৰ্ম্মা চাহাবৰ ফুলৰ বাগিচাত সোমাই ছিল আৰু কাম কৰোঁতে মাজে মাজে তাৰ ভাষাত উৰিষ্যাৰ পুৰীৰ জগন্নাথ মন্দিৰৰ কথা ভাবি ভাবি সুৰ লগাই গাইছিল,…‘চৰ…জগৰ্‌নথীয়া ৰে জৰি ভাই, ৰামচন্দৰ বিৰাজে উড়িয়া দেশ্ মে…’।



আজিও সি ফুলনিত ফুল ফুলা দেখিছে।… প্ৰকৃতি জগতত ঘূৰি ঘূৰি চৰাই আৰু বসন্ত আহিছে।…

তথাপিও…। আজিৰ দিনত, অভাৱৰ তাড়নাত তাৰ মনৰ বসন্তৰ যেন মৃত্যু ঘটিছে। দিন-কালবিলাক তাৰ কিবা কিবা লগা হৈছে। আজি কালি তাৰ দৰ্মহাৰ চাৰিকুৰি টকাৰেও সিহঁতৰ তিনিটা প্ৰাণীক দেখোন মাহেকটো খাবলৈকে নোজোৰে।… ইফালে, বজাৰত বস্তুৰ দাম দিনে দিনে বাঢ়িহে গৈছে। ৰঘুমালীৰ মনৰ ‘ফৰ্দ্দত’ ফুলৰ নামৰ ঠাইত আজি কালি দৈনন্দিন ব্যৱহাৰ্য্য সামগ্ৰী,—মানে দোকানৰ চাউল, মিঠাতেল, নিমখ, আলু, আটা এইবোৰেহে যেন ঠাই পাইছে।

দেশত বস্তুৰ ‘হৰ্‌লোক’ কিয় আৰু কেনেকৈ হব পাৰে, সি ক্ষুদ্ৰ কিন্তু সাধু স্বভাৱৰ বনুৱা এটাই ভাবি ভাবিও পাৰ নাপায়।

তাৰ ভাবিবলৈ টান লাগে, তাৰ সাত বছৰীয়া ছোৱালী উমাই নগৰৰ দোকানৰ মুখত ‘কিউ’ পাতিও কেতিয়াবা মিঠাতেল নাপায়, কিয়? আৰু, পালেও, সেইবিলাক মাজে সময়ে ‘এড়ীতেল’ নাইবা ‘মবিল’ ‘মবিল’ গোন্ধোৱা যেন পায়, কিয়? ভাল বস্তুবিলাক ক’লৈ গ’ল??

* * * *

বহুত ৰাতিলৈকে মালী-মালিনী হালৰ টোপনি অহা নাই। উমা শুলে যদিও গৰমত ছাটি-ফুটি কৰি আছে।

ঃ চাহাবে তোমাক কিয় মাতিছিল? আশাই তাক সুধিলে।

ঃ কাইলৈ ৰাতিপুৱা দেখিবি, এতিয়া শুই থাক। ‘ফেচ্‌ফেচাই’ নাথাকিবি। ৰাতি বহুত হ’ল।…

মালীৰ আজি ঘৈণীয়েকক কথা কোৱাৰ সুৰ যেন উগ্ৰ।…

ঃ ঔ আই! মানুহটোক যে আজি কালি কথা কবই নোৱাৰা হ’ল। তোমাৰ কথা মই কোন দিনা শুনা নাই? উমাক তোমাৰ কথা মতেই তো ‘দেচলৈ’ গৈ ‘আগ-বিয়া’ নিদিয়াটো ঠিক কৰিলোঁ।

তুমি সেইটো 'বেয়া নিয়ম' বুলি কওঁতে মই তো মানি ললোঁ!… জেদ্ নধৰিলোঁ।…

ঃ মই জানো তোক—তই বেয়া বুলি কৈছোঁ? উমাই বুজিব পৰা হৈছে নহয়, অলপ অলপ? কেনেবাকৈ সাৰে আছে যদি শুনিলে তাইৰ আৰু আমাৰ জানো 'চৰম্' নালাগিব।

অলপ 'মৰম-সনা ডুষ্টালি' কৰি—আশাই গিৰীয়েকক কলে, ঃশুনিলে, শুনক। কি হ'ব?

তাৰ পিছত মনে মনে, ইতিমধ্যে শুই পৰা জীয়েকৰ ভৰিত লাহেকৈ চিকুটি চাই মাত লগালে, …… 'উমা, সঁচাকৈয়ে শুলে, দেই…।'

অলপ পিছত আশাৰো টোপনি আহিল।

ৰঘুৱে শুই থকা ঠাইৰ পৰাই দীঘলীয়াকৈ ফু এটা মাৰি চাকিটো নুমুৱাই দিলে। "বৰমোহাই" ধৰা,— তাপলি মৰা আঠুৱা-খনৰ বাহিৰত ম'হবিলাকে কুণ্ কুণ্ কৰিছিল, আৰু দুপৰ নিশাৰ বহুত পাচলৈকে টোপনি নহা, ৰঘুমালীৰ মনলৈ আহিছিল,—বাৰকুৰি চিন্তাৰ ঢৌ,—ঢৌৰ পিছত ঢৌ।

তাৰ স্মৃতি উৰি গৈছিল তেতিয়া,—বিহাৰৰ "অখ্যাতনামা" ৰেল ষ্টেচন এটাৰ কাষত থকা তাৰ গাওঁখনলৈ। সেই গাৱঁতেই থাকি—আশাক "আগবিয়া" কৰাই অনাৰ দিনা গোমধানৰ পথাৰৰ মাজে মাজে গাৱঁৰ পিছত গাওঁ গছকি সি দৰা হৈ গৈছিল। তাৰ নিজৰ আৰু কন্যাজনীৰো ঘৰ আছিল টান বোকা মাটিৰ আৰু ইটা-খাপৰিৰ। "গোমধানৰ সাগৰৰ" মাজতেই যেন দুয়োখন ঘৰ আৰু গাওঁবিলাক ডুব গৈ আছিল। তাৰ মনত পৰে, সিহঁতৰ গাৱঁত 'বৈছাই' গোমধানৰ খেতি হৈছিল, সেই বাবেই গৰু আৰু মানুহবিলাক বেচ 'নিপোটন' আছিল।… আৰু সিহঁতৰ গাৱঁৰ মানুহৰ সৰহ ভাগেই আছিল খেতিয়ক। আনকি, ৰঘুমালীও মূলতে এটা সাতাম পুৰুষীয়া



কৃষক পৰিয়ালৰহে সন্তান। "দেচৰ" বাৰী-পথাৰত সিহঁতে খেতি কৰিছিল "আলু", "যব", "মাকৈ", "ঘেঁহু", "পিয়াজ", "বুট" ইত্যাদি। মাটি, ভাগত তাকৰ। হলেও শস্য ভাল হয়। পিছে, কি হ'ব? সিহঁতৰ দিনত জমিদাৰৰ 'অখণ্ড' প্ৰতাপ। শস্যৰ সৰহ অংশই জমিদাৰক দি সিহঁতৰ সৰহ ভাগ লোককে বছৰটো খাবলৈ নুকুলায়। ইফালে, শস্যৰ ভাগ বাকীৰ পইচাত মাৰি, বছৰি বছৰি নি থাকে, নাপিতে, তেলীয়াই, কাপোৰ বেপাৰীয়ে আৰু গেলা-মালৰ দোকানীয়ে।…

সিও, এইবিলাক কাৰণতেই তাৰ "দেচৰ" আন কিছুমান মানুহৰ দৰেই তাৰ বিয়াৰ পিছতেই ধন "কমাবলৈ" আৰু সুখে-সন্তোষে থাকিবলৈ বুলি অসমলৈ আহি মালী কামত সোমাল।…

এইবিলাক অতীতৰ আৰু দূৰ অতীতৰ বাৰে বাংকৰা কথা ভাবি থাকোঁতেই ৰঘুমালীৰ টোপনি আহিল।…

* * * *

ৰাতিপুৱাই কোৰৰ চাব্ পৰিল— মালীটোৰ ঘৰৰ নমুখৰ বাৰীত।… ই 'হলধৰৰ' ৰূপ নহে যেন 'জমদগ্নিৰ'হে মূৰ্ত্তি। কোৰৰ চাবে চাবে সি এফালৰ পৰা—গজি উঠা তাৰ বাৰীৰ গোমধানৰ পুলিবিলাক কোৰেৰ কাটি বগৰাই তহিলং কৰি নিছে।

আশাই আৰু উমাই ঘৰৰ একমাত্ৰ খিৰিকীখনত ওলমি থকা এলেন্ধুৰা পৰ্দ্দাখনৰ ফাঁকেদি জুমি চালে,—ভয়ে ভয়ে। আশাই আৰু সহি থাকিব নোৱাৰিলে। হাজাৰ হওক, মালীৰ ঘৈণীয়েক হলেও তাইয়ো আছিল খেতিয়কৰে জায়াৰী।

খিৰিকীখনৰ ফাঁকেদি মূৰটো উলিয়াই আশাই ভয়ে ভয়ে গিৰী-য়েকক চিঞঁৰিলে, ঃ হাঁয়! হাঁয়।… মোক নোকোৱাকৈয়ে তুমি এইবিলাক কি কৰিলা? আজি পুৱাই তোমাৰ মূৰটো গৰম হৈছে নে কি?…

সি কোৰৰ নালটো লাহেকৈ ঘূৰাই লৈ আশাৰ ফালে চাই খঙেৰে চিঞৰিলে, ঃ চুপ্! ভাগ্ যাও য়াহাসে…।

ঘৈণীয়েকে নাক কোঁচাই উভটি আহি খণ্ডেৰে পঁজাৰ তুৱাৰ-খনকে খট্ কৰে জপাই দিলে।

* * * *

তাৰ খং এতিয়া শাঁত হৈছে। উমাই 'ফিকাচাহ' এবাটি তাক কামৰ থলীতে দি আহিছে। পূৰ্ব্বৰ গোমধানৰ তলীখন কোৰেৰে সি ধূলিৰ দৰে মিহি কৰি পেলাইছে। তাত আকৌ সি 'জিনিয়াফুলৰ পুলি' লগাবই নহয়?

সি জীয়েকক মূৰটো পিহি পিহি—চাহৰ বাটিটো নিবলৈ ধৰাৰ সময়তেই কলে ঃ উমা! 'ফাগুৱাত' আমি 'দেচত' যাম নহয়? দেখিবি তাত কিমান গোমধানৰ মাটি পৰি আছে!...

## ॥ দৃষ্টি ॥

সৰু নগৰ এখনৰ এচুকত বাস কৰা এজন আদহীয়া বয়সৰ লোক, মই কেইবাবাৰো লগ পাইছিলোঁ। সাধাৰণ সাজপাৰ পিন্ধি থকা আৰু নিম্ন মধ্যবিত্ত অৱস্থাৰ তেওঁ আছিল এজন মানুহ,—যাক কোনোমতেই 'অসাধাৰণ' আখ্যা দিব নোৱাৰি তেনেহলে নো মানুহজনৰ কিহে মোক ইমান আকৰ্ষণ কৰিছিল?

তেওঁ এজন দেখাত নিৰীহ প্ৰকৃতিৰ লোক আছিল। অৱস্থা আজি কালি স্বচ্ছল বুলিব নোৱাৰি। নগৰ চহৰত থাকিলেই মানুহ বিত্তৱান হব নোৱাৰে। তাতে, আমাৰ দেশৰ নগৰ কিছুমান ইউৰোপ-আমেৰিকাৰ গাৱঁতকৈও 'অধইচ্'। আমাৰ এই আলোচ্য ভদ্ৰলোকৰ ঘৰত বিজুলী বাতি নজ্বলে যদিও নগৰখনত বিজুলী যোগানৰ ব্যৱস্থা আছিল। তেওঁৰ ঘৰৰ মানুহবিলাকে পিছ ফালৰ আধা পকী কুঁৱাৰ পৰা পানী তুলি খায়—যদিও সাতহাতমান দূৰতেই পানী যোগোৱা 'মেইন পাইপ' অৱস্থিত। ওচৰৰ ধনী মানুহ কেই ঘৰলৈ একো একোটা সৰু ক্ৰুড় সাপৰ দৰে তাৰ পৰা বগাই যোৱা—পানীকলৰ নলীবিলাকে যেন এওঁলোকক বিদ্ৰূপহে কৰিছিল। পিচ ফালৰ 'পায়খানাতেই' তেওঁলোকে শৌচ কৰ্ম্ম ফেৰা সমাধা কৰিছিল—যদিও নগৰৰ বজাৰত 'চেনিটেৰী লেট্ৰিনৰ' সঁজুলি হামাৰ-ভাৰে কিনিবলৈ পোৱা গৈছিল। এই মানুহ ঘৰক এটা কথাতেই মাথোন 'নগৰীয়া' বুলি কব পাৰি, মানে, তেওঁলোক সেই সৰু নগৰখনৰ 'মিউনিচিপেলেটী' এলেকাৰ ভিতৰত আছিল আৰু কৰ দিছিল।

মানুহজনৰ চকু কেইটা যে বৰ ধুনীয়া আছিল, এই কথা মই কব খোজা নাই। কব খুজিছোঁ—কেনেকৈ সেই চকু-যোৰাৰ চাৱনিৰ চোক আজিও মই পাহৰিব পৰা নাই।

তেওঁৰ ব্যৱসায় হ'ল—টলৌ-টলৌকৈ ঘূৰি ফুৰা। কাম-কা
বা চাকৰি-বাৰ্কাৰ কৰা কৰে নে নকৰে নাজানোঁ। শুনোঁ যে মা
মাজে তেওঁ ভাং হুপে, নিজ-বয়সীয়াল লগ-সমনীয়াৰ লগত আড্ড
দিয়ে আৰু ভঙা চাইকেল এখনত উঠি নগৰৰ উপকণ্ঠ অঞ্চল
গাঁও-ভূঁই বিলাকত মাজে মাজে ঘূৰি ফুৰে। আৰু আলু, কচু
বেঙেনা-চাউল আদিৰ টোপোলা সংগ্ৰহ কৰি ঘৰত দিয়েহি। এইটো
সঁচা যে মানুহজন গাঁও-ভূঁই বিলাকত আছিল বৰ জন-প্ৰিয়
তেওঁলোকে তেওঁক মৰম ভক্তিতেই হে তেনেদৰে টোপোলা দিয়ে
কোনো 'ঘোচ্' বা 'তোষামোদৰ' কাৰণে নহয়।

আমি ধনী নগৰীয়া বিলাকে তেওঁক কোনো 'পাত্তা' দি
খোজা নাছিলোঁ। কিয়নো, এসময়ত শুনা মতে, তেওঁলোকৰ ঘৰখ
নগৰীয়া হিচাবে চাবলৈ গলেও, ধনে-ধানে ভৰা আছিল। আজি
এওঁলোকৰ এই পুৰুষত পূৰ্ব্বৰ সেই 'সান্দহ-খোৱা বালি' তল গ'ল।
বৰং, আমি ভবা মতে এওঁলোকৰ লগত এতিয়া বেচি ঘনিষ্ঠতা
কৰিলে টকা-পইচাৰ ফালৰ পৰা লোকচানৰহে আশঙ্কা। তাতে
মানুহজনে হেনো আনক মাজে মাজে টকা-পইচা খোজাৰ অভ্যা
আছে,—ধাৰলৈ বুলি। সেই ধাৰ অৱশ্যে তেওঁ কেতিয়াবা পৰিশো
কৰে বুলি মই শুনা নাই। মাথোন, শুনামতে তেওঁ ধাৰ বিচৰা
মানুহ হে ঘনাই বদলায়।

তেওঁৰ আন এটা বিশেষ গুণ আছিল, তেওঁ কথা-বতৰা
আৰু চাল-চলনত "এৰিষ্টোক্ৰেট্"। গোপনে গাঁৱত গৈ ভাং হুপিলেও
নগৰৰ আলি-বাটত মাজে মাজে এৰীয়া কাপোৰৰ 'চুট্' এজো
পিন্ধি, তাহানিতে কোনোবা চাহ বাগিচাৰ চাহাবে দিয়া 'পাইপ'
খায়। কেতিয়াবা আকৌ তেওঁ কিনি অনা 'মিক্সাৰৰ টিন' আ
'পেপাৰ', হাঁহি মুখে আনলৈ আগ বঢ়ায়।

মানুহজনৰ আন চিন্তা হ'ল, নিজৰ হাতত যেতিয়ালৈকে এক পইচা
থাকিব, তেতিয়ালৈকে তাৰে কেনেকৈ আনক ঘিউ-মৌ-ৰসগোল্লা খুৱা
—সেই ব্যৱহাৰতে পূৰ্ণোদ্যমে লাগি যাব। আলহী অতিথি আহিলে



ঘৰৰ ল'ৰা-ছোৱালীবিলাকে মাংসৰ দোকানলৈ গৈ তত্ নাপায়। উপায়ান্তৰ নেদেখিলে, তেওঁ মাজে মাজে ক'ৰবাত গৈ 'হাউচি' খেলি জিকি পইচা সংগ্ৰহ কৰি আনে, আৰু সেই কেইদিন চুবুৰীয়াই তেওঁৰ ঘৰত পঠা ছাগলীৰ মঙহৰ মছলা যুক্ত আঞ্জাৰ গোন্ধ দূৰৰ পৰাই পায়।

তেওঁৰ লতি-লক্ষণত সঁচাকৈয়ে ডাঙৰ মানুহৰ চিন পোৱা গৈছিল। মানুহজন যে বৰ 'দিল্দাৰ' আছিল, তাত কোনো সংশয় নাছিল।

তেওঁৰ প্ৰতি মই হলে কোনো দিনেই 'আকৃষ্ট' হোৱা নাছিলোঁ। হয় কি বুলি ঃ না আছে তেওঁৰ মোৰ দৰে 'টগ্-বগ্' যৌৱন, না আছে ধন, লাৱণ্য আৰু সবাতোকৈ কোনো সামাজিক প্ৰতিষ্ঠা, স্বীকৃতি বা মৰ্য্যাদা। তদুপৰি, ভয়ো লাগে ক'ৰবাত সিজনে পইচা খুজি মোক বিবুদ্ধিত পেলায় বুলি।

গতিকে, 'এওঁৰ' ঘৰৰ ওচৰ পালেই মোৰ চাইকেলৰ চকাৰ গতি খৰত কৈও খৰতৰ হবলৈ আৰম্ভ কৰে। মানুহজনক বাটে-পথে দেখিলে পৰাপক্ষত মুখ ঘূৰাওঁ—, নেদেখা ভাও জুৰি।

কিন্তু, এইবোৰৰ মাজতো সেই চিনাকী চকুযোৰা মোৰ মানস-পটত মাজে মাজে এখন ছবিৰ চকু হৈ ভাঁহি উঠে। অৱশ্যে, মোৰ মনত তাৰ চাব্ কোনোদিনেই স্থায়ী হোৱা নাই। আৰু, নগৰৰ বজাৰলৈ মই অন্য এটা বাটেদিহে অহা-যোৱা কৰিবলৈ লৈছোঁ।

* * *

এবাৰ মোৰ জেঠাইদেউ এগৰাকী ঢুকাল।

সেই মানুহজনে সকলো প্ৰকাৰে শ্মশানত সহায় কৰিছিল আৰু ৰাতি দুই বজাত মোৰ ঘৰৰ চোতালত আহি মোক—আৰু জেঠাই-দেউৰ ল'ৰা-ছোৱালী বিলাকৰ শোক উপসম কৰিবলৈ প্ৰবোধ দিছিল। তেখেতে মোক গা ধুৱাই দিছিল; শিলত সেঁকা-পোটোকা কৰিছিল, অ'ক শেহৰাতিৰ জোন, আকাশত ন্থঠালৈকে চোতালত ৰাতি থক্ থক্ কৰে কঁপি আছিল।

আকাশত জোন দেখা গ'লতহে, আমাৰ দস্তুৰ মতে তেখেতে

মোক ভিতৰ সোমাব দিলে আৰু আমাক মাত-বোল লগাই গুচি যোৱাৰ আগতে পেহীদেউক কলে, ঃ অকণটো সঁচাকৈয়ে বৰ 'ভাগি পৰিছে। এওঁক কাইলৈ দিনত হলেও এখন্তেক শুব লব দিব ...।

তেওঁ গুচি যোৱাৰ সময়ত ৺জেঠাইদেউলৈ মনত পৰি যেতিয় ঘৰখনত কান্দোনৰ ৰোল উঠিছিল, লক্ষ্য কৰিছিলোঁ। তেওঁৰ সেই আপুৰুগীয়া চকু দুটাও পানীৰে চল্‌চলীয়া হৈ পৰিছিল।

* * *

নিমন্ত্ৰণ কৰা স্বত্ত্বেও মানুহজনে মৃতকাৰ তিলনি-দহা একো খাব লৈকে নাহিল। শৰাধলৈ মাতিব যাওঁতে কলে, ঃ যাম বাৰু, যোৱা।

তেওঁ কিন্তু নাহিল।...

আমি অলপ বেয়া পাইছিলোঁ। ক'ৰবাত তেওঁ অসন্তুষ্ট হ'লেই নেকি !

বেয়া পোৱাতকৈও নৈতিক হিচাপে আমি চিন্তা কৰাৰ সপক্ষে যুক্তিও আছিল। কিয়নো, ৺জেঠাইদেউৰ দহা-কাৰ্য্যত আগৰে পৰা গুৰিলৈকে দিহা-বুদ্ধি দি সহায় কৰোঁতা লোক সকলৰ ভিতৰত তেওঁ 'অগ্ৰগণী' আছিল।

তেওঁক ইমান আগ্ৰহেৰে নিমন্ত্ৰণ কৰা স্বত্ত্বেও নাহিল। ৺জেঠাই-দেউৰ আত্মাই ক'ৰবাত অসন্তুষ্ট হব পাৰে বুলি ভাবি পেহীদেৱে মোক দঢ়াই দঢ়াই কৈছিল, ঃ হে'ৰ, তেওঁক এবাৰ মুখেৰেও মাতি আহিবিগৈ।

চাইকেল মাৰি যাওঁতে ভদ্ৰলোকক বাটতে লগ পাই কৈছিলোঁ, ঃ শইকীয়া দাদা ! আপুনি দেখোন ৺জেঠাইদেউৰ কোনো কাজ কৰম খাবলৈ নাহিল।

'পাইপ'ৰ মাজেদি 'ফিচ্ ফিচ্' চুৰটৰ ধোঁৱা উৰুৱাই তেওঁ কলে, ঃ অকণ ! তুমি চোন জানাই, নগৰৰ সকলোৱেই জানে। মই সদায় 'মানুহ পোৱাত'হে আছোঁ, "কাজ কৰম" খোৱাত নাই।

কথাষাৰ হেনো সঁচা। মই বা আমাৰ ঘৰখনে এই কথাৰ আগতে খবৰ নাৰাখিলেও পিছত 'আৰু তাৰু' সুধি গম পাইছিলোঁ,



মানুহজন সাধাৰণতে মানুহৰ 'ব্যসনত'হে উপস্থিত থাকে, 'উৎসৱত' নহয়

কথাখিনি কৈ থাকোঁতে মানুহজনৰ চকু দুটা খন্তেক উজ্জ্বলি উঠি-ছিল, যাৰ ফলত আকৌ তেওঁলোকৰ সেই "সাতাম-পুৰুষীয়া" 'এৰি-ষ্টোক্ৰেট্' জ্যোতিৰ জীৱন দেখা পাইছিলোঁ।

* * *

সেই অপূৰ্ব্ব চকু যোৱাৰ মালিকৰ ঘৰত এইবাৰ বিয়া পতা হৈছে— তেওঁৰ ডাঙৰ ল'ৰাৰ। 'গেট ৰভা' আদি ডাঙৰকৈ সজোৱা দেখিলোঁ। বিজুলী-বাতিৰো 'অস্থায়ী লাইন' টনা হৈছে, পানী-কলৰ পানীৰো ব্যৱস্থা কৰা হৈছে। 'বেণ্ড্-পাৰ্টিও' অনা হৈছে।

নকলেও হব যে আমিও বিয়াৰ নিমন্ত্ৰণী পাইছিলোঁ।

তেওঁক ক্ৰমে ক্ৰমে মোৰ ভাল লগা হৈ আহিছিল। কাৰণ, আগতে মানুহবিলাকে কোৱা-কুই কৰাৰ দৰে, তেওঁ কেতিয়াও মোৰ পৰা ধন ধাৰে বিচৰা নাছিল। তেওঁৰ প্ৰতি যেন মোৰ পূৰ্ব্বৰ বিকৃত ধাৰণা নোহোৱা হৈছিল।

বিয়া-ঘৰ সোমায়েই দেখিলোঁ, বিয়া মণ্ডপৰ চাৰিওকাষ লোকেলোকাৰণ্য। ... চাইকেল আৰু মটৰ গাড়ীৰ সমদল। বিয়া ঘৰলৈ অহা আহিছে, যোৱা গৈছে। পুৰুষ-মহিলাক বেলেগে বেলেগে খুওৱা আৰু আল্‌পৈচান ধৰা হৈছে।

বিস্ময়ত মই সাময়িক ভাবে হত-বাক্ হৈছিলোঁ।

মানুহজনৰ ঘৰৰ অৱস্থা তেনেহলে আমি আগতে ভবাৰ দৰে বেয়া নহয়।

বিয়া-ঘৰত ইযে বৃহৎ কাৰবাৰ ! অৱশ্যে, আজিৰ দিনতো এই নিৰীহ মানুহজনে তেনেহলে পূৰ্ব্ব পুৰুষৰ আভিজাত্যক আজি নিশাটোৰ কাৰণে হলেও যেন ঘূৰাই আনিব পাৰিছে এয়াতো কম কথা নহয় !

* * *

তামোল মচলা, চাহ-চিগাৰেট যচাৰ ভালেমান সময়ৰ পিছতো

মোক আৰু মোৰ কাষৰ ভালেমান নিমন্ত্ৰিত ভদ্ৰলোকক কোনেও ভিতৰলৈ যাবৰ কাৰণে সোধ-পোচ্ নকৰা দেখি আচৰিত হৈ গলোঁ। মানুহক খুওৱা-বুওৱা ৰভাৰ সিফালে—কিছুমান ডেকা ল'ৰাই ফুচ্‌ফুচাই আছে। নিমন্ত্ৰিত ভদ্ৰলোক সকলো দেখোন নোখোৱা নোবোৱাকৈয়ে চুচুক্-চামাক্‌কৈ এজন দুজনকৈ উঠিহে যাব ধৰিছে।

ইকি। মোৰ প্ৰায় গাতে গা লগাই তেওঁ এখন চকীত বহি আছে। মোৰ সেই বন্ধু ভদ্ৰলোক, মানে, স্বয়ং দৰাৰ দেউতাক। চকীখনত তেওঁ ভৰি-হাত তুলি বহি আছে।

তেওঁৰ চকু যোৰাৰ পিনে মই চালোঁ।

উলটি তেওঁ কিন্তু মোলৈ নাচালে।

তেওঁৰ দৃষ্টি আছিল—শূন্যৰ ফালে। তেওঁ যেন মোক দেখিও দেখা নাই।

ঃ শইকীয়া দাদা! মই মাতিলোঁ।

উত্তৰ নাহিল। তেওঁ যেন শুনিও নুশুনিলে।

সেইয়া যেন মানুহ নহে তেওঁ 'খেৰৰ জুমুঠি' এটাহে আছিল, সেইদৰে।

লাজত, দুখত আৰু ক্ষোভত মই উচ্‌পিচাই উঠিলোঁ।

কিয়নো, মোৰ কাষৰ মানুহবিলাক—এবাৰ দুই-চাৰি মিনিট মানৰ কাৰণে বিজুলী-সৰবৰাহ বিচ্ছিন্ন হোৱাৰ সুযোগতে প্ৰায় গুচি গ'লেই। মই লৌকিকতা আৰু ভদ্ৰতাৰ খাতিৰত তেনেদৰে গুচি নোযোৱাই ঠিক কৰিছিলোঁ!

মই মাথোন ভগবানক প্ৰাৰ্থনা কৰিছিলোঁ যেন—বিয়াৰ খুওৱাত ব্যস্ত থকা ল'ৰা মখাৰ এটা আঁৰ কাপোৰৰ সিফালৰ পৰা ওলাই আহি মোক কওক, ঃ আহক! ভিতৰলৈ যাবৰ হ'ল।ঃ...

নাই। কাৰো খবৰ নাই। ইফালে, ৰাতি হবৰে হ'ল।

মোৰ কাষৰ চকু জুৰিলৈ এবাৰ বেঁকাকৈ চালোঁ। মোৰ মনৰ ভাব, "আপুনি জানো মোক আপোনাৰ পুতেকৰ বিয়ালৈ নিমন্ত্ৰণ কৰা নাছিল? মোক জানো আপুনি এতিয়াও চিনি পোৱা নাই?



সেইজন, মোৰ সমুখত বহি থকা জন, যেন এজন জীয়া মানুহ নহয়, আৰু মোৰ চিনাকী অপূৰ্ব্ব চকুযোৰাও যেন 'কোনোবা ঋষিৰ শাপত' শিলৰ চকুলৈ পৰিণত হৈছে ...।

মোৰ সমুখত তেতিয়া একমাত্ৰ, আঁতৰি যোৱাৰ বাহিৰে অন্য পন্থা নাছিল। ভোকে-ভাগৰে অপমানে জৰ্জ্জৰিত হেন হৈ— একে কোবেই 'চাইকেলত' উঠিলোঁ।

এনেতে শুনিলোঁ, কোনো সৈনাধ্যক্ষই সৈন্যক আদেশ দিয়াৰ সুৰত কোনোবাই যেন মোক পিছফালৰ পৰা চিঞৰিছে, ঃ অকণ! ৰৈ যোৱা ...।

মই ৰৈ গলোঁ।

মানুহজনে চিগাৰেট এটা হুপি হুপি আহিব ধৰিছে।...মোৰ কাষতে আহি তেওঁ থিয় হ'ল—আৰু কলে, ঃ অকণ? 'ষ্টুপিদ্'হঁতে মোক ঠগিলে! শইকীয়াৰ ঘৰৰ নাম 'ডুবালে'। 'টু থাউজেণ্ডছ' 'গেষ্ট'ৰ অনুমান কৰি সেইমতেই যোগাৰো কৰিলোঁ; নিমন্ত্ৰণীও পঠালোঁ। 'চাল্লা'—'ঘোচ্' খাব নাপাই সিহঁতে হঠাৎ আজি দুপৰীয়া মোৰ 'পাৰ্মিট'ৰ চেনি, মৈদা, ঘিউ সকলো আধাতকৈও কমাই কাটি দিলে। ইমান 'স্বৰ্ট' নোটিছ্‌ত। 'ব্লেকত', অন্ততঃ আজি বিয়াৰ দিনত সেই 'পোহৰৰ সাধু'হঁতেও বিমুখ কৰিলে ভয়ত।

উঃ! পাঁচ বজাতেই সকলো বস্তু টুকাল, অকণ! ৰান্ধনিশাল উদং। অথচ, মানুহ আহিয়েই আছে—এতিয়ালৈকে...। মই, কি কৰোঁ, বাৰু? আমি যেন নগৰৰ এমুঠি দুষ্ট বিষয়াৰ ইচ্ছাৰ পুতলা।

নাটকীয় ভঙ্গীত হে তেওঁ যেন কথাখিনি কৈ গৈছিল।...এনেতে, মই কলো, ঃ সেইটোনো কি কথা, দাদা? মানুহে বুজিছেই, ছাগে, সকলো।

ঃ কি বুজিব? যেতিয়া ভিতৰত নবৌয়েৰাইও মাইকী মানুহক খুৱাব নোৱাৰি লাজত মূৰ্চ্ছা গৈছিল, মই থম্ থম্ কৰে বজ্ৰাঘাত হৈ বহি আছিলোঁ।... পৰিস্থিতিয়ে, তেতিয়া মোক কৰিছিল এটা 'কণা

আৰু ক'লা কুকুৰ'।··· মোৰে শপত, অকণ! তুমি মোক বেয়া নাপাবা, দেই।···

মই 'সেইটো কোনো কথা নহয়' বুলি কৈ পুনৰ মোৰ চাইকেল খনত জাপ মাৰি উঠিব খোজোঁতেই, কঁপা কঁপা মাতেৰে তেওঁ কলে, ঃ মানুহ বিলাকে মোক যদি কৃপণ বুলি ভাবি গ'ল??···

ঘূৰি চালোঁ, আকে এবাৰ।···

শিলৰ চকু যোৰৰ পৰা তেতিয়া সেইয়া পানীৰ নিজৰাহে যেন বৈ আহিব ধৰিছিল।

# জুৰিৰ পাৰৰ ছবি

প্ৰণৰ এজন ডাঙৰ খনি-তত্ত্ববিদ্। অলপতে বিলাতৰ পৰা 'মাইনিঙ'ৰ সৰ্ব্বোচ্চ ডিগ্ৰী লৈ পাচ কৰি আহিছে। গাৰ বৰণ বগা নহলেও প্ৰণৰ অসুন্দৰ নহয়। পিন্ধন উৰণত পৰি-পাটি। ব্যৱহাৰত নম্ৰ। বন্ধুসকলে কোৱাকুই কৰে প্ৰণৱৰ সৰুৰে পৰাই এখন 'অন্তৰ' আছে। মানুহক বিপদত সহায় কৰা, পাৰিলে কাৰোবাৰ অলপ উপকাৰ কৰা আদি গুণবোৰ তাৰ লেখত লবলগীয়া। তাৰ গাত মুঠতে 'দুৰ্গুণ' বুলিবলৈ আমি জনাত একো নাছিলেই।

বিলাতৰ পৰা প্ৰণৱে আনিছিল জ্ঞান আৰু বিদ্যা। 'বিদ্যা দদাতি বিনয়ম্'। ভাৰতীয় জল-বায়ুৰ লগত বৰ্ত্তমানে খাপ্ নোখোৱা চাহাবী চাল-চলন আৰু আদব্ কায়দাবোৰ সি তাতেই এৰিলে। এইখিনিতেই, আন সাধাৰণ বিলাত ফেৰততকৈ প্ৰণৱৰ পাৰ্থক্য।

প্ৰণৱক সৰহ দৰমহাত গাৰো পাহাৰত খনিজ-পদাৰ্থৰ অনু-সন্ধানৰ কাৰণে বিশেষ বিষয়া নিয়োগ কৰা হ'ল। ধুনীয়া প্ৰাকৃতিক দৃশ্যৰ মাজত তাক এটা সৰু বঙলা দিয়া হ'ল। ওৰে দিন সি পাহাৰে পাহাৰে মাটি আৰু শিলৰ টুকুৰাবিলাক সংগ্ৰহ কৰি ফুৰে। ভৰিত "গাম বুট জোৰ", গাত "ৰেইন্ কোট"টো আৰু হাতত এটা বন্দুক।

···ইয়াৰ মাজেদিয়ে সি গৱেষণাত বহুত দূৰ আগ বাঢ়ে।··· কিন্তু প্ৰণৱে কিবা যেন এক শূণ্যতা উপলব্ধি কৰে—দিনে দিনে। তাৰ সঙ্গী মাথোন নেপালী ৰান্ধনি-ল'ৰাটো, বনুৱা কেইটা আৰু 'আল্‌চেচিয়ান' কুকুৰটো।

প্ৰণৱে ঘৰৰ পৰা সপ্তাহত অন্ততঃ এখন চিঠি— মাকৰ পৰা পায়। বিলাতলৈ যোৱাৰ আগৰে পৰা মাকহঁতে কৰা বিয়াৰ প্ৰস্তাৱ

কেইবাবাৰো প্ৰত্যাখ্যান কৰি আহিছিল। সেয়েহে, মাকে ভয়ে ভয়ে প্ৰণৱলৈ বিয়াৰ কথা লিখে। তেওঁৰ একমাত্ৰ 'অকৰা' ল'ৰা প্ৰণৱটোৱে যদি একেবাৰেই বিয়া নকৰাওঁ বুলি কয়! মাকে ভালৰি বোলা লিখা চিঠিবিলাকৰ মৰ্ম্ম প্ৰণৱে বুজে। হাজাৰ হওক মাক অন্তৰ···।

প্ৰণৱৰ তেতিয়া বিয়া কৰাবৰ বয়স ভালকৈয়ে হৈছিল।

এদিন গধূলি প্ৰণৱ বঙলাত অকলে অকলে বহি আছে খিৰিকীয়েদি জুমি চাই দেখে, দূৰত পৰ্ব্বতৰ টিঙত বগা মেঘ এচপৰা ঠেকা খাই আহিছে।··· তাৰ মন কিবা এক চিন্তাত মগন হ'ল। 'আহাৰ মাহৰ আকাশৰ এচপৰা মেঘেই কালিদাসৰ সৃষ্টিৰ দূতিকা। আজি যদি বিবাহিত হলোঁহেঁতেন, হয়তো দূৰৰ পৰ্ব্বতৰ টিঙৰ সেই মেঘ চপৰাই মোলৈ কিবা এক 'বাৰ্ত্তা' আনিছে বুলি ভাবি আনন্দিত হলোঁহেঁতেন।···এতিয়া এই মেঘ মোৰ মানত অৰ্থহীন।' এইবোৰ ভাবি সি খিৰিকীখন জপাই দিলে। কিন্তু, পিছ মূহুৰ্ত্ততেই আকৌ চিন্তাত মগ্ন হ'ল। ···অতীতৰ এৰি অহা দিন বিলাকলৈ সি কল্পনাতেই উলটি যায়। তাৰে কিছুমান লিৰিকি-বিদাৰি চাই তাৰ ভাল লাগে। কিন্তু ভাল লাগিলে হব কি? এতিয়া সেই বিলাক যে মাত্ৰ ধ্বংশৰ স্তুপ। আৰু সেই স্তুপবিলাকৰ মাজতে সি বহি আছে। মানে, থাকিব লগা হৈছে।···

জীৱনত প্ৰণৱৰ অতীতৰ সেই সোণালী দিনবোৰ। ৰীতাহঁতৰ লগত তাৰ মাকৰ যোগেদিয়ে চিনাকি হয়। সি বহুত ডাঙৰলৈকে মাকৰ লগত, এটা সৰু ল'ৰাৰ দৰে ফুৰি ভাল পাইছিল। মাকে তাক ৰীতাৰ লগত চিনাকি কৰাই দি কৈছিল, 'ৰীতা, এইটো তোৰ প্ৰণৱদা। অকৰা ল'ৰা।··· অলপতেই খং উঠে।··· তাক নোজোকাবি।···'

ৰাংঢালী ৰীতাই এদিন প্ৰণৱক কিন্তু জোকাইহে এৰিলে। প্ৰণৱে হাতত থকা মাৰ্ব্বলটোৰে ৰীতাৰ কপালতে জোৰেৰে মাৰি দিলে। ৰীতা বাগৰি পৰিল।··· প্ৰণৱে কান্দিলে।··· এনেতে, ঘটনাচক্ৰত



ৰীতাৰ মোমায়েকে নতুনকৈ কিনা কেমেৰা এটাত 'ৰীল্' ভৰাই ফটো তোলাৰ অভ্যাস কৰি থাকোঁতেই, অলপ আঁতৰৰ পৰা প্ৰণৱ আৰু ৰীতাৰ সেই মুহুৰ্ত্তৰ ফটো এটা লৈ—কেমেৰাটোৰ সুব্যৱহাৰ কৰিলে। এই ঘটনাৰ পিছৰ পৰাই,—হালেই একেলগে ওমলে, খেলে, গায় আৰু বজায়।

প্ৰণৱ আৰু ৰীতাই শৈশৱৰ দেওনা, কালক্ৰমে পাৰ হ'ল। সিহঁত বুজন হ'ল।··· ৰীতাহঁতৰ ঘৰলৈ গ'লে, প্ৰণৱে লক্ষ্য কৰিছিল যে—ৰীতাই তাৰ আগত ওলাবলৈ লাজ কৰা হ'ল। আৰু, অজানিতে প্ৰণৱে বুজিলে যে, ৰীতা আগলৈ নোলালেও প্ৰণৱে দেখোন ৰীতাহঁতৰ ঘৰলৈ যাবলৈ খুব ভাল পায়।

প্ৰণৱে ৰীতাৰ···। সি আছিল অলপ লাজকুৰীয়া স্বভাৱৰ ল'ৰা। লাজতেই সি একো মুখ ফুটাই কব নোৱাৰিলে। লাজৰ 'ওৰণি' ঠেলি তাৰ অন্তৰৰ সেই শব্দ দুটা মুখত ফুটি নোলাল। ৰীতা তোমাক মই 'ভাল পাওঁ'—এইবুলি যদি সি এবাৰ কলেহেঁতেন!

ৰীতাৰ চাকৰীয়াল দেউতাকহঁত বদলি হৈ গ'লগৈ।···তেওঁলোক গুচি যোৱাৰ দিন ক্ৰমে ওচৰ চাপি আহিল।

সেই দিনটোত ৰীতাই লাজ লাজ কৰি আহি প্ৰণৱক মাতিলে, 'প্ৰণৱ দা!···এই লওক আমাৰ ল'ৰালি কালৰ ছবি।···

প্ৰণৱে দেখিলে, ৰীতাৰ কপালত মাৰ্ব্বলেৰে ফুটাই দিয়া অৱস্থাতে কোনোবাই লোৱা সিহঁতৰ এখন ধুনীয়া 'ফটো'।··· প্ৰণৱে ফটোখন ললে। মুখেৰে একো কব নোৱাৰিলে। ৰীতাও আঁতৰি গ'লগৈ।··· সি উপলব্ধি কৰিলে, ৰীতাই একো নকলে, কিন্তু সংক্ষেপতেই আজি যেন তাক এইমাত্ৰ বহুত কথাই কৈ গ'ল।

ঘৰত হয়তো প্ৰণৱে সিদিনা কান্দিছিল—লুকাই-চুৰকৈ আৰু গাৰু তিয়াই। অৱশ্যে, ল'ৰালি কালৰ দৰে ৰীতাৰ কপাল ফুটোৱা কাৰণে নহয়।

প্ৰণৱে সময়ত বিলাতলৈ পঢ়িবলৈ গ'লগৈ।···

সি বিলাতত থাকোঁতেই তাৰ বন্ধু এজনৰ লগত ৰীতাৰ বিয়া

হৈ গ'ল বুলি শুনিলে। সি হয়তো তাতো কান্দিলে—গোপনে গোপনে। ৰীতা সু-পাত্ৰতে পৰিছে। দৰাজন প্ৰণৱৰ চিনাকি বন্ধু প্ৰণৱে তেওঁৰ ভাগ্যক ঈৰ্ষা কৰিলেও—সি আছিল উপায়হীন। কথা কোৱা নহ'ল, তাক এতিয়া কোৱাৰ সময় উকলি গৈছে

ইয়াৰ পাচত বহুতো ছোৱালীৰ অভিভাৱক আৰু সবাতোকৈ নিজৰ মাকক হতাশ কৰি প্ৰণৱে, বিয়াৰ কাৰণে অহা প্ৰস্তাৱ এটা পিছত আন এটাকৈ প্ৰত্যাখান কৰিয়েই গ'ল।

কালৰ কোলাত বছৰ কেইটামান বাগৰি পৰিল। প্ৰণৱেও বিলাত পৰা পাচ কৰি আহি গাৰো পাহাৰত কাম কৰিলেহি।

*　　　*　　　*　　　*

চিন্তাৰ খেলি-মেলিত প্ৰণৱৰ সেইদিনা ভাত খোৱা নহ'ল,—ৰাতি।

নেপালী ৰান্ধনিটোক বঙলাৰ বাকী কেইখন খিৰিকী বন্ধ কৰিবলৈ দি নিজে শুই থাকিল।

ৰাতিপুৱা সি শুই উঠি চাহ জলপান খোৱাৰ পিছত মাকলৈ এইদৰে চিঠি এখন লিখিলে,

'পূজনীয়া মা! ইয়াত অকলে থাকি বৰ অসুবিধা পাইছোঁ। থাকি অকণো ভাল লগা নাই। টকা এগাল দৰমহা পাওঁ যদিও টকাই অকল জানো সুখ দিব পাৰে, মা? হৈ যোৱা কথাৰ বাবে এতিয়া দুখ কৰি লাভ নাই।... মা! আপুনি মোক আজি খুব মৰম কৰিব, যদি মই কথা এটা কওঁ। কি, জানে?... মোৰ বিয়া পতাত এই মত দিছোঁ। আপুনি ছোৱালী বিচাৰক। আপোনাৰ পছন্দই—মোৰো পছন্দ।' ইতি—

—প্ৰণৱ—

পুতেকৰ চিঠিখন পঢ়ি মাকৰ চকুলো ওলাব খুজিছিল। মাকেও জানিছিল, ৰীতাৰ প্ৰণৱৰ লগত ভাল জোৰ হ'লহেঁতেন। আৰু তেখেতে বুজিছিল, সিহঁতৰ ল'ৰালিকালৰ ৰং ধেমালিয়েই গৈ যৌৱন-কালত প্ৰেমত পৰিণত হৈছিল।



জাতৰ ব্যৱধান থকা কাৰণেই প্ৰণৱ আৰু ৰীতাৰ অভিভাৱকে ল'ৰা-ছোৱালী দুটিৰ বিয়াৰ কথা কেতিয়াও নুলিয়ালে। প্ৰস্তাৱৰ তো কথাই নাই।

প্ৰণৱৰ মাকেও বুজিছিল, কিয়—বা কিহৰ বেজাৰত সি ইমান দিনে বিয়াৰ প্ৰশ্ন এৰাই চলিছিল?...

মাকৰ চকুৰেদি এধাৰি লোতক বাগৰি পৰিল।

হয়তো, সেই অশ্ৰু বিষাদৰ নাইবা আনন্দৰ।

প্ৰণৱে বিয়া কৰাবলৈ শেহত মত দিছে। মাকৰ কাৰণে ইয়াতকৈ ডাঙৰ খবৰ কি হব পাৰে?

তাৰ এবছৰ পাছত ...।

প্ৰণৱৰ বঙলাত এতিয়া নেপালী ৰান্ধনি আৰু কুকুৰটোৱেই সঙ্গী নহয়। এটা 'নতুন'ৰ সমাগম হৈছে। সেয়া হৈছে, তেওঁ নতুনকৈ বিয়া কৰোৱা স্ত্ৰী লতিকা। অসমৰ লব্ধ প্ৰতিষ্ঠ আৰু ধনী চাহ খেতিয়কৰ সুন্দৰী ছোৱালী লতিকা। লতিকাৰ সৌন্দৰ্য্যৰ বাবে প্ৰণৱে সঁচাকৈয়ে গৌৰৱ কৰিব পাৰে। প্ৰণৱৰ হেৰুৱা বীণৰ সেই পুৰণি সুৰটোৰ নতুনকৈ সন্ধান দিবলৈকে যেন আহিল, লতিকা!

লতিকা আৰু প্ৰণৱ দুয়ো সুখী।

*　　　*　　　*

শিল্পী অমৰ। প্ৰণৱৰ ল'ৰালি কালৰে বন্ধু। পঢ়াত সি চোকা ল'ৰাই আছিল। সকুৰে পৰাই তাৰ ছবি আঁকাতহে মন। সংসাৰৰ ধুনীয়া ধুনীয়া খিনিক তাৰ তুলিকাত ৰূপ দিয়া শিল্পী— অমৰ। তাৰ আঁকা-বোৰে সৰ্ব্ব-ভাৰতীয় প্ৰতিযোগীতাতো সমাদৰ লাভ কৰিছিল। সি ছবিৰ নিচাত লাগি পঢ়া-শুনা এৰিলে।... তাৰ কাম হ'ল:—দিনে নতুন নতুন ছবি আঁকা। প্ৰণৱহঁতৰ দলটোৱে পঢ়া-শুনাকে 'মোৰ' বুলি ধৰি, পাচ কৰি আহি 'ডাঙৰ মানুহ' হ'ল। --কল্পনা ৰাজ্যৰ সাহিত্যিক-শিল্পীৰ প্ৰতিনিধি দলৰ এজন—শিল্পী-অমৰ হ'ল অলপ ৰং, কেইখিলামান 'আৰ্ট-পেপাৰ', কেইডালমান 'ব্ৰাচ'ৰে কোনো এক মনোৰাজ্যৰ অধীশ্বৰ। অমৰে আঁকে। তাৰ ঘৰৰ অৱস্থা অতি স্বচ্ছল।

অভাৱ বুলিবলৈ একো নাই। ৰং, কাগজ আৰু ‘ব্ৰাচ্’লৈ সি মাহৰ পিছত মাহ কটাই দিব পাৰে। মাজে মাজে ‘বহেমিয়ান’ৰ দৰে ঘূৰি ফুৰিবলৈ বৰ ভাল পায়।

অমৰ এবাৰ গাৰোপাহাৰৰ ফালে আহিল—ছবি আঁকিবলৈ। সি আহি তাৰ এসময়ৰ বন্ধু প্ৰণৱৰ ঘৰতে উঠিলহি। আজি বহুতো বছৰৰ পিছত দুয়ো বন্ধুৰ দেখা-দেখি।

“লতিকা”, প্ৰণৱে কয়, “ই মোৰ বন্ধু অমৰ। একেলগে পঢ়িছিলোঁ। তোমাক তো ইয়াৰ কথা মাজে মাজে কৈছোঁৱেই। খুব ভাল আঁকে। আমাৰ “ড্ৰয়িং” ৰুমৰ কাৰণে কিবা ভাল কেইখনমান ই থাকোতেই অঁকাই লবা। ইয়াক বেচ্ আব্‌দাব কৰি খুৱাবা, বুজিছা?”

“অমৰ! শুন, তোক এওঁৰ লগত চিনাকী কৰি দিওঁ। এওঁ, মোৰ লতিকা। বুজিছ?” প্ৰণৱে কয়।

‘ওঁহো, নাই বুজা’ অমৰে কয়।

‘বুজিবি কিটো? খালি ৰাজ্যৰ কল্পনাবোৰ কৰি কৰি ৰংবোৰ খৰছ কৰিব পাৰ। মানে হৈছে, লতিকা মোৰ ‘মেৰেইড্ ওৱাইফ্’।

‘হেৰ’! মাত্ৰ ‘ওৱাইফ্’ বুলি কলেই যথেষ্ট নহয় জানো?’ অমৰে কলে।

লগে লগেই প্ৰণৱ, লতিকা আৰু অমৰে—একেলগে হাঁহিলে।

ইয়াৰ পাচত, প্ৰণৱ, লতিকা আৰু অমৰ।

প্ৰণৱে খনি বিষয়ক গৱেষণাৰ কামত দিনটো ঘূৰি ফুৰে। অমৰে আঁকে। লতিকাই চিলাইৰ কাম কৰে, আৰু গান গায়।

অমৰে ভাবিলে বন্ধু হলেও প্ৰণৱৰ তাত আৰু বেচি দিন থাকিব নোৱাৰি। তাতে, একে ঠাইত বেচি দিন নথকাই হ’ল—শিল্পী অমৰৰ ধৰ্ম্ম।

“অমৰ! তই কিন্তু যোৱাৰ নামকে নুলিয়াবি, এতিয়া। তই গলে মোৰ আৰু লতিকাৰ বৰ অকলশৰীয়া যেন লাগিব। ইচ্ছামতে আঁকি থাক ইয়াত। কোনেও হাতত ধৰোঁতা নাই, বুজিছ?’ প্ৰণৱে কয়।



‘তই যিমানেই নকৰ, যাব তো লাগিবই ভাই, এদিন। ‘ড্ৰয়িং ৰুম্’ৰ ছবি কেইখন শেষ কৰি পাহাৰৰ ফালে এদিন আকৌ যাব লাগিব। নতুন ছবি কেইখন মানৰ “আইডিয়া” লৈ আঁকিম। আৰু তাৰেই এখন হয়তো হব, মোৰ ‘বছৰৰ শ্ৰেষ্ঠ ছবি।’

প্ৰণৱ কেইদিনমানৰ কাৰণে—চৰকাৰী কাৰ্য্যবশতঃ বাহিৰলৈ যায়। অমৰে তাক থাকিবলৈ দিয়া ‘ৰুম’টো বন্ধ কৰি দিনৰ দনটো আঁকি থাকে। অমৰে আঁকিছে এখন ছবি। লতিকাৰ ছবি। সুন্দৰী লতিকাক অমৰৰ ছবিত বেছিকৈহে সুন্দৰী যেন দেখা গৈছে।

লতিকাই অমৰৰ হাতৰ পৰা ছবিখন ললে। ছবিখন, দাপোন এখন চোৱাৰ দৰেই সমুখত ধৰি চালে। সেইখন দেখোন এগৰাকী ধুনীয়া যুৱতীৰ ছবি।

আগতে লতিকাই ভাবিবই পৰা নাছিল যে—তেওঁ সঁচাকৈয়ে সেই ছবিখনৰ সমানেই ধুনীয়া।

“আপুনি কি প্ৰেৰণা লৈ বাৰু আঁকিব পাৰিলে মোৰ এই ছবিখন। এইখন মোৰ আৰু প্ৰণৱৰ ৰুমত ৰাখিম।

লতিকাই একে উশাহে অমৰক কৈ পেলায়।

মোৰ কাম ছবি অঁকাহে। প্ৰশংসাৰ বাবে মই, কোনোদিনে তুলিকা হাতত লোৱা নাই, বুজিছে? ছবিখন নিশ্চয় আপোনালোকৰ কাৰণেই।’

অমৰে কলে।

এনেতে প্ৰণৱ মফঃচলৰ পৰা আহি পালে।

লতিকাই অমৰে অঁকা তেওঁৰ ছবিখন গিৰীয়েকক দেখুৱালে।

প্ৰণৱে দেখিলে, অমৰে কল্পনাৰ সহায়েৰে তেওঁৰ বাস্তৱৰ লতিকাজনীক যেন সেইয়া লুপ্ত কৰি তুলিকাৰে এটি নতুন ৰূপ দিছে।

—অসামান্য ৰূপেৰে।

প্ৰণৱৰ ভাল নালাগিল।

অমৰে অকাঁ লতিকাৰ ছবিখন দেখি কিয় জানো—উদাৰ প্ৰণৱৰ আজি মুঠেই ভাল নালাগিল।

তথাপিও, প্ৰণৱ, লতিকা আৰু অমৰৰ বন্ধুত্ব দিনে দিনে বেচি গাঢ় হবলৈ ধৰিলে।

লতিকাই আজি কালি বেচি মুকলি ভাবেই অমৰৰ লগত কথা পাতে। তেওঁৰ ছবিবিলাকৰ সমালোচনা কৰে। অমৰৰ আগত গান গায়। তেওঁক মাজে মাজে প্ৰশ্ন সুধি ব্যতিব্যস্ত কৰে।

'বোম্বাইৰ একোজনী চিত্ৰ তাৰকাই হেনো অকল চুলিৰ কাৰণেই মাজে মাজে হাজাৰ হাজাৰ টকা খৰছ কৰে?' এদিন লতিকাই অমৰক সোধে।

'খৰছ কৰক নকৰক, মই কিন্তু আপোনাক সিহঁতত্তকৈ ভাগ্যৱতী বুলিম।'

'কিয়?' লতিকাই হাঁহি সুধিলে।

'কাৰণ, সিহঁতৰ একোজনীয়ে হাজাৰ টকা খৰছ কৰি যত্ন লোৱাৰ বাবে সিহঁতৰ চুলি যিমান ধুনীয়া, একো খৰছ নকৰাকৈও আপোনাৰ চুলি তাতোকৈ বেচি ধুনীয়া। অমৰে কয়।

লতিকাই শুনি মনে মনে থাকে।

* * *

অমৰৰ মন্তব্যত নাছিল কোনো অশ্লীলতা। ই এজন জীৱন শিল্পীৰ তেওঁৰ বন্ধু পত্নীৰ প্ৰতি কৰা সৰল আৰু নিৰ্দ্দোষ মন্তব্য।

লতিকাক অমৰে সন্মানহে কৰিছিল। এজন শিল্পীৰ চকুত— সুন্দৰী লতিকাৰ ৰূপ, এজনী সুন্দৰী নাৰীৰহে ৰূপ। তাতকৈ আন বেচি একো নহয়।

প্ৰণৱে কিন্তু সেই ছবিখন দেখা দিনৰ পৰাই ভিতৰি এক অজান ঈৰ্ষাত জ্বলি-পুৰি মৰিল।

* * * *

'লতিকা, লতিকা, মই জীৱনত যি পৰিমাণে তোমাক মৰম দিব লাগিছিল, বোধকৰোঁ তাক তুমি মোৰ পৰা পোৱাত ত্ৰুটি হৈছে নহয়?'



এদিন সন্ধিয়া কথা নাই, বাৰ্ত্তা নাই—প্ৰণৱে লতিকাক সুধি পেলালে।

লতিকাই শুনি একো নামাতিলে। মাথোন প্ৰণৱৰ কোলাত পৰি উচুপিলে।

কাষৰ "ৰূমটো"ত দুৱাৰ বন্ধ কৰি সোমাই আঁকি থকা অমৰে কথাষাৰ শুনি উচপ্ খাই উঠিল। সি বুজিলে যে তাৰ এই ঘৰত থকাৰ দিন শেষ হৈ আহিছে। তাৰ শ্ৰেষ্ঠ ছবিখন অঁকা হলেই সি সোনকালেই গুচি যাব।

"লতিকা, অমৰ দেখাত ধুনিয়া। তাতে সি সুন্দৰ ছবি আঁকে। হয়তো সেইবাবেই তুমি তাৰ প্ৰতি আকৰ্ষিতা হৈছা। মই ভুল বুজা নাই, অৱশ্যে তোমাক কোনোদিন—সেইবাবে।...কিন্তু,...কিন্তু লতিকা, তোমাৰ পৰা মই আশা কৰোঁ।—স্বামী হিচাবে তোমাৰ পৰা মই বহুতো আশা কৰোঁ। মোক নিৰাশ নকৰিবা, লতিকা। হয়তো তোমাকো মই ফাঁকি দিয়েই আহিছোঁ। তোমাক তো মই অন্তৰ দিবপৰা নাই, লতিকা। বুজিবা, সময়ত সকলো বুজিবা।"

নাটকীয় ভঙ্গীত প্ৰণৱে কৈ যায়।

"আজি কি হৈছে, আপোনাৰ? এইবোৰ মিছামিছি চিন্তা কৰিলে গা বেচিকৈহে বেয়া লাগিব। মোৰে শপত, আপুনি এখন্তেক শোৱক, অলপ টোপনি যাওক। ... ..."

উচুপি থকা লতিকাই ফোঁপাই ফোঁপাই গিৰীয়েকক নিচুকায়।

এটা কেচুৱা ল'ৰাৰ দৰেই প্ৰণৱ টোপনি যায়।

তাৰ পাছত এদিন চিকাৰলৈ বুলি ওলাল, প্ৰণৱ।

"লতিকা, যাবা মোৰ লগত চিকাৰ কৰা চাবলৈ? ...

"যাবৰ মন আছিল, কিন্তু। আজি গধূলি তেখেতে জুৰিৰ পাৰত গৈ শ্ৰেষ্ঠ ছবিখনত ৰং সানিব। নালাগে, দিয়া তুমি আজি চিকাৰলৈ যাবলৈ। দুয়ো-জুৰিৰ পাৰলৈকে যাম। ..., লতিকাই কলে।

প্ৰণৱে একো নামাতিলে। সি অমৰক সুধিলে, "অমৰ!

হে'ৰ অমৰ। যাবি নে মোৰ লগত চিকাৰলৈ ?"

"শিল্পীৰ কাম সৃষ্টি কৰাহে, ধ্বংশ কৰা নহয়। তথাপিও গ'লে হয়, ভাই! জান, আধা অঁকা ছবিখন পোহৰৰ আগতেই আজি শেষ কৰি আঁকি, জুৰিৰ পাৰত—সূৰ্য্যাস্তৰ ৰং চাই চাই ৰং সানি শেষ কৰিবই লাগিব।"

"বাৰু, তহঁতৰ কথাই ৰওক ... এওঁবো তোৰ শেষ ছবি অঁকা চ ৰৰ মন। যাব দিছোঁ, নিবি। ... মই আকৌ চিকাৰলৈ যে যাবই লাগিব! বলুকা-নদীৰ বনত হৰিণ নামিছে, বুলি বাতৰি পাইছোঁ।"

প্ৰণৱে গোপনে গোপনে নিজৰ ভিতৰতে কলে, — 'অমৰ, লতিকা! তোমালোকে মোক পাগল কৰিহে এৰিবা।'...

* * * *

সময় গধুলি। জুৰিৰ পাৰ। আঁকি থকা অমৰ আৰু ওচৰতে বহি থকা লতিকা।

"ছবি আৰু চিকাৰ। মই ছবিকেই বাচি ললোঁ। জানে মই জীৱনত আজি প্ৰথম তেওঁৰ অবাধ্য হলোঁ। তেওঁ মোক চিকাৰ কৰা চাবলৈ নিবলৈ ওলাইছিল। নগলোঁ। ছবি অঁকা চাবলৈ আহিবৰ বাবে অনুমতি বিচাৰিলোঁ। অনুমতি তেখেতে দিলে।" লতিকাই অমৰক কলে।

"আপোনাৰ লক্ষণ মই সঁচাকৈয়ে ভাল দেখা নাই। মোৰ বন্ধু প্ৰণৱ। তাক মই জীৱনত সুখী হোৱাটো বিচাৰোঁ— ! হয়তো, মই ইয়ালৈ অহাৰ বাবেই ক'ৰবাত কিবা খেলি-মেলি হৈ গ'ল—!" প্ৰণৱৰ কথা কৈ থাকোঁতেই "কেনভাচ"ত ৰং সানি যায়।

"ইমান ভাল আঁকে, আপুনি। সঁচাকৈয়ে আপোনাৰ অঁকাবোৰ ইমান সুন্দৰ!", লতিকাই কয়।

"লতিকাই প্ৰণৱক দেৱতাৰ দৰেই ভাল পাইছিল। অমৰক তেওঁৰ ভাল লাগিছিল এজন শ্ৰেষ্ঠ শিল্পী হিচাপেহে। যেন প্ৰণৱৰ প্ৰাণত আৰু অমৰৰ ছবিবিলাকৰ মাজতেই লতিকাই জীৱনটো কটাই দিব।



আঁকি থকা অমৰে আকৌ কলে, "মই অমৰ, মই হয়তো শিল্পী। মই কল্পনাৰ ৰাজ্যত বিচৰণ কৰিও হয়তো ওৰে-জীৱন কটাই দিম। কাৰণ, মই দুখীয়া শিল্পী নহওঁ। কিন্তু, আপুনি সংসাৰী নাৰী। আপুনি আপোনাৰ বাস্তৱ সংসাৰখন উলাই কৰি চলিলে, নহব। চলিলে, পৰিণাম বিষময় হব।

কথাখিনি কওঁতে অমৰে হয়তো ভাবিছিল, গিৰীয়েকে 'ৰুম'ত লতিকাক কৈ থকা কথা-বাৰ্ত্তা তেওঁ তো শুনিছিল। সেই কথাৰ ঢ'উৱে শিল্পীকো যে বুৰাইছিল!

লতিকাই এইবাৰ কলে, "তেনেহলে, ইমান দিনে আপুনি মোৰ প্ৰতি একো ভুল ভাব লৈ থকা নাছিল তো?"

"নহয়, কেতিয়াও নহয়। শিল্পীয়ে নাৰীৰ সৌন্দৰ্য্যৰ হে পূজা কৰে। যেতিয়া প্ৰথম আপোনাৰ তালৈ আহিলোঁ, দেখিলোঁ মোৰ বন্ধু-পত্নী বাহ্যিক আৰু আন্তৰিক—উভয় প্ৰকাৰ সৌন্দৰ্য্যৰ অধিকাৰিণী? মই যেন মোৰ 'আদৰ্শ' বিচাৰি পালোঁ—ইমান দিনৰ মূৰত। আকৌ বুলি আপোনাৰ ছবি আঁকিলোঁ। ধুনীয়া হ'ল,—অতি ধুনীয়া। তাৰ পিছত সেই লক্ষ্যকে লৈ আঁকিব ধৰিলোঁ—পিছৰ ছবিবোৰ। দিনে দিনে মোৰ ছবিও বেচি ভাল হবলৈ ধৰিলে। ..." অমৰে অনৰ্গল লতিকাক কৈ কৈ আঁকি থাকিল।

এনেতে, সকলোকে অবাক কৰি তাত আহি ওলাল—চিকাৰী প্ৰণৱ বৰুৱা।

"মই কিন্তু ভুল বুজা নাই তোক, অমৰ।" প্ৰণৱৰ মাত।

ঢলং-পলং কৰি হাতত মদৰ বটল আৰু বন্দুক লৈ প্ৰণৱ ক্ৰমে ওচৰ চাপি আহিল।

—তেওঁৰ প্ৰাণৰ দেৱতাক প্ৰথম এই ৰূপত দেখি লতিকা চমকি উঠিল।

প্ৰণৱে অভিনেতা এজনৰ দৰে আকৌ কবলৈ আৰম্ভ কৰিলে, "কিন্তু...কিন্তু...লতিকা...লতিকা, তোমাক মই ভুল বুজিও কোনো লাভ নাই। চোৰা—চোৰা লতিকা, এই 'ফটো'খন চোৰা।"

লতিকাই প্ৰণৱ আৰু ৰীতাৰ একেলগে বন্ধোৱা শৈশৱৰ ছবি খনকেই প্ৰথম বাৰৰ কাৰণে দেখি—ঈৰ্ষা আৰু বিস্ময়ত অপ্ৰস্তুত হৈ পৰিল। তেওঁৰ সংসাৰত জীয়াই থাকিবৰ শেষ আশাকণো যেন নোহোৱা হ'ল !

শিল্পীয়ে ছবিখনৰ ৰং দিয়া শেষ কৰিবৰ কাৰণে লৰালৰি লগালে।

সেই ফটোখন, আৰু সেই কথাবিলাক প্ৰণৱে ইমান দিনে—লুকাই ৰাখিছিল আৰু ঘূণাক্ষৰেও লতিকাক জানিবলৈ দিয়া নাছিল।

প্ৰণৱে আকৌ কলে, "লতিকা, 'ফটো'লৈ চোৱা। দেখিছা ! এই যে দেখিছা, এই মোৰ জীৱনৰ 'কায়া'। এই 'কায়া' মৰিল—কেতিয়াবাই মৰিল। ... তুমি মোৰ 'ছায়া' হে, লতিকা, তুমি মোৰ 'ছায়া'। 'কায়া'ত হে মোৰ মায়া আছিল, 'ছায়া'ত মোৰ মায়া নাই।... তুমি 'ছায়া'...ছায়াক গুলিয়ালে একো নহয়, লতিকা, ছায়াক গুলিয়ালে একো নহয়। ... "

লগে লগেই প্ৰণৱে বন্দুকৰ ঘোৰা টিপিলে। ...

অমৰে চিঞৰি মাৰি 'প্ৰণৱ, পাগল হ'লি, তই" বুলি বন্দুকৰ নলীত থাপ্ মাৰি ধৰিলে— কিন্তু ইতিমধ্যে লতিকাৰ মূৰলৈ লক্ষ্য কৰি মাৰিব খোজা বন্দুকৰ গুলিয়ে, জোটা পোটা লাগি অমৰৰ বুকু ভেদ কৰি গ'ল।

তথাপিও, অমৰে বাগৰি পৰাৰ লগে লগে — নিজৰ বুকুৰ তেজকেই চিয়াঁহী কৰি লৈ—আঁকি থকা ছবিখনৰ একোণত লিখিলে, 'ই মোৰ আত্ম-হত্যা...প্ৰণৱ-লতিকা নিৰ্দ্দোষী...অমৰ ...'।

শিল্পীৰ বুকুৰ পৰা বৈ পৰা তেজে ছবিখন আৰু জুৰিটোক ধুৱাই দিলে।

অমৰৰ প্ৰাণ-পখী উৰি গ'ল।...

সুন্দৰ মানুহে আঁকি শেষ কৰিব খোজা সুন্দৰ ছবি এখন—অসুন্দৰৰ খেলি-মেলিত এইদৰে আধা অঁকা হৈয়েই পৰি ৰ'ল।

# পুঠি মাছ

সিদিনা এটা ঘটনাৰ পিছত মোৰ নিজৰ ভাগ্যৰ ওপৰতেই ধিক্কাৰ জন্মিছে। অদৃষ্টবাদী মই নহওঁ। জীৱন-সংগ্ৰামৰ আৱশ্যতাক মই সম্পূৰ্ণৰূপেই বিশ্বাস কৰোঁ। নিজেও সেইমতে কাম কৰোঁ।

হয়তো, ঘটনা বুলিবলৈ সেইটো আছিল এটা সাধাৰণ কথা। ময়ো নিশ্চয়কৈ জানিছিলোঁ যে কথাটোৱে মোৰো জীৱন-দৰ্শনৰ ওপৰত কোনো স্থায়ী প্ৰভাৱ পেলাব নোৱাৰে। মোৰ দৰে ক্ষুদ্ৰ কেৰাণী এটাৰ হয়তো 'জীৱনেই' সঁচা, দৰ্শন নহয়। আমাৰ বৈচিত্ৰ্য হীন জীৱনত কত কথাই ঘটিব বা নঘটিব পাৰে। এইমাত্ৰ পঢ়ি অতোৱা চিঠি এখন, নাইবা অফিচৰ পুৰণি ফাইলৰ সিজা পুৰণি কাগজ এখনৰ দৰেই মোৰো দৈনন্দিন জীৱনৰ উত্থান-পতনৰ দিন পঞ্জীৰ মূল্য। তাতকৈ অধিক একোৱেই নহয়।

নগৰ এখনৰ এচুকতেই মোৰ ঘৰ। ঘৰৰ গিৰিহঁতনী আৰু ল'ৰা-ছোৱালী মিলি আমাৰ পৰিয়ালৰ সভ্য সংখ্যা পাঁচ। নগৰখনৰ মই কাম কৰা অফিচটোলৈ—মই থকা ঠাই 'কেৰাণী-পট্টিৰ' পৰা খোজ কাঢ়িয়েই নিতৌ অহা-যোৱা কৰিছিলোঁ।

কেৰাণী হিচাপে কামত মোৰ নাম আছিল। প্ৰমোচনৰ আশা অৱশ্যে সদায়েই খীণ আছিল। কাৰণ, 'আপাৰ-ডিভিজন'ত কাম কৰা আমাৰ অফিচৰ সতীৰ্থ তিনিজন মোতকৈ কেইমাহমানহে আগতে কামত সোমাইছে। আমি প্ৰায় সম-বয়সী। হিচাপ কৰি পাইছিলোঁ যে মই এল্ দি এ' বা ল'ৱাৰ ডিভিজন্ এচিষ্টেণ্ট্ হিচাপেই কামৰ পৰা অৱসৰ লব লাগিব। গত্যন্তৰ আৰু নাই। এই ভৱিষ্যতৰ কাৰণে মানসিক হিচাপে প্ৰস্তুত থাকিবলৈ বাধ্যত পৰিছিলোঁ। ...গতিকে, মোৰ জীৱনৰ মান-দণ্ড বা উচ্চ আকাঙ্খ্যাৰ পৰিধিও এজন সৎ কেৰাণীৰ সংসাৰৰ সীমাবদ্ধতাৰ মাজতেই আৱদ্ধ ৰাখি-

ছিলোঁ। মাজে-সময়ে মোৰ মনলৈ হতাশাৰ ভাৱ নহাকৈও থকা নাছিল। চাকৰি জীৱনত আন উপায়েৰে ধন ঘটাৰ কোনো বাহিৰা অসৎ উপায় নাইবা পথৰ পৰা সততেই নিজক আঁতৰাই ৰাখিছিলোঁ। হয়তো বাহিৰা বিষয়-বুদ্ধিৰ জ্ঞান থকা বাবেই—আৰু আজিৰ যুগত ধন ঘটাৰ উপায় জনাৰ বাবেই—মোৰ সমান একে দৰ্ম্মহা পোৱা চাকৰিয়াল হৈও তেওঁলোক আগবাঢ় গ'ল।··· মই সদায় যেন অভাৱৰ সাগৰ তীৰত পৰি থাকিলোঁ।

নৈতিকতাকেই খামোচ্ মাৰি ধৰি লৈ মই যেন ধূলিতেই লেটি লৈ থাকিলোঁ। যেন, আনে যেতিয়া মুকুতা বুটলিছিল, মই বুটলিছিলোঁ লাটুমণি।

এইবাবে অৱশ্যে মোৰ কোনো দুখ বা ক্ষোভ নাছিল। আনে এইটো কৰিছে বুলি কৈ ফুৰাতকৈ মই কি কৰিছোঁ সেই বিষয়েহে মই সজাগ হোৱা উচিত। নৈতিকতাৰ মানদণ্ডৰ-প্ৰহাৰ স্বৰূপে কিছুমান নিষ্ঠুৰ উপহাৰো নোপোৱাকৈ থকা নাছিলোঁ। নগৰখনত মইয়ো আছিলোঁ নিৰীহ কেৰাণীসকলৰ ভিতৰত অন্যতম,—যাৰ মেজত নগৰৰ বিয়া-সবাহ নাইবা ভোজ-ভাতৰ চিঠি, খুব কমেইহে পৰিছিল।

কামত নিয়মীয়া আৰু সাধু আছিলোঁ যদিও ওপৰৱালাৰ পৰা কোনো স্বীকৃতি পোৱা নাছিলোঁ। কাৰণ, চাকৰিত সোমোৱা মানেই বিধিমতে সততা আৰু নিয়মানুৱৰ্ত্তিতাৰে কাম সমাধা কৰা। নিজৰ কৰ্ত্তব্য-পালনৰ ক্ষেত্ৰত হয়তো স্বীকৃতি-অস্বীকৃতিৰ প্ৰশ্ন নুঠে। বহুতো অসাধু আৰু কামত পালমৰা বিধৰ কৰ্ম্মচাৰীৰো আকৌ উন্নতিহে হোৱা দেখা যায়। আজি কালি বহুতো ভূতেই ৰাম নাম লয় কাৰণে আচল ভূত কোন চিনা সহজ নহয়। সেয়েহে, বহুতো সময়ত উদ্ভণ্ডালি কৰিও সমাজৰ বৰ বৰ ৰৌ-মাছবিলাক তিষ্ঠি থাকে! মোৰ নিচিনা 'পুঠিমাছৰ'হে মৰণ মিলে, মানে ধন-বিষয়-সম্পত্তি আৰ্জ্জনৰ ফালৰ পৰা একো সুবিধা নহয়। যেন, কোনো ছাত্ৰই পৰীক্ষাত পাচ কৰিলে আমাৰ চকুত সেই বিচাৰেইহে প্ৰাধান্য লাভ কৰে। কোনোবাই



কেনেবাকৈ অসৎ উপায়েৰে প্ৰশ্নৰ উত্তৰ লিখি—যদি ধৰা নপৰাকৈ সাৰি যায় আৰু কৃতকাৰ্য্যতা লাভ কৰে,—তেনেহলে সমাজৰ 'বাহ্ বা' হে পায়।

মোৰ মনৰ বেদনা কাকো খুলি কব পৰা নাছিলোঁ। আনকি, মোৰ সহধৰ্ম্মিনীকো।··· স্বভাৱত তেৰেঁা মোৰেই নিচিনা। নিয়মানুৱৰ্ত্তিতাৰ নামত সাতোটা সেৱা জনায়, আৰু দূৰ্নীতিৰ নামত জপিয়াই উঠে। এইটোও জানিছিলোঁ যে বহুতো সময়ত পত্নীসকলৰ উচ্চাভিলাষৰ ফলতেই স্বামীসকলৰো উন্নতি হয়। 'উন্নতি' শব্দটোৰ মোৰ কেউকাষৰ বস্তুবাদী সমাজে যি ব্যাখ্যা দিয়ে, ময়ো সেই অৰ্থতহে ব্যৱহাৰ কৰিছোঁ। মোৰ পত্নীৰ জীৱনত 'উচ্চাকাঙ্খা' বোলা বস্তুটো কেতিয়াবা কেতিয়াবা 'নাছিল' বুলিয়েই ভাবিছিলোঁ। নহলেনো বাৰু, "বেচেৰী" ইমান অলপতেই সন্তুষ্ট থাকিব পাৰিছিল নে? পুৱাৰ পৰা গধূলিলৈকে তেওঁ 'আজুৰি আজুৰি' ঘৰৰ বন কৰিছিল। কোনো চাকৰ-বাকৰৰ সহায় নোলোৱাকৈয়ে, পোনা কেইটিৰ লালন-পালন কৰিছিল আৰু ঘৰৰ জঁাজ ভাঙিছিল। মাজতে, ঘৰুৱা কামৰ ফাঁকে ফাঁকে সুৰুঙা উলিয়াই—একোহালি দুকোহালি কাপোৰ তাঁতত বৈ,—"বাই"ৰ হতুৱাই বজাৰত বেচাই কিছু খৰচৰ পইচাও উলিয়াইছিল। মোৰ "কেৰাণীৰ অভাৱৰ সংসাৰ" খনত তেওঁ এজনী সু-গৃহিণীৰ দৰেই - দিনৌ জোৰা তাপলি মাৰি হলেও চলাই দিছিল।

* * * *

এদিন অফিচৰ পৰা ওলাই আহি ময়েই প্ৰথমতে কলোঁ, 'বুজিছা, ৰূপহাৰ মাক! আমাৰ অফিচৰ আনন্দই কলে, আজি বোলে সি দিনটোৰ ভিতৰতেই বাহিৰা দুশ টকা 'মাৰিলে'। লগৰ কেৰাণী যেতিয়া তাৰ পৰা তাৰেই এখন দহটকীয়া নোট টান মাৰি লৈ আহিম বুলিও নানিলোঁ, কিবাচোন বিবেকে বাধা দিলে।··· তোমাক কৈছোঁ, ঘৰৰ খৰছ আৰু দৰ্ম্মহাৰ ধনেৰে চলাব নোৱাৰাত পৰিছোঁ। ···কোনদিনা 'পিছল' খাওঁ, কিন্তু ঠিক নাই।'

উত্তৰত গৃহিণীয়ে সিংহিনী হৈ গৰ্জ্জি উঠিল। সংসাৰত পিছল

খাবলৈ উজু, আগবঢ়া টান। তেওঁ আকৌ কলে, "আপুনি আমাত কৈওঁ দুখীয়া গাঁৱলীয়া মানুহৰ ধন, অন্যায় কৰি সেইদৰে খালে শগুনে মৰ-চেৰেলা বুঢ়া গৰুৰ ছাল আজুৰি আজুৰি খোৱাৰ নিচিনা কথা। ... মোৰ আই বোপায়ো দুখীয়া আছিল, ময়ো দুখীয়া হৈ থাকিম। ... আপোনাক জানো মই কেতিয়াবা দুখত পৰিছোঁ বুলি কৈছোঁ? ... "

মই আগতেই জানিছিলোঁ যে অসৎ উপায়েৰে আৰ্জা টকাৰ লোভ প্ৰলোভনে তেওঁক টলাব নোৱাৰে। তেওঁ আছিল এঘৰ দুখীয়া অথচ চৰিত্ৰ থকা মানুহৰ ঘৰৰ জীয়াৰী, যি গৰাকী-ছোৱালী মোৰ দৰে কেৰানীৰ গৃহিনী হৈও আদৰ্শ-চ্যুত হোৱা নাই। পৃথিৱীৰ খবৰ মই বৰকৈ ৰাখিছিলোঁ বুলি দাবী কৰিব নোখোজোঁ। হয়তো মোৰ ঘৰৰ আৰু অফিচৰ বাতৰিৰ ভিতৰতেই সি আছিল সীমাবদ্ধ! অফিচৰ খবৰ চৰকাৰী, নকওঁ।

ঘৰৰ বতৰা হিচাপে ইমানকেই কব পাৰোঁ যে আজিৰ এই ভেঁজালৰ দিনতো পৃথিৱীৰ পৰা ভাল মানুহবিলাক লুপ্ত হৈ যোৱা নাই। সবিনয়ে কওঁ, মোৰ গৃহিনী আৰু 'স্বয়ং অধমো' তাৰেই 'জীৰ্ণ-সাক্ষী'।

অফিচত মোৰ সতীৰ্থ সকলৰ কিছুমানে মোৰ চকুৰ আৰু কানৰ আঁৰত 'বেঙা' বুলি চৰ্চ্চা কৰাও মোৰ কানত পৰিছিল। 'জলহ পিয়ন'ৰ পৰাই মই কথাটো শুনিছিলোঁ। সেইবাবে মই কোনো বেজাৰ পোৱা নাছিলোঁ। কাৰণ, আজিৰ দিনত দুৰ্নীতিত লিপ্ত হবলৈ নিবিচৰা মানুহ, সাধাৰণতে সংখ্যা লঘিষ্ঠ। দুৰ্নীতি দৈত্যৰ হাতোৰাৰ পৰা আঁৰত থাকি মই নিৰীহ স্বভাৱৰ 'মাখি কেৰানী' এটাই নৈতিকতাকেই সাবটি লৈ বহি থকা কথাটো, অন্ততঃ দুই এজন অসৎ লোকে বিদ্ৰূপ বা ঠাট্টা মস্কৰাৰ দৃষ্টিৰে চোৱা বা কোৱা স্বাভাৱিক। তাতে, সংসাৰত ভাগ নোখোৱা মানুহক ভাগ খুৱাই নিজৰ দল-ভুক্ত কৰাৰ চেষ্টা সদায়েই আছে। মই অফিচত 'সাধু' হৈ বহি থাকিলে কিছুমানে নিজক নিৰাপদ বুলি বিবেচনা নকৰে। সেইবাবেই মোৰ



তেওঁলোকৰ দললৈ টানি নিব নোৱাৰি, ঈৰ্ষাত ঠাট্টা-মস্কৰা নকৰিয়েই বা কৰিব কি? অসৎ-প্ৰাচুৰ্য্যৰ সহজ পথ এৰি, সোণ ৰূপ নেওচি, অভাৱকেই জীৱনৰ সঙ্গী বাচি লৈছিলোঁ যেতিয়া—, মোৰ দৰে এটাক তেওঁলোকে — "চালাক" বুলি অভিহিত কৰিলে—, তেওঁলোকৰ মস্তিষ্কৰ বিকৃতি ঘটা বুলিহে অভিহিত কৰিলোঁহেঁতেন।

লাহে লাহে মোৰ ঘৰুৱা অৱস্থাই দিনে দিনে বেয়াৰ ফালেহে গতি কৰিলে। বজাৰত সকলো বস্তুৰেই দাম উৰ্দ্ধগামী হৈ আহিছিল। দিনে দিনে, আমাৰ নাটা-নোজোৰা অৱস্থাহে হৈ আহিব ধৰিছিল।

মোৰ গৃহিনীয়ে উপায় নাপাই দিনে ৰাতিয়ে কাপোৰ বৈ, বেচি-ধন উলিয়াবৰ চেষ্টা কৰিছিল। বৰকৈ কাপোৰ বোৱাৰ কাৰণে অত্যধিক পৰিশ্ৰমত তেওঁৰ ভৰিৰ গাঁঠি আৰু হাতত বিষ হৈছিল। পৰিশ্ৰমৰ তুলনাত লাভ কম হৈছিল। কিয়নো, বজাৰত মিলৰ সস্তীয়া কাপোৰৰ অভাৱ নাছিল।

এতিয়া শ্ৰীমতীৰ ঔষধ কিনাৰ কথাও চিন্তা কৰিব লগাত পৰিলোঁ। এটা সমস্যাই যেন আন এটা সমস্যাৰহে জন্ম দিলে। গাখীৰৰ দাম বাঢ়িবলৈ ধৰাত, পোণাহঁতৰ গাখীৰত মিহলোৱা পানীৰ পৰিমাণো দিনে দিনে বাঢ়ি গ'ল।

অভাৱৰ বাগি-কুঠাৰে আমাৰ জীৱন-বৃক্ষত বাৰুকৈয়ে ঘাপ দিলে। আমি কোনোমতেহে বাগৰি নপৰাকৈ থাকিলোঁ। মই আগতেই কৈ আহিছোঁ যে কেৰানী হলেও জীৱনৰ সততা-পূৰ্ণ সংগ্ৰামৰ ওপৰত আমাৰ সবল আৰু সৰল আস্থা আছে। সংসাৰ চলোৱাৰ যন্ত্ৰনা, আৰু দাৰিদ্ৰ্যৰ জুয়ে, পোৱা-সোণৰ দৰে আমাৰ সেই বিশ্বাস দিনে দিনে বঢ়াইহে তুলিছিল। সঁচা কথা, আমি কেতিয়াবা আধা-পেটীয়াকৈ থাকিব লগাত পৰিছিলোঁ। বজাৰৰ ৰৌ-মাছৰ পেটি কিনাৰ কথা তেতিয়া আমি কল্পনাই কৰিব পৰা নাছিলোঁ। মাজে মাজে আগাৰ চকুৰ তললৈ "জালো" নগৈছিল। বহুতো সময়ত মোৰ সাত বছৰীয়া ছোৱালীজনীয়ে স্কুলৰ পৰা আহিয়েই বাৰীৰ কঁচু-ঢেঁকীয়া বোটলাতেই ব্যস্ত থাকিব লগাত পৰিছিল।

মাজে মাজে ভাবিছিলোঁ—প্ৰভো ! সৎ মানুহ বিলাকক তুমি জানো চিৰদিন দুখেই দি থাকিবা ? পৰকালত হেনো সুখ দিবা। আমাৰ যে জ্বলন্ত বৰ্ত্তমান স্বৰূপ, ইহ-কালতহে বিশ্বাস, দয়াময় !···

ভগবানে আমাৰ প্ৰাৰ্থনা নুশুনে। শুনিব কেনেকৈ ? মানুহে বন্ধা, দৰমহাৰ যি নিৰিখ, সি সেই হাৰতহে বাঢ়িব ! ওপৰৰ পৰা জানো একে দিনাই 'সোণৰ সোলেং' সৰিব ?

মাজে মাজে 'লটাৰীৰ টিকট' কিনাৰ কথা ভাবোঁ । নোৱাৰোঁ। 'মাহিলী বাজেটে' নাটানে। আমাৰ জীৱনটোৱেই দেখোন হৈ পৰিছে 'লটাৰীৰ টিকট'। আন টিকট কিয় লাগিছে ? নেতাই যিমানেই উপদেশ নিদিয়ক লাগে, মোৰ দৰে অৱস্থাৰ লোকে সাধু উপায়েৰে আৰ্জ্জি আজিৰ দিনত সংসাৰত চলা টান।··· আমাৰ দৈনন্দিন জীৱন-যাত্ৰা যেন একো একোটা শিশু-কৃষ্ণহে। আৰ্থিক জৰীৰে তাক যেন উৰালত বান্ধিবৰ চেষ্টা চলাই আছোঁ। কিন্তু হাঁয়। সেই জৰীত অভাবৰ কৃষ্ণ-মায়া লাগিছে। যেন, 'তথাপি আঙ্গুল দুই নাটে'।

পৃথিৱীৰ সকলো ব্যৱসায়ৰে ভিতৰত, ব্যক্তিগত ভাৱে স্কুল-কলেজৰ শিক্ষক অধ্যাপক সকলৰ প্ৰতিয়েই মোৰ অধিক ভক্তি আছিল। ভাবিছিলোঁ, এওঁলোকেই বেচ্ সুখী। দুৰ্নীতি নাই যদিও অভাৱো নাই।

কথা-প্ৰসঙ্গত এদিন মই শ্ৰীমতীক কলোঁ, "চোৱাচোন। তোমাৰ ভায়েৰা নলিনী 'প্ৰফেছাৰ'ৰ কথাই ধৰা, কিমান সুখত আছে ! পঢ়ে, পঢ়ায় আৰু দৰমহাও কম নাপায়।"

উত্তৰ স্বৰূপে তেওঁ লাহেকৈ গাৰু-তলৰ পৰা উলিয়াই, সেই দিনাই ভায়েক নলিনীৰ পৰা পোৱা চিঠি এখন মোৰ হাতত আনি পঢ়িবলৈ দিলে।

আন কথাৰ মাজতেই চিঠিখনত খুলশালীটোৱে বায়েকলৈ লিখিছিল ··, বুজিছা, বাইদেউ ! নগৰৰ মোৰ এই বেচৰকাৰী কলেজৰ কাম এৰি গাঁৱৰ ঘৰলৈ যাব নোৱাৰাৰ কাৰণে আয়ে



কিমান বেজাৰ পাইছে, ছাগে। ধুৰূপ জানিবা, গাঁও মই পাহৰা নাই···। মই জানো যে কলেজৰ শিক্ষক হিচাপে মই মিছা কথা কোৱা বা লিখা উচিত নহয়। আইৰ ক্ষেত্ৰত, কিহে মোক অসত্য কথা লিখিবলৈ বাধ্য কৰিছিল, জানা ? সমাজত আমাক বহুতেই হয়তো 'ক্ৰীম্' বা 'মাখন' বুলি ভাবে। পিছে, আমিও কিয় বাৰু 'ভেঁজাল' হব লগা হৈছে, বাইদেউ ?···

···বাইদেউ ! মোৰ হৈ আই লৈ ক্ষমা খুজি চিঠি এখন লিখিবা নে ? লিখিবা, তেখেতৰ "প্ৰফেছাৰ পুতেকে" দৰাচলতে যোৱা-বছৰত সি মাকলৈ লিখা মতে—ছুটি নোলোৱা আৰু কলেজৰ কামত মহা ব্যস্ত থাকিব লগা হোৱা— দুয়োটাই মিছা কথা আছিল। দৰমহাৰ টকা কেইটাৰে নগৰৰ ঘৰ ভাড়া দি আৰু মাহিলী খোৱা খৰচৰ অন্তত তাৰ সঞ্চয় বুলিবলৈ প্ৰতি মাহেই 'শূন্য সংখ্যা' থাকেগৈ।··· ঘৰৰ আৰু সমাজৰ আগত মনৰ আৰু পদবীৰ জোখাৰে —গাঁৱৰ ঘৰত সি ভৰি দি বৰ্ত্তমানে তাৰ দুৰ্ব্বলতা ঘোষণা কৰাতকৈ সি 'পলায়ন'কেই শ্ৰেয় বুলি ভাবিছিল।

আৰু লিখিবা, বাইদেউ ! ··· তেখেতৰ শিক্ষিত পুতেকে বুজে যে তাৰ শাৰীৰিক উপস্থিতিত তাৰ মাকে নিশ্চয় ৰং পালেহেঁতেন। আইহঁতৰ বিচাৰত, মোৰ দৰে কলেজৰ অধ্যাপকৰ প্ৰতি ধাৰণা কৰা সন্মান সদায়েই নত-শিৰ হৈ থাকক। মাত্ৰ এশ টকা মাহে দৰমহা পোৱা অথচ মাহে তিনি-চাৰিশ টকা 'ঘোচ্'খোৱা আমাৰ গাঁৱৰ সেই বিষয়া গঙ্গাই গাঁৱৰ ষৰত এসপ্তাহ বহি অলী-বলীকৈ খৰচ কৰিব, আৰু মই 'প্ৰফেছাৰে' হীন বুলি ভাবি বহি থাকিম ? আমাৰ সমাজৰ আৰ্থিক বিবেচনাৰ শ্ৰশ্নৰ ফালৰ পৰা মোৰ আয়ে আৰু মোৰ গাঁৱৰ মানুহবিলাকে তেওঁকেই মোতকৈ শ্ৰেষ্ঠ বুলি ভবাটো স্বাভাৱিক।···আমাৰ আজিৰ সমাজৰ বিচাৰৰ মান-দণ্ড 'কোনে কিমান ধন আৰ্জ্জিব পাৰিছে', সেই দৃষ্টিৰেহে নিৰূপিত। কোনে কিমান সু-চৰিত্ৰৰ অধিকাৰী হব পাৰিছে, সেই কথা কোনেও নাভাবে,··· কোনেও নিবিচাৰে। ···

··· বাইদেউ ! আইক জনাবা যে মোৰ মিছা-কথা একেবাৰেই

নির্দ্দোষ আছিল। কিয়নো, ইয়াৰ পৰা আঢ়ৈশ কিলোমিটাৰ দূৰ অৱস্থিত আমাৰ আইৰ ঘৰলৈ গৈ টকা পইচা খৰচ কৰাতকৈ, সেই খৰচ বচাই আইলৈ মাহে মাহে ধন 'মনি অৰ্ডাৰ' যোগে পঠাই আছোঁ। ... পুত্ৰ-ধনতকৈও আজিৰ সমাজত ধনৰ মৰম কম বা নহয় ...। আৰু লিখিবা, মই অলপ অলপকৈ পইচা গোটাইছোঁ পূজাৰ বন্ধত আইক চাবলৈ এইবাৰ নিশ্চয় গাঁৱলৈ যাম ...।...'

খুলশালীৰ চিঠি পঢ়ি মোৰ চকু যেন এতিয়াহে মুকলি হ'ল।... উপলব্ধি কৰিলোঁ, পৃথিৱীখন ভালদৰে চলিবলৈ হলে এজন সাধু শিক্ষক বা এজন সৎ-কেৰানীৰ আৱশ্যকতা সদায়েই থাকিব।...

# মাউৰ

ঃককাইদেউ! আপুনি সোনকালে গাওঁ এৰি যাওকগৈ। লখিমীয়ে মোক যেন কাতৰ স্বৰে কলে।

লখিমী মোৰ ভনী নাছিল—যদিও মোক তাই ককাইদেউ বুলি 'সম্বন্ধ' ধৰি মাতে। তাই মোৰ কাৰণে একো 'সম্বন্ধ'ৰ নহলেও যেন, 'সকলো।'

ঃ গাওঁ এৰি মোক যাবলৈ কৈছা, লখিমী?...

ঃ এনেয়ে নকলোহেঁতেন। কবলৈ বাধ্য হৈছোঁ।...

ঃ আঘোণ মাহ। পথাৰত পকা ধানে বিঙিয়াবৰ মাহ। এনে দিনত প্ৰাণৰ ভয়ত নিজৰ আই, কুটুম ভৰা গাওঁ এৰি মই কোনো-মতেই নাযাওঁ।

নকলেও হব যে 'কুটুম' শব্দটো কোৱাৰ লগে লগেই মোৰ আমঠু ক'লা পৰি গৈছিল। লখিমীয়েই মোৰ কুটুম, হৃদয়ৰ অতিকৈ আপোন।

লখিমীয়ে 'বধ শপত' দিলে। এসোঁতা কান্দি ললে। আৰু অভিমান কৰি পুনঃ পুনঃ মোক গাওঁ এৰি নগৰলৈ যাবলৈ 'জয়দেউ কাকুতি' কৰিবলৈ লাগিল।

মোৰ মনত অতীতৰ সকলো কথাই যেন সপোনৰ দৰে মনত পৰিছে। নৈ পৰীয়া গাৱঁৰ ল'ৰা মই। গাৱঁৰ কোমল প্ৰকৃতিৰ মাজতেই ডাঙৰ-দীঘল হৈছিলোঁ। আৰু লখিমীৰ লগত উমলি-জামলি ডাঙৰ হলোঁ।

লখিমী আজি পাট-গাভৰু, আৰু মই গাৱঁৰ স্কুলৰ জপনা চেৰাই নগৰৰ কলেজত পঢ়া ডেকা ছাত্ৰ।

আমাৰ প্ৰেম, দিনৰ পোহৰৰ দৰেই পৰিস্কাৰ আৰু ভোটা-তৰাৰ দৰেই উজ্জল। তাত কোনো 'ভাঁজ-ভুজ' নাছিল। তাই আছিল

এজনী গুৱনী আঁজলি আৰু উঠন গাভৰু। মই কলেজ-বিশ্ববিদ্যালয় এৰাৰ পিছত নিজৰ জীৱিকাৰ উপায় ওলালেই তাইক বিয়া কৰাম —এই কথাটো সকলোৱেই জানিছিল। এটি পবিত্ৰ ব্যৱধানত থাকি আমি উভয়ে উভয়ৰ কাৰণে যেন যৌৱন আৰু ভৱিষ্যতৰ আশা সঞ্চয় কৰিছিলোঁ। সময়ত যদিও মই গাওঁ এৰি নগৰত গৈ পঢ়িছিলোঁ—লখিমীৰ বাহিৰে আন কোনো ছোৱালীয়েই মোৰ অন্তৰত ঠাই পোৱা নাছিল।

সময়ত লখিমীয়েও এম্-ভি পাছ কৰিলে। আৰু তাঁত-সূত ঘৰুৱা কাম-বনত চকু দিলে। ডাঙৰ কিন্তু নিকা আখৰেৰে মোলৈ পৃষ্ঠাই পৃষ্ঠাই চিঠি দিলে, আৰু মোৰ প্ৰতি থকা প্ৰেমৰ মাজেদি তাইৰ, গাওঁ খনলৈ থকা প্ৰেমো চিঠিৰ ছত্ৰে ছত্ৰে ফুটি উঠিছিল। তাই মোলৈ মাজে মাজে লিখিছিল···'আপুনি' আৰু মাজে মাজে 'তুমি' সম্বোধন কৰি।···

এবাৰ মনত আছে লখিমীৰ চিঠিৰ এশাৰী······ 'ককাইদেউ! নগৰত হেৰাই নাযাব। তোমাৰ 'অঞ্জলীজনী'ক আৰু এই 'এচমকা' গাওঁ খনক কেতিয়াও পাহৰি নাযাবা।···'

মোৰ লখিমী আৰু মোৰ গাওঁ। অভিন্ন··। সেয়েহে গাৰঁত বিপদ হোৱাৰ বতৰা পাই, লখিমীৰ, মোৰ আৰু লখিমীৰো পৰিয়ালৰ বিপদ হব পাৰে বুলি ভাবি চুটি লৈ কলেজ এৰি গুচি আহিলোঁ। গাৰঁৰ বিপদৰ ঢৌ আঁতৰিলেই আকৌ মই—নগৰলৈ পঢ়িবলৈ যোৱাৰ কথা। লখিমী জনীৰ কিন্তু নেৰা-নেপেৰা অনুৰোধ। এতিয়াই··· এতিয়াই · মই গাওঁ এৰি হেনো গুচি যাব লাগে।

মোৰ আইলৈ মনত পৰিল। একমাত্ৰ বাঁৰী আইৰ মই চকুৰ মণি। বিপদ যেতিয়া আহে, মানুহ তেতিয়া প্ৰিয়জনৰ সৈতে কোনো এক নিৰাপদ দূৰত্বলৈ পলাই যাব খোজে। হয়তো মানুহৰ অন্তৰত ভগৱানে এই ভাৱ অজান ভাবে সুমুৱাই, 'যঃ পলায়তি, স জীৱতি।' ···গাৱঁৰ এই বিপদৰ পটভূমিত মই আন সকলো চিন্তা সদ্যহতে



বাদ দি আই আৰু লখিমীকেই লৈ নগৰলৈ গুচি যোৱাৰ কথাই চিন্তা কৰিলোঁ।

ৰাতি আইক কথাকো কলত, 'গিজ্-গিজাই' মোক দবিয়াই উঠিল! তোৰ মুখত আজি এনে কথা ফুটি ওলাইছে। এক গাওঁ আৰু এক 'মাও'। এই গাওঁ য'ত মোৰ 'চোৱামী' আৰু তোৰ-মোৰ উপৰি পুৰুষে হাড় পেলাইছিল, প্ৰাণৰ ভয়ত তাক এৰি গুচি যাম কাপুৰুষৰ দৰে? পঢ়ি-শুনি তই তাকে কৰ?···' মৰিলে মৰিম। এনেদৰে ৰাইজৰ লগতে মৰাটোৱেই মোৰ "স্বৰ্গ-সুখ"।···

আইক কোনোমতেই 'বলাব' নোৱাৰিলোঁ।

গাৱঁত বিপদৰ মাত্ৰা দিনে দিনে বাঢ়ি আহিবলৈ ধৰিলে।

আয়ে চকু পানী মচি মচি ক'লে, ঃ সোণ! তই আজিয়েই যাগৈ। আমাৰ কাৰণে নেভাবিবি। পঢ়া-শুনা এনেয়ে 'খতি' হৈছে, তোৰ।···'

যদিও আয়ে মোক মুখ ফুটাই একো কোৱা নাছিল, আইৰ চকুত এটি ভাব ফুটি ওলাইছিল, সোণ তই মোৰ বংশৰ প্ৰদীপ। গাৱঁত বিপদৰ মাজত তয়ো-জাহ যাব লাগিলে বংশৰ শলিতা গছিয়েই যে নুমাব। যা বাছা! ···তই···যা···। মাতৃৰ যেন একমাত্ৰ পুত্ৰৰ কাৰণে ভগবানৰ ওচৰত করুণ প্ৰাৰ্থনা।— লখিমীয়েতো 'নেমাতি নুবুলি' অভিমানতেই 'বাউলী'। মই আইৰ কথা হেনো শুনা নাই। গাৱঁৰ বিপদৰ 'দহ্-দহীয়া' জুই কুৰাৰ অণ্ঠাৰ মাজতেই আছোঁ। নগৰলৈ গাওঁ এৰি গুচি যোৱা নাই।

এদিন পুৱা মই লখিমীক প্ৰস্তাৱ দিলোঁ···'যাওঁ, ব'লা।' লখিমীয়ে কান্দিলে। কোনো মতেই হেনো তাই নাযায়। মোক খংহে কৰিলে। কলে, কিয় যাব তাই মোৰ লগত? গাওঁখনৰ সমাজে কি বুলিব। তাইৰ লগত তো মোৰ বিয়া এতিয়াও হোৱা নাই? তাতে, তাই ক'লে; বুজিছে, আপোনাৰ কাৰণে এজনী 'লখিমী' মৰিলে আন এজনী সহজেই পাব, কিন্তু আপোনাৰ বিপদ হলে আপোনা-লোকৰ আয়ে কেনেকৈ বুকু জুৰাব?··

বেছি লিখা-পঢ়া নাজানিলেও ছোৱালী জনীৰ আছিল সবল আৰু পোনপতীয়া যুক্তি। যুক্তি যেতিয়া নিঃস্বাৰ্থ আৰু নিস্কলুষ হয় তেনে যুক্তিয়ে গা কৰি উঠে।

শেহত আই আৰু লখিমী কাকো গাৱঁৰ পৰা লৈ পলোৱাৰ কথা—কাৰ্য্যকৰী হৈ নুঠিল। আৰু, ময়েই এদিন যাবলৈ বাধ্য হলোঁ।

গাৱঁত তেতিয়া বিপদ অকণে কমা নাছিল।

কলঙৰ পাৰে পাৰে দীঘ-লেচেৰীয়া চানেকীৰ মোৰ গাওঁখন। পথাৰ ভৰা ধান আৰু বাৰীত তামোল-পান।··· আঘোণ মাহটো আহিছিল। মানুহে ন-খোৱাৰ কথা ভাবিছিল। পথাৰত কাঁচি চলিছিল। কাঁচিৰ শব্দ শুনি ফৰিংবিলাকে জপিয়াইছিল···আৰু ধান কটাৰ চেপে্‌চেপে দাৱনীৰ গাৰ ভাজবিলাক অপূৰ্ব্ব যেন লাগিছিল।

মই সাহিত্যক বা লিখক নহওঁ। মোৰ গাৱঁৰ কথা লিখি 'কবিতা' ৰচিব মই খোজা নাই। আমাৰ গাৱঁতো দেশৰ অভাৱ-অনাটনৰ সুৰ আপুনি শুনিবলৈ পাব। মানুহৰ জীয়াই থকাৰ লালসা আৰু অন্তৰ্দ্বন্দৰ মাজত পথাৰৰ পকা ধানে অলপ আশাৰ ৰং সানিছিল। সেই 'ৰঙ'ত যেন এচপৰা আহাৰৰ কলীয়া ডাৱৰৰ ছাঁ পৰিল। আঘোণৰ বতৰত আহাৰৰ অকাল-প্ৰৱেশ।

গাওঁখনত এদিন হঠাৎ 'মাউৰ' তথা 'কলেৰা' আৰম্ভ হ'ল। দূৰৰ ঢৌ আহি ওচৰ পালে। মানুহে কলেৰা হোৱাৰ কথা শুনিছিল যমুনা-মুখৰো বহুত দূৰৰ গাওঁবিলাকত। হয়তো, পানীয়েদি ভটীয়াই আহি আহি কলেৰা ৰাক্ষসিণীৰ বীজে আমাৰ গাৱঁত 'ধৰিলে।'···

প্ৰথমতে, 'ধেৰৰ' গ'ল··· । ভেদ-বমি হৈ 'বামুনা কাই'ৰ ঘৈণীয়েক ঢুকাল।··· তাৰ পিছত, 'জুৰমনৰ মাক', 'শলিয়া'ৰ পুতেক···আৰু খহুৱাৰ গাভৰু জীয়েক। ৰাতিটোৰ ভিতৰতে হাতীটো'ৰ দৰেই মানুহ প্ৰথমতে দিনে এটা দুটাকৈ, পিছত চাৰি পাঁচটাকৈ আৰু শেষত আধা ডজন, এক ডজনকৈ মৰিবলৈ ধৰিলে। গাওঁখনৰ মৰিশালীৰ জুই নুনুমোৱাত পৰিল।

মই লখিমীৰ পৰা বতৰাটো পায়েই গুচি আহিছিলোঁ, নগৰৰ



পৰা। লখিমীয়ে অৱশ্যে মোক কেতিয়াও আহিবলৈ লিখা নাছিল। গাওঁখনত যি হয় নহয়, কাৰোৱাৰ আঙুলিৰ মূৰটো তপত হলেই মই লখিমীৰ চিঠিৰ পৰা গম পাওঁ।

গাওঁখনত সাত দিন থাকিলোঁ।···

এই কেইদিন মোৰ কিছু অভিজ্ঞতা হৈছিল। গাৱঁৰ প্ৰিয়-পৰিজনৰ মৃত্যুৰ হাৰ ইমান বেচি হৈছিল যে শ্মশানলৈ যাওঁতে আমাৰ কান্দিবলৈকো সময় হোৱা নাছিল।

ৰাতি 'খৰালিৰ মৰি কলং' যেন নৈ খন জিৰ্‌জিৰ্‌কৈহে বৈ গৈছিল। নদীৰ সিপাৰে ঔ-তল বিলাকত যেন যখিনীয়ে হাঁহিছিল। কলেৰা বা হাইজাই যেন সংহাৰিণী দেৱী ৰূপেহে গঞাৰ মনত ঠাই পাইছিল। পানী গৰম কৰি খোৱা, মাখি পৰা বস্তু, হাইজাৰ বীজাণুৰে দূষিত বস্তুবিলাক নাখাবলৈ আৰু পটাচ পানীৰে শাক পাছলি ধুই খাবলৈ আৰু পৰা পক্ষত মাছ আদি নাখাবলৈ গঞাক নগৰৰ ডাক্তৰে 'ভান'ত উঠি আহি মাজে মাজে বুজাইছিল। দিনৰ ভিতৰতেই ডাক্তৰ-সকল 'ভান'ত উঠি নগৰৰ নিৰাপদ ঠাইলৈ গুচি গৈছিল।

কিছুমান গাৱঁলীয়া ডাক্তৰ সঁচাকৈয়ে ৰাইজৰ কামত লাগিছিল। আৰু 'চেলাইন ইন্‌জেক্‌শ্যান' নে কি মাৰি বহুতকেই যমৰ দুৱাৰ দলিব পৰা ওভোটাই আনিছিল। কিছুমান অখ্যাত তথাকথিত ডাক্তৰো সেই কেইদিনত বিখ্যাত হৈ উঠি টকা ঘটিছিল।···

ৰেলৰ ডবাত মই চিন্তা কৰি বহি আহিলোঁ। এখন চলন্ত ৰেল-গাড়ী আৰু মোৰ উৰণীয়া চিন্তা।··· মই মাউৰৰ গ্ৰাসত এৰি অহা মোৰ গাওঁখন, ৰেল-গাড়ী খনৰ সিফালে দেখাত ক্ৰমে এটা বিন্দুত পৰিণত হৈ শেহত একেবাৰেই চকুৰ আঁৰ হ'ল। মাথোন মোৰ মনৰ চকুত ভাঁহি উঠিল সেই দুৰ্ভগীয়া গাওঁখন আৰু মোৰ আইৰ আৰু লখিমীৰ মুখ-ছবি। লগে লগেই মনত পৰিল, সেই গাওঁ বিলাকলৈ, যিবিলাকৰ লগত গাৱঁখনত একেলগেই উঠিছিলোঁ,— আৰু যিবিলাকৰ ভালেমান, মাউৰৰ গৰাহত মোৰ গাওঁ তথা পৃথিবীৰ পৰা একেবাৰেই নোহোৱা হৈ গৈছে।

মোৰ চকু সেমেকিল আৰু হিয়াখন গধুৰ হৈ শোকে খুন্দা মাৰি ধৰিলে।

এনেতে, ৰেলৰ এজন যাত্ৰীয়ে মোক মাত লগালে, ঃ আপুনি ক'ৰ পৰা আহিছে ?

উত্তৰত মই ক'ৰ পৰা আহিছিলোঁ—আৰু ক'লৈ যাম কলোঁ।

মোক প্ৰশ্ন কৰা ভদ্ৰলোক জনে 'গৰম চুট্' আৰু 'নেক্টাই' পিন্ধি আছিল। বুজিব পাৰিলোঁ—তেওঁ এজন ডাক্তৰ। কাৰণ, তেওঁৰ 'ডাক্তৰী বেগটো'ত, ষ্টেথিছস্কোপ্ ডালৰ মূৰ এটা ওলাই আছিল।

ডাক্তৰ জনে কথা প্ৰসঙ্গত অসমৰ কলেৰাৰ ভয়াবহতাৰ কথা কলে; আৰু তেওঁৰ লগত কথা-বতৰাৰ কালছোৱাত উক্ত ৰোগ আৰু বীজাণুৰ বিষয়ে মোৰ কিছু ডাক্তৰী জ্ঞান লাভ হ'ল।

ডাক্তৰ জনে কলে, ঃ বুজিছে ? অলপতে এখন "ডাক্তৰী জাৰ্ণেলত" পঢ়িলোঁ আমেৰিকাত কলেৰা নিৰাময় তথা আৰোগ্য কৰিব পৰা এবিধ অধিক কাৰ্য্যকৰী বেজী উলিয়াইছে। তেওঁলোকে তাত শতকৰা নব্বৈ জনৰ ক্ষেত্ৰত 'শুভফল' পাইছে।...

ভদ্ৰলোক জনৰ লগত এই কথা বিলাক পাতি যাওঁতে মাজে মাজে সৰুতে "স্বাস্থ্য-ৰক্ষা" কিতাপত পঢ়া ডাক্তৰ কক্ চাহাবৰ মুখৰ ছবিখন মোৰ মানস পটত এবাৰ নকৈ ভাঁহি উঠিল।

মনতে ভাবিলোঁ, ইউৰোপ-আমেৰিকাৰ মানুহে কথাতকৈ কাম বেচি কৰে।

নগৰৰ কলেজত ভৰ্ত্তি হলোঁ আকৌ। কলেজলৈ ছাত্ৰ হিচাপে অহা-যোৱা চলিবলৈ ধৰিলে, পূৰ্ব্বৰ দৰেই। নিতো বাতৰি কাকতৰ পৃষ্ঠাত চকু ফুৰাবলৈ ধৰিলোঁ। পঢ়িলোঁ,—আমাৰ গাওঁখনত কলেৰা মহামাৰীৰ প্ৰকোপ অকণো কমা নাই।

কেইদিন মানৰ পিছতেই লখিমীৰ পৰা চিঠি পালোঁ। আন কথাৰ লগতেই লিখিছে...'ভগবানক চুলি চিঙি প্ৰাৰ্থনা কৰি আছোঁ যেন তোমাক আৰু তোমাৰ আইক কুশলে ৰাখে। আই আৰু মই ভালে আছোঁ...। গাৱঁত মাউৰ অকণো কমা নাই...। যিবিলাক এই



কেই দিনত সিপুৰীলৈ গ'ল... 'লিষ্ট' নিদিওঁ। জানো, মনত কিমান দুখ পাবা।... গাৱঁৰ ধাননিৰ ওচৰৰ বতাহ...নদীৰ পৰা বৈ অহা চেঁচা বতাহ নিশাৰ নিজম আন্ধাৰ... আৰু শিয়াল ফেউৰাৰ চিঞৰ গোটেইবোৰে যেন ঘোষণা কৰিছে.. মাউৰে গাওঁ 'উছন' কৰিহে এৰিব। ...ককাইদেউ ! আজি কুৰিমান বছৰৰ আগতে এইটো হয়তো সম্ভৱ আছিল।... আজি কালি স্বৰাজ পোৱাৰ পিছতো বিজ্ঞানৰ ইমান প্ৰগতিৰ দিনত আমি জানো সচাইয়ে কীট পতঙ্গৰ দৰেই মৰিব লাগিব ? পৃথিবীত কোনোবাই 'ৰকেট্' উৰুৱাইছে . 'জোনবাইৰ দেশ'লৈ যোৱাৰ সপোন দেখিছে আৰু ইফালে তোমাৰ গাওঁখনত বহুতৰ লগতেই হয়তো নিঃসহায় ভাৱে—'লখিমী' বুলি সাধাৰণ গাৱঁলীয়া ছোৱালী এজনীৰো জীৱন ৰক্ষা নপৰিব "মাউৰ"ৰ গৰাহৰ পৰা।...

.. ককাইদেউ ! গাৱঁৰ মানুহবিলাকে নিজ গাৱঁত পৰি মাথোন নাম-প্ৰসঙ্গৰ মাজতেই নিজক 'বুৰাই' ৰাখিছে ?... সিদিনা ৰাতি দহ বজাত গাৱঁৰ মাজৰ আলিয়েদি ডেকাহঁতে বাট-নাম পাতি 'কলেৰা দেৱীক' ঘূৰাই পঠাব খুজিছিল। পুৰা সেই মাহ-চাউলকে খাইছিল সকলোৱে ভগাই। মোৰ ভাগৰখিনি মই কিন্তু নাখালোঁ ককাইদেউ ! কিয় জানা ? ভয় কৰিলোঁ। তুমি কলেৰাৰোগৰ 'বীজানু'ৰ কথা কৈছিলা নহয় ? আৰু কি জানা ? পৰহি ৰাতি মোৰ পেটটোৱে এনেয়ে অলপ ভোৰভোৰাইছিল। সাধাৰণতে মানুহৰ তেনে হয়েই। মই কিন্তু অলপ ভয় খাইছিলোঁ। কিয়নো, 'মাউৰ' চলি থকা অৱস্থাত এই সাধাৰণ কথা বিলাকতেই বুকু চিৰিং কৈ উঠে। তাতে, লখিমীয়ে 'নাৰায়ণক'— মোৰ গোসাঁইক, মানে তোমাক লাভ নকৰাকৈ জানো মৰিবলৈ বাঞ্ছা কৰে ?... উত্তৰ দিবা।'.. ইতি...

—লখিমী—

* * * * *

চিঠিখন পঢ়ি উঠাৰ পিছত মোৰ মনলৈ বহুত প্ৰশ্নই আহিছিল। মোক নিজকেই বহুত সৰু যেন লাগিছিল লখিমী আৰু আইৰ তুলনাত।

ভাবিলোঁ, আমাৰ মাজত পলৰীয়া মই আৰু বক্তৃতাৰ ফুলজাৰি মৰা ৰেলত লগ পোৱা সেই ডাক্তৰজনৰ পৰা সমাজৰ কাম নহব। কিয়নো সমস্যাৰ মাজত জপিয়াই পৰি ৰাইজৰ মাজত থাকি ৰাইজৰ দুখ দূৰ কৰাত আমি নাই। সমস্যাৰ পৰা, যি সমস্যাত আমাৰ নিজ নিজ জীৱনৰ সংশয় আছে, আমি ফাঁকি দি নিজকেই সদায় আঁতৰাই ৰাখিছোঁ। আৰু হয়তো এইবাবেই ভাৰতবৰ্ষত কলেৰা-মহামাৰী আজিও অতীতৰ বস্তু হব পৰা নাই। হয়তো আমাৰ দৰে শিক্ষিত অৰ্থাৎ তথাকথিত শিক্ষিত বিলাকেই দেশক ঠগিছোঁ···। লগতেই ভাবিছোঁ, 'আই' আৰু 'লখিমী'হঁতেই আমাৰ প্ৰকৃত সভ্যতা-সংস্কৃতিৰ বাহক, যি 'জাগ্ৰত বৰ্ত্তমান' এই সমস্যাৰ মাজত সোমাই মাউৰৰ মাজত উছন হৈ যাব খোজা এখন গাৱঁৰ মাজতো অতীতৰ পৰম্পৰাক জীয়াই ৰাখিব খুজিছে।

আকৌ এখন চিঠি আহিল।···লখিমীৰ। লিখিছে···ককাইদেউ! গাৱঁত এতিয়া ধুমুহাৰ পিছত নিস্তব্ধতা। আমাৰ গাওঁ এৰি এতিয়া মাউৰ আঁতৰি গৈছে।··· ● ●

# অনুষ্ঠান

নগৰখনৰ পশ্চিমফালৰ সেই চুবুৰীটোত পুথিভঁড়াল এটা স্থাপিত হোৱা কেইবছৰ মানেই পূৰ হোৱা নাই। দুজন পেঞ্চন-প্ৰাপ্ত কৰ্ম্মচাৰী আৰু কেইজনমান উদ্যোগী ডেকাৰ যত্নত পুথিভঁড়ালটো পতা হৈছিল। মূলতঃ তেওঁলোকৰ আঁচনি আৰু পৰিকল্পনা ভালেই আছিল। কিন্তু ··· ।

পৃথিৱীত বহুতো কথা এই 'কিন্তু'টোৰ পৰাই হৈ নুঠে। সেই সুৰতেই কওঁ, পুথি-ভঁড়াল স্থাপনৰ সময়ত উদ্যোক্তাসকলে নগৰৰ সেই চুবুৰীটোৰ ৰাইজৰ অধ্যয়ন আৰু সংস্কৃতি চৰ্চ্চাৰ কেন্দ্ৰ স্বৰূপেই তাক গঢ়িবলৈ বিচাৰিছিল।

শুনিছিলোঁ, ইয়াৰ ভিতৰুৱা কাৰণো নথকা নহয়। 'সংস্কৃতি', এই শব্দটোৰ প্ৰয়োগ ইমান ব্যাপক আৰু 'অক্টোপাছ'ৰ দৰে ইয়াৰ ইমান শক্তি যে ই অনুষ্ঠানৰ কাৰণে দান-অনুদানো কঢ়িয়াই আনে, যাৰ ফলত অনুষ্ঠান সংগঠনকাৰী লোকসকলৰ সহায়ক হয়। পাখিয়ে চৰাইৰ মঙহক ঢাকি ৰখাৰ দৰে বহুতো সময়ত 'সংস্কৃতি' এই শব্দটোৱে আন ভিতৰুৱা উদ্দেশ্যকো আবৰি ৰাখিব পাৰে। বহুতৰ বিচাৰত, গধূলি ঘৰত সোমাই থাকি ম'হৰ কুণ্‌কুণনি আৰু ল'ৰা-ছোৱালীৰ পেন্‌-পেননি শুনাতকৈ পুথিভঁড়ালৰ দৰে ৰাজহুৱা ঠাইত ৰাজহুৱা খৰচত বিজুলীবাতিৰ পোহৰ আৰু জহকালি বিজুলী-বিচনীৰ বা লৈ দেশৰ চৰ্চ্চা কৰিবলৈ ভাল।

পুথিভঁড়ালটো স্থাপন কৰিবলৈ ভবাৰ আগতে সেই অৱসৰ প্ৰাপ্ত বুঢ়া কৰ্ম্মচাৰী দুজনে ভাবিছিল, ঘৰত 'বাতৰি-কাকত' ৰখা টান। কাৰণ, আজিৰ দিনত পেঞ্চনৰ ধনেৰে তেওঁলোকক খাবলৈকে নাটে। আৰু নিজৰ গাঁঠিৰ ধন ভাঙিনো কোনোবাই কিতাপ-কাকত কিনে নে? সেই 'সুমতি' বা দুৰ্ম্মতি' আগতেই থকাহলে, মাহে দুখনকৈ

কিতাপ কিনা হলেও আমি একুৰি-পাঁচ বছৰৰ চাকৰি-জীৱনৰ অন্তত, দুয়োজনে প্ৰায় 'ছশ কিতাপৰ' মালিক হব পাৰিলেহেঁতেন। সময়ত হয়তো এটা ঘৰুৱা পুথি-ভঁড়ালেই হ'ল হেঁতেন। ...

এতিয়া কোনোমতে চুবুৰীৰ কাষতেই পুথি-ভঁড়ালটো হলে অন্ততঃ গধূলি-বিয়লি তাতেই বহি দুই বুঢ়াই বিত্-চকু পিন্ধি বাতৰি-কাকতৰ 'হেড-লাইন' খিনিকে চাই থব পাৰিব। ... তদুপৰি, তেওঁলোকে ভাবিয়ে থৈছিল, 'লাইব্ৰেৰী'ত অন্য হওক নহওক, দবা খেলৰ সঁজুলি ৰাখিবই লাগিব।

চুবুৰীৰ ডেকাহঁতে ভাবিছিল, 'লাইব্ৰেৰী'টোত মাজতে 'পাৰ্টিচণ স্ক্ৰীন্' এখন দিয়াবই লাগিব। বুঢ়াহঁতে তাচ খেলে, দবা খেলে, যি খেলে, সিফালে খেলি থাকিব। ... ... আমি ল'ৰা আৰু ডেকাহঁতে, চিগাৰেটৰ ধোঁৱাৰে— কুণ্ডলী পকাই পুথি-ভড়ালৰ ঘৰৰ ভিতৰখন ধোঁৱাৰে 'ভিতৰুৱাকৈ' ওপচাম। আৰু 'জুৱা' নহয় দেই, পইচাৰে বাজি মাৰি 'তাচ্' নে 'ফ্লাচ্' খেলিম। সমুখত অৱশ্যে কিতাপ বা 'বাতৰি-কাকত' থাকিব। আৰু 'লাইব্ৰেৰী'লৈ গধূলি অহা-নহা আমাৰ 'খুচীকা বাত'। যি দিনা হাতত পইচা গোট খায়, নগৰৰ আলিবাটত 'পাইত্' দিম..., 'ৰেষ্টোৰাত' 'চপ্' খাম, চিনেমা চাম... নাইবা 'হাৱা' খাম। ... হাতে ঢুকি পোৱাতে আমাৰ চুবুৰীতেই 'পুথি-ভঁড়াল'টো হলে নো কি বেয়া? ঘৰত অতন্তঃ 'ফাদাৰ' 'মাদাৰ'হঁতে জানিব যে আমি পুথি-ভঁড়ালতেই পঢ়ি, গধুলি বেলিকা বহি 'পণ্ডিত' হৈ আছোঁ।.. ঘৰৰ পৰা গধূলি ওলাই আহোঁতে 'লাইব্ৰেৰী'ৰ ফালে 'ভৰি চলাই' 'আস্তে'কৈ চকুৰ আঁৰত—'চিনেমা হল'ৰ ফালে 'এবাউট্ টাৰ্ণ' হম! ...

অৱশ্যে আমাৰ ভিতৰত কেইজনমান সৎ-স্বভাৱৰ ল'ৰা আছে। 'লাইব্ৰেৰী'টো হৈ উঠিলে, আমি ভাবোঁ, তেওঁলোকে তাত গৈ সন্ধিয়া নিশ্চয় পঢ়িব।

ছোৱালীহঁতে ভাবিছিল, গধুলি ঘৰত বহি- এনেয়ে সোমাই থকাতকৈ 'লাইব্ৰেৰী'তেই কিতাপ-কাগজ পঢ়ি, লগতে 'ৰেডিঅ' শুনি



এখন্তেক কটাবলৈ ভাল হব। চুবুৰীটোৰ সৰহভাগ মহিলা আৰু ছোৱালীয়ে তেনেদৰেই ভাবিছিল। তাতে, নগৰখনৰ নিম্ন মধ্যবিত্ত অৱস্থাৰ বহুতৰেই ঘৰত 'ৰেডিঅ' বা 'ট্ৰেঞ্জিষ্ট'ৰ নাই। আজিকালি, চাউল বা তেলৰ ব্যৱস্থাই হৈ নুঠে। তাতে বোলোতে 'ৰেডিঅ'? ছোৱালী বা বোৱাৰী মানুহ। চুবুৰীয়াৰ কাৰোবাৰ ঘৰত 'ৰেদিঅ' থাকিলেও তালৈ গৈ অনুৰোধ কৰি 'প্ৰগ্ৰেম' শুনিবলৈ সদায় সদায় বেয়া পায়। সমূহীয়া চুবুৰীয়া 'লাইব্ৰেৰী'তে গধূলি গধূলি অলপ-পৰ কিতাপ-কাগজত এবাৰ চকু ফুৰোৱাৰ নামত সদ্যহতে 'আকাশ-বাণী'ৰ কাৰ্য্য-সূচী শুনাই ভাল হব।

তাৰ ভিতৰত অৱশ্যে দুই-এজনী গাভৰুও হয়তো আছিল, যি নেকি হয়তো ভাবিছিল আনন্দৰেই। আমাৰ বিহু-গীতত পোৱা 'বহোঁ তাঁতৰ পাটত, চকু আলি বাটত, মাকো সৰি সৰি পৰে'—এই মনোভাব এতিয়াও 'তাঁতৰ পাটত নহক' গাভৰুৱে আনহিচাপে পোষণ নকৰাও নহয়। মাথোন, স্থান-কাল পাত্ৰৰ বিভিন্নতা। ...

চুবুৰীটোত দুজনমান 'উঠি অহা' সাহিত্যিক আছিল। বহুতো পৰিশ্ৰমৰ অন্তত—, কিছুমান ৰোগীক ভুল চিকিৎসা কৰি মাৰা ডাক্তৰৰ দৰে—এওঁলোকেও সাহিত্যৰ নামত কুৰিয়ে কুৰিয়ে 'গল্প-কবিতাৰ' 'প'ছ্মৰ্টেম্' কৰি বহুতো সম্পাদকৰ মেজ ওপচাই পেলাইছিল। এওঁলোকৰ 'ভিতৰুৱা' উদ্দেশ্য আছিল— 'লাইব্ৰেৰীটো' পাতি লব পাৰিলে তেওঁলোকে লাহে লাহে 'হাতে লিখা নাটক' দুখন মান মঞ্চস্থ কৰিবলৈ সুবিধা পাব। কাৰণ, নাটকনো কিমানে লিখে? তাতে বোলোতে তেওঁলোকে "লাইব্ৰেৰী সমিতি'ৰ সভ্য হৈ লব পাৰিলে 'কুচ্ পৰোৱাই' নাই। সভ্যই লিখা নাটক মঞ্চস্থ নহৈ পাৰেনে? তাতে, নাট্যকাৰৰ আনন্দ বেলেগ ৰকমৰ। ইয়াত যে লেখক — তথা নাট্যকাৰৰ চৰিত্ৰ সমূহে 'জীৱন্ত' হৈ তেজ-মঙহৰ ৰূপত মঞ্চত অভিনয় কৰে। নকৰিব পাৰে—বৰ্ত্তমানে সম্পাদকসকলে ঈৰ্ষাত তেওঁ-লোকৰ গল্প-নাটক ছপা। কিন্তু, 'নাট্যকাৰ সাহিত্যিক' হলে তেওঁ-লোকৰ 'লাইব্ৰেৰী'ৰ কাষৰ 'থিয়েটাৰ হল'ত মঞ্চস্থ হোৱা নাটকৰ

গুণ-গান চুবুৰীয়ে চুবুৰীয়ে বিয়পি যাব ! সম্পাদক সকলে তেতিয়া বাতৰি-কাকতত সেই খবৰ নছপাই পাৰিবনে ?

'লাইব্ৰেৰী' স্থাপনৰ কাৰণে চান্দা তোলাত এই 'গজালি-সাহিত্যিক' কেইজন উঠি-পৰি লাগিল। ...

ধম্ফট্ নামৰ এজন ঘৰ সজা ঠিকাদাৰ আছিল-চুবুৰীটোত। কমটকাৰ ঠিকা-ঠুকলি লয়। মূলধন তাকৰ। এতিয়া অলপ বাঢ়িছে। ঘৰ সজাত বেয়া কাঠত ৰং লগাই দেখাত ভাল কৰি ৰখাত আৰু চূণ-চুৰুকিৰ লাভজনক গোপন অনুপাত ৰক্ষা কৰাত এওঁ অদ্বিতীয় বুলি মানুহে কোৱা-কুই কৰে। এওঁ ভাবিছিল, চুবুৰীটোত 'লাইব্ৰেৰী' ঘৰ হলে কমেও বাৰহেজাৰ টকাৰ ঠিকা হব। ঠিকা তেৱেঁই পাব আৰু নগদ তিনিহাজৰ টকা তেওঁৰ লাভৰ ঘৰত থাকিব। 'লাইব্ৰেৰী ঘৰ' হব লাগে বুলি কেউফালে তেৱোঁ কৈ ফুৰিবলৈ ধৰিলে। ...

এজনে আকৌ পৌৰ-সভাৰ নিৰ্ব্বাচনত 'কমিচনাৰ'ৰ কাৰনে প্ৰতিযোগিতা কৰি প্ৰতিবছৰেই দহ-বাৰটা ভোটত হাৰি যায়। তেওঁ ভাবিলে যে চুবুৰীটোৰ 'লাইব্ৰেৰী সজা' আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিব পাৰিলে অন্ততঃ চুবুৰীৰ চকু-চৰহা 'ডেকামথা'ৰ বুকুত সোমাই ভালৰি লগাই সিহঁতক হাত কৰিব পাৰিব আৰু ফলত পৌৰ-সভাৰ আগন্তুক নিৰ্ব্বাচনত হয়তো তেওঁৰ 'জয়' হব একৰকম সুনিশ্চিত।

চুবুৰীটোত আন এজন ভদ্ৰলোকৰ পূৰা 'এক আলমাৰি আৰু দুবাকচ' উঁয়ে খোৱা কিতাপ আছিল। সেইবিলাক আনকি পুৰনি কিতাপ-কাকত কিনি ফুৰা বেপাৰীয়ে কম দামতো কিনিবলৈ প্ৰস্তুত নাছিল। তেওঁৰ 'মত্লব্', 'লাইব্ৰেৰী'টো হলে, পৰিলে সেই আৱৰ্জ্জনাবিলাক তাতেই কোনোমতে 'গটাব' আৰু লগতে 'দাতা-কৰ্ণ' বুলিও চুবুৰীটোত খ্যাত হব।...

মিচেচ্ বৰা আৰু চলিহাহঁতে কোৱা-কুই কৰিছিল—'লাইব্ৰেৰী' হলে মাজে মাজে তেওঁ "পুৰুষ সকলক" "সন্তান-ৰখীয়া" নাইবা সাময়িক "সুপকাৰ" নিযুক্তি দি অন্ততঃ পাকঘৰৰ পৰা অলপ ওলাই গৈ মুকলি বতাহ আৰু স্বৰজ পোৱাৰ সুবিধা হব। এই প্ৰসঙ্গত এইটো উল্লেখ যোগ্য



যে সেই চুবুৰীটোৰ পৰা "জিলা পুথিভঁৰাল" আছিল বহুত দূৰৈত। গতিকে, চুবুৰীয়া পুথিভঁৰাল হলে কিমান যে সুবিধা !

'পুথি-ভঁৰাল' স্থাপনৰ কাম যথা সময়ত আৰম্ভ হ'ল আৰু কাম ভালেখিনি আগবাঢ়িল।···

ইফালে-সিফালে উৰি ফুৰা শালিকী চৰাই এহালে বাৰু, 'লাইব্ৰেৰী'ৰ চাল-বেৰ থিয় হ'লত কি ভাবিছিল—চৰাইৰ মনেৰে ? সিহঁতে চাগৈ ভাবিছিল যে পুথিভঁৰালৰ ঘৰ থিয় হলেই "মুধচ"ত বাহ বান্ধিব আৰু কণী পাৰি পোৱালী জগাব পাৰিব।

মায়াৰাম নামৰ ওচৰৰ গাৱঁৰ মানুহ এটাই নগৰৰ সেই চুবুৰী-টোলৈ—"লাইব্ৰেৰী" স্থাপন হব বুলি শুনি সূতা "উলিওৱা"দি "উলিয়াই" অহা-যোৱা কৰি আছিল। 'লাইব্ৰেৰী' স্থাপন হলেহে তাত "চকীদাৰ" কাম এটাৰ সৃষ্টি হব আৰু সেইটো হলেই মায়াৰামেই সেই কামটো পোৱা একৰকম সুনিশ্চিত। মগু-মাহ, ভীম-কল আৰু বৰা-চাউল লৈ মায়াৰামে মাজে মাজে চুবুৰীৰ মুখিয়াল দুজন-মানক দেখা কৰিছিল।

অৱশেষত মায়াৰামৰ মনোবাঞ্ছাই পূৰণ হ'ল।

*　　*　　*　　*　　*

পুথিভঁৰালৰ ঘৰটোত যথা সময়ত শালিকাই বাঁহ বান্ধিলে···। ল'ৰাহঁতে তাচ্ খেলিলে।··· বুঢ়াই দবা খেলিলে।··· ছোৱালী আৰু মহিলাই মেল মাৰিলে।··· মায়াৰামে 'চকীদাৰী' কৰিলে···। কিতাপৰ আলমাৰী বিৰাজ কৰিলে।··· সভা-সমিতি হ'ল···। আন বহুত কথাই হ'ল।··· লগতে, বহুত 'যুঁজ-বাগৰ'ৰ অন্তত সিহঁতৰ নাটক-খনো 'মঞ্চস্থ' হ'ল।···

সেইটো আছিল এটা পুথিভঁৰাল। জ্ঞান তথা অধ্যয়ন-কেন্দ্ৰ আৰু পাঠাগাৰ। তাত এই কেইবছৰ প্ৰকৃত অধ্যয়নৰ বাহিৰে আন সকলো সংঘটিত হৈছিল।

আদৰ্শ হৈছে যেন ফলৰ ঠাৰি। ঠাৰিডালৰ সহায়ত যেনেকৈ ফলটো গছত ওলমি থাকে, সেইদৰে সু-আদৰ্শ ইহে অনুষ্ঠান জীয়াই

ৰাখে।··· ইয়াৰ অভাৱত, যি কোনো অনুষ্ঠানেই হৈ পৰিব যেন এটা 'বৃন্তচ্যুত' ফল।··

শেষত গৈ সেই 'লাইব্ৰেৰী'টো শালিকা হাল আৰু মায়াৰাম চকীদাৰৰ সম্পত্তিহে হ'লগৈ।

ওপৰে শালিকী, তলে মায়াৰাম।···

**শালিকী** : ·· 'চিক্' ··· 'চিক্' ··· 'চিক্'··· হে'ৰা মায়াৰাম! আজি কালি সন্ধিয়াচোন 'লাইব্ৰেৰী'লৈ জন-প্ৰাণী এটাও নাহে হে?

**মায়াৰাম** : ৰাম! ৰাম! তইঁতে শুনা নাই? আজি ইমান বছৰে হাজাৰ হাজাৰ কিতাপ-কাগজ ক'লৈ গ'ল,—হিচাপ নাই। শুনিছোঁ, কিতাপ বেচি কিছুমানে মদ খালে।···

**শালিকা** : 'শ্ৰীবিষ্ণু' ! 'শ্ৰীবিষ্ণু' !··· ইও সম্ভৱ নে?

**মায়াৰাম** : শুনিছোঁ, 'লাইব্ৰেৰীয়ে' তোলা আৰু অনুদান স্বৰূপে পোৱা ধনৰ কোনো হিচাপ-পত্ৰ নিয়াৰিকৈ ৰখা নাই। শুনিছোঁ, কিবা "সাধনীদাৰ"ৰ নোটিচ আহিছে হেনো। তাকে দেখি "বুঢ়া"ক অঠাই-সাগৰত পেলাই সকলোৱেই 'ফৰিং-চিটিকা' দিলে। আজি সাত মাহেও মোক 'টু-টুৱাই আছে, দৰমহা দিবলৈ ধন নাই হেনো।

**শালিকী** : তেনেহলে নো তুমি কিহৰ আশাত এই 'পূণ্য-মন্দিৰটো' ৰখি বহি আছা?

**মায়াৰাম** : বোলো আশাৰ কাৰণে। 'আশাধাৰী প্ৰাণী, আশাই নিয়ে টানি'। মই গলে "লাইব্ৰেৰী"ৰ কৰ্ম্ম-কৰ্ত্তাসকলে পেটে পেটে ভালেই পাব।···একেবাৰেই 'দৰ্ম্মহা' দিয়াৰ লেঠা ছিগিব।··· পিচে, সহজে ময়ো কোনোমতেই নগৈছোঁ। চাকৰিটো মোৰ যাব বুলিয়েই ধৰিছোঁ। কাৰণ, অনুষ্ঠানেই যায় যায়।·· চাইছোঁ মই যোৱাৰ আগতে কুৰুলিয়াই কুৰুলিয়াই কোনো ৰকমে পাবলগীয়া দৰমহাৰ ধন খিনিকে আদায় কৰিব পাৰোঁ নে কি?

**শালিকা** : আমি 'বুঢ়া-বুঢ়ী' হালেও আমাৰ 'পোৱালী চাৰি-কণ' উৰা মাৰিব পৰা হলেই যামগৈহে। অলপ বতাহতেই ঘৰটোৱে



কেৰ্‌কেৰাই থাকে। ভয় লাগে, দেও! উঃ! "হাজাৰ হাজাৰ" টকা ভাঙি কৰা "লাইব্ৰেৰী ঘৰ" বাৰু দুই-চাৰি বছৰেই নাযায় নে? গোটেইবোৰ পচা-কাঠ নে আম কাঠ হেনো।

**মায়াৰাম** : ঠিকাদাৰৰ ধন থাকিলে কি হব? 'মত্‌লব্' পচা,—সেয়েহে কাঠো পচা। শুনিছোঁ, এই ঘৰটো বান্ধোতে, "তিনি হাজাৰ" মান টকা 'মাৰিলে'। ৰাজহুৱা কামতো "দুৰ্নীতি"।

**শালিকী** : কিমান ঘৰত বাঁহ বান্ধিলো! দেখিলো, তোমালোক মানুহবিলাকে অনুষ্ঠান জন্ম দিবহে জানা, তাক 'লালন-পালন' কৰিব নোৱাৰা।···

**মায়াৰাম** : হে'ৰ! পাৰিব কেনেকৈ? ধৰচোন, এই পুথি-ভঁৰালটোকে। মোকে ধৰি আমি বহুতেই নিজ নিজ স্বাৰ্থৰ 'খাতিৰ'তহে যেন ইয়াক স্থাপন কৰিবলৈ উঠি-পৰি লাগিছিলো।···ইয়াৰ প্ৰকৃত আদৰ্শৰ লগত আমাৰ সৎ-উদ্দেশ্যৰ যেন 'অমিল' আছিল।··· ফলত, অনুষ্ঠানটোৰ হ'ল—অপমৃত্যু। সেইবুলি, হে'ৰ শালিকা। তইঁত হালক আকৌ ইয়াৰ লগত 'লেটিওৱা' নাই, দেই। তইঁত 'পখী-জাতিয়ে' খালি "চিঁ-চিঁয়াবহে" জান?···

**শালিকা** : চিঞৰিলেও আমাৰ 'আদৰ্শ' থাকে। 'মানে', যেতিয়া আমি চিঞৰো, অন্ততঃ বুজিবা আমাৰ পোৱালীক খাবলৈ অহা কাউৰী নাইবা চুপি চুপি অহা বোন্দাক দেখিয়েই চিঞৰিছোঁ···। কান-শৰালি মাৰি বহি থকা নাই।···

দেখা গ'ল,—কেই সপ্তাহমানৰ পিছতেই দৰমহা নোপোৱাকৈয়ে টালি-টোপোলা বান্ধি মায়াৰাম চকীদাৰ 'লাইব্ৰেৰী' এৰি গুচি গ'ল।

শালিকাহালেও পোৱালী কেইটা 'উৰণীয়া' হ'লত,—'লাইব্ৰেৰী' ঘৰৰ বাঁহ এৰি গুচি গ'ল···।

পিচদিনাখনেই ৰাতি ধুমুহা আহি "লাইব্ৰেৰী" ঘৰটো ভাঙি ভেঁটিৰে সৈতে "একাকাৰ" কৰিলে।

চুবুৰীটোৱে গঢ়ি তোলা আন্তৰিকতা বিহীন এটা সপোনৰ যেন শেষ হ'ল···, এটা অনুষ্ঠানৰ এইদৰেই অপমৃত্যু ঘটিল।

# কুঞ্জলতা

আজি মোৰ ঘৰলৈ এজনী সন্যাসিনী আহিছিল । লগতে, এটি চাৰিজনীয়া সন্যাসিনীৰ দল । সেই সময়ত মই ঘৰত নাছিলোঁ। সান্ধ্য-ভ্ৰমণত বাহিৰ হৈছিলোঁ। । সন্যাসিনী বিলাকৰ বয়স হেনো তিনিকুৰিৰ তল আৰু আঠৈকুৰিৰ ওপৰ হব । সেই সন্যাসিনী-গৰাকীৰ মুখখন হেনো দীঘ লেচেৰীয়াকৈ ধুনীয়া আছিল আৰু মূৰৰ চুলি আধা-আধি পকিছিল । মানুহজনীয়ে হেনো আজি প্ৰায় দুকুৰি বছৰ ধৰি সন্যাসিনীৰ ব্ৰত যাপন কৰিছে আৰু লগৰ দলৰ লগত ভাৰতবৰ্ষৰ তীৰ্থসমূহ পদ-ব্ৰজে ভ্ৰমণ কৰি জীৱন কটাই দিছে। হৰিদ্বাৰৰ পৰা পৰশুৰাম কুণ্ডলৈকে এনে কোনো তীৰ্থ বাকী নাই, যিবিলাক এই মানুহ গৰাকীয়ে হেনো দৰ্শন-পৰ্য্যটন কৰা নাই ।

ওপৰৰ কথাবিলাক, মই ফুৰি আহি ঘৰ সোমোৱাৰ পিছত মোৰ লগুৱা মিনাৰামৰ মুখে শুনা কথা । তাৰ 'ভাষণ' মতে, সেই বৈষ্ণৱী গৰাকীৰ লগৰ আন চাৰি গৰাকী সন্যাসিনী বঙালী আৰু হিন্দুস্থানী তিৰোতা আছিল আৰু হেনো আটাই কেইগৰাকী বৈষ্ণৱীয়েই গাত ৰাম্-নামী কাপোৰ লৈছিল । মিনাৰামে কৈছিল, কিয় জানো সি কব নোৱাৰে, আটাই কেইগৰাকী সন্যাসিনীৰ ভিতৰত তাৰ হেনো ওপৰৰ আলোচ্য সন্যাসিনী গৰাকীকেই বিশেষ ভাল লাগিছিল। আৰু মোক আহি পোৱাৰ পিচত, বাৰে বাৰে তাকে কৈয়েই আছিল ।

* * *

আজি ময়ো প্ৰায় ৬৫ বছৰীয়া হলোঁ। । মোৰ সহধৰ্ম্মিনীয়ে আজি বাৰ বছৰৰ আগতেই মোক এৰি সিপুৰীলৈ গুচি গ'ল । মই ইতিমধ্যে চাকৰিৰ পৰা অৱসৰ গ্ৰহন কৰি ঘৰতেই পেঞ্চন খাই বহি আছোঁ। ছোৱালী তিনিজনী বিয়া দিলোঁ। ল'ৰাটোৱে বৃত্তি



পাই বিলাতত 'ইঞ্জিনীয়াৰিং' পঢ়ি আছে । পেঞ্চনৰ টকাৰে মোৰ ভালেৰেই চলি যায় । বিশেষ লেঠা-জঞ্জাল নাই । কালৈকো টকা আদি পঠিয়াব নালাগে । বৰং নোখোজাকৈয়ে মাজে মাজে জী জোঁৱাইহঁতৰ পৰা 'মণি-অৰ্ডাৰ' আহে হে । সিহঁতৰো গোটেই-কেইটাৰেই অৱস্থা ভাল । সিহঁতে সদায় মোক সিহঁতৰ তাত থাকিব-লৈকে মাতি থাকে । মই 'যাওঁ'—বা গলেও 'থাকো' বুলি কোৱা নাই । কাৰণ, মোৰ চিৰ-বিশ্বাসী লগুৱা মিনাৰামক লৈ মোৰ নিজা ঘৰতেই একো অসুবিধা নোপোৱাকৈ চলি গৈছোঁ। তাতে, ভগবানৰ কৃপাত, বুঢ়া হলেও মোৰ স্বাস্থ্যও এতিয়ালৈকে ভালেই আছে । অৱশ্যে, দেহাই টানিব নোৱাৰা অৱস্থা হলে কেতিয়াবাকৈ হয়তো জী-জোঁৱাই যেই-সেই এঘৰত গৈ উঠিবগৈ লাগিব । সেইটো পাচ কথা ।

বছৰেকত এবাৰ—দুৰ্গা-পূজাৰ সময়ত জী-জোঁৱাই, নাতি-নাতিনী বিলাকক মাতি পঠিয়াওঁ । সিহঁতো প্ৰায়েই আহে । গোটেইখনে হুলস্থুল কৰি এসপ্তাহ দহদিন আহি থাকি যায় । নাতি-নাতিনীহঁতৰ উৎপাত্ আমনি সেই কেইদিন মোৰ ভাল লাগে । সিহঁতজাক যাবৰ সময়তহে আমাৰ সকলোৰেই চকু-পানী ওলায় । মোৰ ৰুমত আঁৰি থোৱা মোৰ মৃতা পত্নীৰ ফটোখনলৈ চাই চাই সিহঁতে নাজানাকৈয়ে মোৰ দুখ লাগে । ছোৱালী কেইজনীয়ে এতিয়ালৈকে যদি মাকৰ জীয়া-মৰম পাই থাকিলহেঁতেন !

* * *

"চাৰ ! এনে এগৰাকী বৈষ্ণৱী আগতে মই কেতিয়াও দেখা নাই । কেউগৰাকীৰ ভিতৰত তেখেতেই জাকত-জিলিকা আছিল । হালধিৰ গাঁঠি যেন গাৰ বৰণ-তেজ । সোণৰ দৰেই চিকুণ । বুঢ়ী হলেও বয়সে পোটোকা পেলাব পৰা নাই অকণো । বয়স আঠৈ কুৰিৰ ওপৰ যেন নালাগেই ।···

মিনাৰামে মোক ঘৰ সোমোৱাৰ লগে লগেই গুচি যোৱা সেই ক্ষণিকৰ অতিথি সকলৰ কথা কলে । ···

"মিনাৰাম ! ··· ই কি কথা ? মানুহ আহি মোৰ ঘৰৰ পৰা গুচি গ'ল, অথচ তই, মই আহি নোপোৱালৈকে বাট চাবলৈকো নকলি ?"

"বহিছিল নহয়, চাৰ ! ··· প্ৰায় তিনিঘণ্টা বহিছিল ।···আপুনি যে ইমান 'পলম' কৰিব—আজি, তাক নো আগতেই কেনেকৈ জানো ?"

সি কোৱা কথা সঁচা। সান্ধ্য-ভ্ৰমণত সচৰাচৰ মই আধা ঘণ্টাতকৈ অধিক সময় নলওঁ। আজি মোৰ সম-বয়সীয়া পেঞ্চন খোৱা বন্ধু যৎৰাম পেস্কাৰে— ফুৰিবলৈ যাওঁতে ৰাটতে লগ পাই তেওঁৰ ঘৰলৈ মাতিলে। তাতেই, দুই বুঢ়াই 'চাহ-চৰ্ব্বিত' খাই দবা খেলাত বহিলোঁ। খেলাৰ 'নিচা'ত দুই-তিনিঘণ্টা সময় কেনেকৈ পাৰ হৈ গ'ল কবই পৰা নাছিলোঁ।

মোৰো তীৰ্থলৈ যাবৰ বৰ মন। বয়সো লাহে লাহে আৰু বেছিহে হব। ল'ৰাটোৱে পাচ কৰি বিলাতৰ পৰা আহিলেই—এই বিষয়ে ব্যৱস্থা কৰিম বুলি পাঙি থৈছোঁ।

ছেঃ।··· এই বৈষ্ণৱী কেই গৰাকীক লগ পোৱা হলে, তেখেত সকলৰ পৰাই তীৰ্থ-যাত্ৰাৰ বিষয়ে বহুতো কথা আগতীয়াকৈ জানি থব পাৰিলোহেঁতেন।

মিনাৰামলৈ মোৰ পেটে পেটে খং উঠিছিল। সি বাৰু 'বুদ্ধি-বুদ্ধা' কৰিও আৰু কিছু সময় তেখেতসকলক ৰাখিব নোৱাৰিলে নে ? এই 'গোট-গৰু'টোৰ পৰা দেখিছোঁ—আৰু উপায় নাই।

মোৰ খং উঠিলে সাধাৰণতে অলপ সময় মনে মনে থাকোঁ আৰু একাপ চাহৰ 'অৰ্দাৰ' দিওঁ। ··· চাহ কাপত সোহা মাৰাৰ লগে লগেই মোৰ খং আঁতৰি পলায়।

আজিও সেই একেটা বুধিয়েই কৰিলোঁ। ···

চাহ-তাহ খাই উঠি মিনাৰামক ওচৰলৈ মতাই আনিলোঁ।

* * *

"এতিয়া কচোন, মিনাৰাম ···, মানুহ কেই গৰাকীৰ বিষয়ে। তেওঁলোক কিয় আহিছিল ? ··· মোক চিনি পায় নে কি ? ··· নে,



ভিক্ষাৰ কাৰণে আহিছিল ?" মিনাৰামক সুধিলোঁ।

"তেখেতসকল 'ভিক্ষা-মাগা বৈষ্ণৱী' নহয় চাৰ। ··· কিন্তু, কি এটা 'আকৰ্ষণ' আছে, নোখোজাকৈয়ে দিবৰ মন গ'ল। এক টকীয়া নোট এখন জোলোঙাত গুজি দিলোঁ, আৰু "আইতা" বুলি মাতিলোঁ।"

সি কলে। ···

বুঢ়ী বৈষ্ণৱী কেইগৰাকীক সি 'আইতা' নুবুলি নো কি বুলি মাতিব ?

"তেনেহলে, তই সুধিছিলি নে, তেখেতসকল কিয় মোৰ তালৈ আহিছিল ?"

"হয়, সেই 'ধুনীয়া আইতা' গৰাকীয়ে আপোনাক হেনো এবাৰ চাবৰ কাৰণে আহিছিল। ... আপোনাক চিনি পায় বোলে। ··· "

"মোক চিনি পায় ! ··· কেতিয়াৰ পৰা পায় ? তেখেতৰ নাম কি বুলি কলে ?"

"তেখেতে এইবিলাক একোকেই নকলে ! ··· মই সুধিছিলোঁ। বুদ্ধি কৰি সেই বিষয়ে একো উত্তৰ নিদিলে। ··· বাকী চাৰিগৰাকী সন্ন্যাসিনীক চোতালতে অলপ পৰ এৰি—তেখেতে ভিতৰ সোমাইছিল। মোক খুজি পানী এগিলাচ খালে, আৰু আপোনাৰ ৰুমত থকা ৺আই-তাৰ ফটোখনলৈ বাৰে বাৰে চাই গ'ল। ···'

"বাৰু, মিনাৰাম। বুঢ়ী গৰাকীৰ চেহেৰাৰ বাহিৰেও আন কিবা মন কৰিছিলি নে ।ক ? ···

"অ' ! ···হয়,···হয় দেউতা।··· তেখেতৰ নাকৰ এটা পাহিত ধুনীয়াকৈ মাহ এটা আছিল।···

মিনাৰামে মোক—'চাৰ' বা 'দেউতা' যিটোৱেই প্ৰথমে তাৰ মুখত আহে, সেইদৰেই মাতে।

মোৰো আপত্তি কৰিবলগীয়া একো কাৰণ নাই। তাতে, সি মোৰ পুৰণি আৰু বিশ্বাসী ভৃত্য।···

অলপ পৰ আকৌ ভাবিলোঁ। ···

মানুহ গৰাকীৰ নাকৰ পাহিত ধুনীয়াকৈ এটা মাহ ?

এজন 'ডিটেক্টিভে' এটা ক্ষুদ্ৰ বস্তুৰ পৰাই বৃহৎ ৰতন আৱিষ্কাৰ কৰিব পৰাৰ দৰেই,—এই 'নাকৰ পাহিৰ মাহটো'ৰ বৰ্ণনাইও যেন মোৰ সমুখত বহুতো পৰিমাণে এক অতীত স্মৃতিৰ দ্বাৰহে উদ্‌ঘাটন কৰি দিলে!

ল'ৰাটোক আকৌ সুধিলোঁ, 'মিনাৰাম, বৈষ্ণৱী গৰাকীয়ে মোৰ বিষয়ে বাৰু 'কিবা' কৈ গ'ল নেকি?'

'কলে, "খালি" মই অহা বুলি কবা।... কলেই তেখেতে বুজিব। আৰু কবা, 'পৰশুৰাম কুণ্ডলৈ' আজ ৰাতিয়েই যাত্ৰা কৰিলেহে মেলা পামগৈ...। ৰব নোৱাৰেঁ।'...

তাৰ কথা শুনি মই অলপ পৰ মনে মনে থাকিলো আৰু অতীত স্মৃতিৰ ৰোমন্থন কৰিলোঁ।

নিৰৱতাৰ অন্তত উপযাচিয়েই মিনাৰামে কবলৈ আৰম্ভ কৰিলে, 'মোৰ হলে সঁচাই চাৰ!... আইতা গৰাকীক 'গোঁসানী' 'গোঁসানী' যেন লাগিছিল। যাবৰ সময়ত জোলোঙাত টকাটো ভৰাই দিলোঁ আৰু কেউজনা আইতাকে সেৱা কৰিলোঁ।... কলো, 'আইসকল।... আকৌ আহিব...।'

যাবৰ সময়ত সেই গৰাক আইতাই কলে, 'আৰু ক'ত আহিম! য'লৈ গলে মানুহ আৰু ঘূৰি নাহে, তাৰ পৰা জানো আকৌ ঘূৰি আহিব পাৰিম?'—তেখেতে, এইদৰে কৈ থাকোঁতে থাকোঁতে মোৰ পিনে চাই যেন অলপ কান্দিব খুজিছিল।... বাকী চাৰি গৰাকী বৈষ্ণৱীয়ে তেতিয়া আইতা গৰাকীক টানি নিয়াদি নিছিল। এগৰাকীয়ে বঙালী ভাষাৰে কৈছিল, "গুচি আহা, কুঞ্জ।" ......বেগেতে ইয়াৰ পৰা ওলোৱা। ...মায়াক আপোন নকৰিবা...।'

তেতিয়া ততালিকেই তেখেতসকল আমাৰ ঘৰৰ পৰা ওলাই সন্ধিয়াৰ পিচৰ আন্ধাৰত মিলি গ'ল।

মোৰ লগুৱা মিনাৰাম কিছু শিক্ষিত। পিছে, তাৰ বিশেষত্ব হ'ল,—সি বৈষ্ণৱ-ভকত দেখিলেই পৰি মৰে ভক্তিত গদ্‌-গদ্ হয়।



বৈষ্ণৱী কেই গৰাকীক মিনাৰামে ভাৱ-ভক্তি দেখুওৱা এক স্বাভাৱিক কথা হে।

* * * * *

মোৰ কাৰণে সেই বিশেষ বৈষ্ণৱী গৰাকীৰ বিষয়ে সকলো অতীত ৰহস্যৰ দুৱাৰ মুকলি হৈ গ'ল।... তেওঁৰ বিষয়ে, নকলেও মই সকলো জানিলোঁ।... এইমাত্ৰ যেন গম পালোঁ।... আজি প্ৰায় দুকুৰিমান বছৰৰ আগৰ কথা।...

তেতিয়া মই ২৪।২৫ বয়সৰ ডেকা ল'ৰা। কলিকতাৰ কলেজত পঢ়োঁ। আৰু, গৰমৰ বন্ধত গাঁৱৰ ঘৰলৈ বছৰত একোবাৰকৈ আহোঁ।

সেই দিনত, সাধাৰণতে কম বয়সতেই ল'ৰা-ছোৱালীৰ বিয়া-বাৰু হৈছিল। ঘৰত মোৰ আই-দেউতাই মোৰ কাৰণে ছোৱালী বিচাৰি গাঁৱৰ পিছত গাওঁ 'চলাথ্' কৰিছিল। কিয়নো, দুই-এক বছৰতেই কলিকতাৰ কলেজৰ পৰা মই পাচ কৰি আহি, হাকিম কাম এটা পোৱা সেই সময়ত নিশ্চিত কথাই আছিল।

আমাৰ ঘৰখন আছিল—সেই দিনৰ এক গোড়া-ব্ৰাহ্মণৰ গৃহস্থী। বিয়া-বাৰু আদি বিষয়ত, আই-দেউতাৰ মানত জাত-কুল-গোত্ৰ-জোৰা এই বিলাকহে আগ; শিক্ষা-দীক্ষা, স্বাস্থ্য আদি পাচ কথা। তেখেত-সকলে গাঁৱৰ ছোৱালীকেই বিচাৰিছিল। কাৰণ, সেই দিনত, ভুলেই হওক বা শুদ্ধই হওক, তেওঁলোকৰ ধাৰণা আছিল যে, গাঁৱতহে সহজে ভাল জাতৰ আৰু চৰিত্ৰৰ ছোৱালী মোলৈ বিচাৰি পাব।

মই কলিকতাত থাকোঁতে মোৰ বিয়াৰ কথা-বতৰা চলি থকাৰ কথা শুনিছিলোঁ।... মোৰ ফালৰ পৰা কৰিব পৰাৰ ভিতৰত বিশেষ একো নাছিল। তেতিয়াৰ দিনত, বিয়াৰ আগতে অন্ততঃ দৰা-কন্যাই কথা পতা, চিঠি লিখা আৰু লগ ধৰা আমাৰ অঞ্চলত নিষেধ। ল'ৰাই বিনা পনে, বিনা দ্বিধাই বিয়া কৰাব লাগিব—অভিভাৱকে ঠিক কৰি দিয়া কন্যাকেই। কন্যাইও সেইদৰে মাক-বাপেক নাইবা অভিভাৱকে যাৰ লগত বিয়া পাতে তাৰ লগতেই বিয়া সোমাব

লাগিব। বিয়াৰ পিছতহে দৰা-কন্যাৰ ভালদৰে দেখা-দেখি আৰু মাতা-মাতি।

কলিকতাত মোৰ বিয়াৰ কথা শুনি লগৰ ল'ৰাবিলাকে মাজে মাজে জোকায় আৰু কয়, 'হে'ৰ! ক'ৰবাৰ পৰা "চুক্‌ভেকুলী" এজনীও মাৰ-দেউতাৰে বিয়া কৰাই দিলে বুলিয়েই তয়ো বিয়া কৰাব লাগিব নে? বিয়া তো তয়েহে কৰাবি? চাবি, পিচত ঠগ্‌ খাবি। বিয়াৰ আগতে "কইনা" চাই লবি কিন্তু।…… দেখাত তো সুন্দৰী হব লাগিব ??'…

সেইবাৰ গৰমৰ বন্ধত গাৱঁলৈ আহোঁতে ভয়ে ভয়ে আইক কথাষাৰ কলোঁ—যে মই আগতে এবাৰ ছোৱালীজনী চাই লব খোজোঁ।…

প্ৰস্তাৱটো আয়ে দেউতাৰ কাণ্‌ ছোৱালে।

শুনিয়েই খঙত দেউতা জাঙুল খাই উঠিল, "ই কি কথা"? কলিকতাত লিখা-পঢ়া শিকি আহিছে বুলিয়েই তাৰ ইমানটো সাহৰ গোট হব পায় নে? ঠাকুৰৰ বংশত 'নোহোৱা-নোপোজা কথা হব নোৱাৰে।… সি আগতে ছোৱালী চাব নোৱাৰে। মাকে আঙুঠি পিন্ধাব।…

অৱশেষত বহুতো বুজাই বঢ়াই, অনুনয়-বিনয় কৰি আয়ে দেউতাৰ ওচৰত মোৰ হৈ ওকালতি কৰিলে।…

দেউতা জানিবা এইবাৰলৈ কোনো ৰকমে মান্তি হ'ল।

ছোৱালী চালোঁগৈ।…আমাৰ গাৱঁৰ পৰা সাত মাইল মান দূৰত থকা চন্দ্ৰ ঠাকুৰৰ কন্যা। বয়স হেনো পোন্ধৰ। ছোৱালীৰ দেখিলোঁ—সুন্দৰ গাৰ-বৰণ! সুন্দৰ গঢ়-ঠগ! দেখিলেই চকু-জলক্‌ লাগি যায়। এনেহে ৰূপৰ জ্যোতি!… মোৰ বা আনৰ অপছন্দৰ প্ৰশ্নই নুঠে। ষি কোনো দৰাই এনে ৰূপৱতী কন্যা লাভ কৰিলে নিজকেই ভাগ্যবান বুলিহে বিবেচনা ক ৰব।

মই সোণৰ আঙুঠিটো পিন্ধাই দিওঁতে—তাই চকু দুটা মুদি দিছিল আৰু মোৰ কাষৰ পৰা আঁতৰ নোহোৱালৈকে সেই চকু মেলা



নাছিল।…তাইৰ নাম আছিল—"কুঞ্জলতা"…। কুঞ্জলতা দেবী।

ইয়াৰ পিছত এবছৰ প্ৰতীক্ষাৰ পৰ্ব্ব। মই গৈ কলিকতাত পুনৰ কলেজত ভৰ্ত্তি হলোঁ—জহৰ বন্ধ খোলাৰ লগে লগেই।

আগতেই কৈছোঁ যে বিয়াৰ আগতে মোৰ বা কুঞ্জলতাৰ ভিতৰত চিঠি চলাচল হোৱাৰ সম্ভাৱনা নাই। কাৰণ, দুয়োঘৰৰ মাজত যি কোনো এজনেই এনে কথা জানিলে তেতিয়াই বিয়া ভাগিব। আমাৰ ঘৰখনত এনেহে কঠোৰ নিয়

এবছৰৰ পিচত আমাৰ বিয়াৰ তাৰিখ ঠিক হ'ল।…

কিন্তু: কুঞ্জলতাৰ লগতেই মোৰ সেই বিয়া হ'ল জানো?

ঘৰৰ পৰা মোলৈ আকৌ চিঠি আহিল,—মোৰ বিয়াৰ বন্দোৱস্ত আন ঠাইতহে ঠিক কৰা হৈছে। আকৌ লিখিছে, আগতে মই আঙুঠি পিন্ধোৱা কুঞ্জলতা বোলা ছোৱালীজনীৰ যক্ষ্মা বেমাৰ হৈছে। তাইৰ দেউতাকে সিদিনা আহি আঙঠি ফিৰাই দিছে। নিষ্ঠুৰ আৰু ৰূঢ়-বাস্তৱৰ সন্মুখীন মই হবই লাগিব। ভাবি বা দুখ কৰি এতিয়া লাভ নাই ইত্যাদি…।

মোৰ মনত পৰিল বেচেৰী সেই দুৰ্ভগীয়া ছোৱালী জনীলৈ। মাণিকত এইয়া ঘুঁণে বিন্ধিলে…।

সেই কালত যক্ষ্মাৰোগৰ ভাল, ফল প্ৰসু ডাক্তৰী দৰব নাছিল বুলিলেও হয়। গাৱঁলীয়া বেজৰ চিকিৎসা নাইবা আসুৰিক-চিকিৎসা পাতিত ৰোগ ভাল হৈছিল। নাইবা সৰহভাগ ক্ষেত্ৰতেই ৰোগীৰ মৃত্যু ঘটিছিল।

পৰীক্ষা পাচ কৰি যথা সময়ত মই ঘৰলৈ গলোঁ আৰু হাকিম কামটোও মোক যচা হ'ল।…

এদিন আবেলি—ঘৰত কোনেও গম নোপোৱাকৈ লুকাই লুকাই কুঞ্জলতাহঁতৰ ঘৰৰ ফালে গৈছিলোঁ। মোৰ উদ্দেশ্য আছিল—দূৰৈৰে পৰা হলেও এবাৰ তাইক চাই লোৱা।… কিয়নো, ইমান ধুনীয়া ছোৱালীজনীৰ এনে এটা বেমাৰ হব পাৰে বুলি মোৰ বিশ্বাস কৰিবলৈ সঁচাকৈয়ে টান লাগিছিল।

নঙলা-মুখতেই তাইক দেখিলোঁ। সেই জনীয়েই কুঞ্জলতা। তাই মোক দেখিয়েই চকু-হাল পুনৰ মুদি দিলে আৰু একে কোবেই দৌৰি যোৱাৰ দৰে গৈ - কুহুৰ, কুহুৰ কৈ কাহি কাহি ভিতৰলৈ সোমাই দুৱাৰখন বন্ধ কৰি দিলে।

মই এবছৰৰ আগতে আঙঠি পিন্ধাবলৈ আহোঁতে দেখা— আৰু আজি এতিয়া দেখা কুঞ্জলতা। কি আকাশ-পাতাল পাৰ্থক্য! আজি খন্তেকলৈ হলেও দেখা কুঞ্জলতা যে শুকাই-খীণাই জেং-খৰি যেন হৈছে। মোৰ বুজিবলৈ আৰু বাকী নাথাকিল যে কুঞ্জলতাই সচাঁকৈয়ে দুৰাৰোগ্য ব্যাধিত ভুগিছে।

উভটি আহোঁতে বাটে বাটে এটা কথাই ভাবি আহিছিলোঁ। আঙঠি পিন্ধাবলৈ অহা দিনাখন আৰু আজিৰ কুঞ্জলতাই মোক দেখি দেখোন চকু মুদি দিছিল। মোৰ কোনো ফটো আদি দেখিবৰো তো কুঞ্জলতাৰ কোনো উপায় নাই। তেনেহলে, মোক তো কুঞ্জলতাই দেখাই নাই। আৰু নেদেখাকৈয়ে তেনেহলে মোক কেনেকৈ চিনিলে?

নাৰীৰ যে অন্য এজোৰা চকু ভগবানে দিছে, তাক মই আগতে ভবাই নাছিলোঁ। এই চকুৰ নাম 'ঔৎসুক্য'। ইয়াৰ ফলত জুমি জুমি হলেও, নাৰীয়ে প্ৰেমাস্পদক চিনি লয়।

ইয়াৰ পিছত বহুত কথা।...... চাকৰিত সোমালোঁ। আৰু, দ্বিতীয় বাৰলৈ বন্দোৱস্ত কৰা আন ছোৱালী এজনীৰ লগতেই মোৰ বিয়া যথা সময়ত হৈ গ'ল।...

*　　*　　*　　*

আজি দুকুৰিবো ওপৰ বছৰৰ অন্তত, মোৰ ঘৰলৈ অহা বুঢ়ী বৈষ্ণৱী গৰাকীয়েই তাহানিৰ মোৰ বাগ্‌দত্তা, কুঞ্জলতা। লগুৱাটোৰ মুখৰ পৰা পোৱা তাইৰ বৰ্ত্তমানৰ চেহেৰাৰ বৰ্ণণাতেই, অতীতৰ ৰূপৱতী কুঞ্জলতা লুকাই আছিল। নহলে, লগৰীয়া সন্ন্যাসিনী কেইজনীৰ ভিতৰৰে এজনীয়ে তেওঁক 'কুঞ্জ' বুলি মাতিছিল,—কেলেই?

মোৰ বিয়া হোৱাৰ দুমাহমানৰ পিছতেই শুনিছিলোঁ,—মোৰ প্ৰথমা বাগ্‌দত্তা কুঞ্জ নিৰুদ্দেশ হৈছে—বেমাৰী অৱস্থাতেই। পিছত, শুনিবলৈ পাইছিলোঁ— তাই হেনো হৰিদ্বাৰৰ ফালে গুচি গৈছে। কোনোবা সন্ন্যাসিনীৰ দলত ভৰ্ত্তি হৈছে।



কেইবছৰ মানৰ পিছত আৰু এবাৰ শুনিবলৈ পাইছিলোঁ—তাই স্বাভাৱিক ভাবেই ৰোগ-মুক্তা হৈছে।...

আমাৰ এই ধুনীয়া ধৰণীখনত—'ধুনীয়া-অধুনীয়া', কিমান কথাই যে ঘটি নাথাকে। মানুহ গৃহস্থী হয়, সন্ন্যাসী হয়। নাইবা, আমাৰ পৰিচিত কোনো কোনো লোকৰ বেমাৰ হয়, ভাল হয়, নাইবা মৰেও। —মোক মোৰ বিবাহিতা পত্নীয়ে সকলো সুখ দিব পাৰিছিল। গতিকে, কুঞ্জৰ বিষয়ে ভাবি থাকবলৈ বা তাইৰ বিষয়ে মোৰ অন্তৰত স্থায়ী মূল্য দিবলৈ মোৰ সময় বা আৱশ্যক নাছিল।

আজি ইমান বছৰৰ অন্তত কুঞ্জলতাই সদল-বলে মোৰ ঘৰলৈ আহিল—আৰু গুচি গ'ল। মোৰ লগুৱাটোৰ মুখৰ পৰাই মোৰ বিষয়ে যিমানখিনি জনাৰ আৱশ্যক—জানিলে আৰু মই ঘৰ আহি নোপোৱাৰ সুৰঙাতেই আকৌ গুছি গ'ল।

ছেঃ।...কুঞ্জক যদি এবাৰ দেখা ...।

পলকতেই মনলৈ আহিল, নহয়, ঠিকেই হৈছে। বেচেৰা মোৰ কাৰণে চিৰকাললৈ হৈ থাকক এখন নোখোলা-খামৰ চিঠি।... তাতে, এতিয়া আৰু কুঞ্জলতাক লগ পোৱাৰেই বা আৱশ্যকতা কি?...

তথাপিও,—ত-থা-পিও মই আপোনালোকক নকৈ নোৱাৰোঁ যে—এটা স্নিগ্ধ শিশিৰ-কোমল-কৰুণ বেদনাই সেই নিশা ভালে পৰলৈকে মোৰ প্ৰাণ-মন ওপোচাই ৰাখিছিল।

# পিপীলিকা

এখন দেশ আছিল। নাম 'শ'। শ আছিল এখন ডাঙৰ দেশ। জ্ঞান-বিজ্ঞানৰ উন্নতি-পথত আগবঢ়া সেইখন লেখত লব লগীয়া দেশ।

সেই দেশৰেই আগন্তুক মহাকাশ যাত্ৰী 'জ'ক তেতিয়া ওচৰৰ সকলোৱেই শুভ-ইচ্ছা জনাইছিল। তেওঁ মহাকাশ যাত্ৰাৰ বাবে সাজু হব ধৰিছিল। আকাশৰ নীলাৰ সিপাৰৰ মহাকাশত এটা সৰু নীলা চৰাইৰ দৰে উৰি যাবলৈ পোৱাৰ পূৰ্ব্ব মাদকতা কণ তেতিয়া যেন 'জ'ৰ গোটেই চকুৰে-মুখে সনা হে আছিল।

'সাজু হৈছা তুমি··· মিঃ জ?' যাত্ৰাৰ আগ মূহুৰ্ত্তত দেখোন মূৰব্বী জনে, হাজাৰ কিলোমিটাৰ দূৰৰে পৰাই তেওঁক ওলগ জনালে।

'মহাকাশী পোচাক' পিন্ধি জ মহাকাশ যান খনত উঠিল। 'নিয়ন্ত্ৰণ-স্তম্ভত' গোটেই খদমদম্ লাগি পৰিল। বহুতো 'কেমেৰা' আৰু 'টেলিভিশ্যন্ কেমেৰাৰ' সমদল।··· শব্দ হ'ল, ৰকেট ফায়াৰৰ। লগে লগেই চকুৰ পচাৰতে মহাকাশ যানখন আকাশৰ ওপৰলৈ উঠিল। ঘোষণা কৰা হ'ল—সেইখনে ইতিমধ্যে পৃথিবীৰ মধ্যাকৰ্ষণ-শক্তিৰ সিপাৰৰ দূৰত্ব পালেগৈ।

মহাকাশ যাত্ৰাৰ আচ্‌বাব—ৰকেট্, ৰেট্ৰো-ৰকেট—এইবিলাক হৈছে, বিজ্ঞানৰ বিচিত্ৰ বিস্ময়। এইবিলাকৰ বিষয়ে কাৰিকৰী বৰ্ণনা দিয়া,—আজি আমাৰ উদ্দেশ্য নহয়। আপোনালোকে এতিয়া অন্ততঃ নিশ্চিন্ত হব পাৰে যে মহাকাশ যানখনত মিঃ জ নিৰাপদে আছে। আৰু তেওঁক বুকুত লৈ মহাকাশ যানখনে, পৃথিবীৰ পৰা চাৰি-পাঁচ শ কিলোমিটাৰ ওখত, প্ৰচণ্ড গতিৰে পৃথিবীক প্ৰদক্ষিণ কৰিব লাগিছে।



তেওঁৰ এই মহাকাশ যাত্ৰাৰ আয়োজন হেনো সম্পূৰ্ণ বৈজ্ঞানিক কাৰণত পৰিচালিত কৰা হৈছিল। চন্দ্ৰত 'মধু' বা 'হনি' থাকক-নাথাকক, মানুহে চন্দ্ৰত এদিন যে 'হনি-মুন্' কৰিবই লাগিব। মানুহ সৰু হৈ থাকিব নোৱাৰে! মানুহ ডাঙৰ হব। মানুহৰ মন চন্দ্ৰ-মুখী হোৱাৰ আগতে, স্তৰে স্তৰে মহাকাশ-বিজ্ঞান-লব্ধ পৰীক্ষা নিৰীক্ষা আৰু মহাকাশ-যাত্ৰীৰ আগতীয়া বহুমূলীয়া অভিজ্ঞতাৰ পৰাইহে এদিন এই কাম হেনো সম্ভৱ-পৰ হৈ উঠিব।···

আপুনি হয়তো সুধিব পাৰে,—'মহাকাশ যাত্ৰা একোটাৰ খৰছ?'

এই খৰছ কল্পানতীত ভাবেই অধিক। বিজ্ঞানৰ জয়-যাত্ৰাত আৱশ্যক—টকাৰ সোণৰ জখলাৰ।··· ইতিমধ্যে 'প্ৰেষ্টিজ্' আৰু চন্দ্ৰলেকৰ স্বপ্নই মানুহৰ মন 'লুনেটিক্' বা উন্মাদ্ কৰি থৈছে। এটা নীলা-চৰাইৰ দৰে মানৱ-মন দিনে দিনে মহাকাশৰ উৰ্দ্ধলৈহে উৰিছে! তলৰ পৃথিৱীৰ মাটি-বোকালৈ ভালকৈ চাবলৈ মানুহৰ আজৰি ক'ত?

জ মহাকাশ-যাত্ৰী জনে বাৰু মহাকাশ-যান খনত ঘূৰি ঘূৰি সেইয়া কি ভাবিছে?

তেওঁ তেতিয়া উপভোগ কৰিছিল—তলৰ ভাৰতৰ উত্তৰৰ হিমালয়ৰ বিশালতা··· আফ্ৰিকাৰ ডাঠ হাবিৰ ক'লা-সেউজীয়া বৰণ··· চাইবেৰিয়াৰ বৰফ···, প্ৰশান্ত সাগৰৰ শান্ত জল-তৰঙ্গৰ নীলা আৰু আকাশৰ নীলাৰ মহা-মিলন।··· তেওঁ হয়তো দেখিবলৈ পাইছিল, পৃথিৱীৰ কোনো কোনো মহা-নগৰীৰ অস্পষ্ট আলোক মালা, নাইবা 'স্লাম্' উপনিবেশ সমূহৰ অমঙ্গলীয়া ছাঁ ···!

মহাকাশ যানত তেওঁৰ চকুৰ সমুখত এটা অত্যন্ত শক্তিশালী দূৰবীণ্ আছিল। তেওঁৰ দেশে স্থাপিত কৰা পৃথিৱীৰ কোনো কোনো নিয়ন্ত্ৰণ কেন্দ্ৰৰ পৰা তেওঁৰ গতিবিধি লক্ষ্য কৰি থাকিব পৰা হৈছিল, আৰু তেওঁৰ লগত আনকি কথা-বতৰাও হব পৰা গৈছিল।

তেওঁ সদ্যহতে, পৃথিৱীক পূৰা উনৈশবাৰ প্ৰদক্ষিণ কৰি

উঠিছিল। ···

মহাকাশ যানৰ স্নুকুণ্ডাৰে তেওঁ এবাৰ মূৰৰ ওপৰৰ জোনটোলৈ চাইছিল। হিম-চেঁচা নাইবা জুই-ৰঙা জোনটোৱে তেওঁক চকু পিৰিকিয়াই বিদ্রূপ কৰাহে বুলি তেওঁ ভাবিছিল।

তেওঁৰ এবাৰ মনত খেলালে, তেওঁক যেন মৰা জোনটোৱে জীয়া হৈ ওপৰৰ পৰা বিদ্রূপ কৰি কব লাগিছে, "হে'ৰ মহাকাশ-যাত্রী মানুহ টো! ··· এদিন হয়তো তই মোক জয় কৰিব পাৰিবি··· তোৰ বৰ্ত্তমানৰ 'কুচ্-কাৱাজ্' এদিন নিশ্চয় কামত আহিব। পিছে, পুতৌ লাগে, তাৰ আগতেই তই থকা ধুনীয়া গ্ৰহটোৰেই সকলো সমস্যাৰ সমাধান জানো তই কৰিব পাৰিলি? মই কিন্তু তোক,— মানে মানুহক কব খোজো—তহঁত এতিয়াও একো একোটা পকৰা— একো একোটা পিপীলিকা হে। ঠিক যেন পাখি গজা একো একোটা উই পকৰা। ···উৰিছ তো উৰিছ ··, চাবি আকৌ মাজতে পাখি ছিগি সৰি নমৰিবি ···'। ···

মিঃ জ এজন ডাঙৰ বৈজ্ঞানিক। অযথা কল্পনাৰ স্থান তেওঁৰ অন্তৰত নাই। বস্তুবাদী বিজ্ঞানে তেওঁক ভাব-সৰ্ব্বস্ব কৰা নাই। কৰিছিল,—'বস্তু-সৰ্ব্বস্ব' হে। হৃদয়ৰ দাম বা বিনয়ৰ প্ৰশ্নক তেওঁ সদ্যহতে যে নিলগাই ৰাখিবই লাগিব!

কৰ্ত্তব্য প্ৰাণ মহাকাশ-যাত্ৰী জনে, স্ব কামত পুনৰ প্ৰবৃত্ত হ'ল—, পূৰ্ণোদ্যমে।

তেতিয়ালৈকে তেওঁৰ মহাকাশ-যান খনৰ কোনো যান্ত্ৰিক বিজুটি ঘটা নাছিল। ··· সুন্দৰ ভাবে আৰু সুস্থ ভাবে আছিল—তেওঁ। আৰু যে তেত্ৰিছ বাৰ তেওঁ পৃথিৱী প্ৰদক্ষিণ কৰিবলৈ বাকী আছেই!

মহাকাশ-যান খন তেতিয়া বিজুলীৰ গতিত যাব ধৰিছিল তেওঁৰ দেশখনৰ ওপৰেদি—মাটিৰ পৰা প্ৰায় ২৫০ কিলোমিটাৰৰ উচ্চতাত।

ৰিণিকি ৰিণিকি অচিন তলৰ বিন্দু এটাকেই তেওঁৰ সৰু নগৰ খন বুলি তেওঁৰ পৃথিৱীৰ কোনো এক কেন্দ্ৰৰ পৰা কোৱা হ'ল।···



পলকতেই তেওঁৰ বুকুখন কঁপি উঠিছিল এক অজান শিহঁৰণত আৰু চিন্তা-ক্লিষ্ট আশঙ্কাত।···

* * *

মিঃ জৰ মনত পৰিছিল—, তেওঁ থকা সৰু নগৰ খনৰ আকাশ-চমকাৰ তলৰ এটা সৰু, ধুনীয়া বঙলালৈ।

সেই বঙলাটোত এসময়ত তিনিটা প্ৰাণীয়ে বাস কৰিছিল— মিঃ জ, তেওঁৰ বিবাহিতা পত্নী মেৰী আৰু মৰমৰ কুকুৰ এটম্।

মেৰী আৰু এটমৰ চেনেহে তেওঁৰ অন্তৰলৈ যেন বিয়াৰ পিছৰ বছৰ কেইটাত যীশু-খৃষ্টৰ ছবিহে ঘৰখনলৈ কঢ়িয়াই আনিছিল।

এটা ক্ষণ-স্থায়ী সৰু ভুঁইকপে পকী ঘৰত এটা সৰু ফাঁট মেলাৰ দৰেই—সাধাৰণ ভাবেই আৰম্ভ হ'ল—তেওঁৰ জীৱনৰ বিৰাট ট্ৰেজেদি।

বিয়াৰ চাৰি বছৰৰ পিছতেই মেৰীয়ে ভুগিলে এক কঠিন মানসিক-ৰোগ—'স্কিজোফ্ৰেনিয়া'ত। সেই ৰোগ চিকিৎসাৰ অতীত আছিল। তাইক নগৰখনৰ মানসিক আস্পাতালত ভৰ্ত্তি কৰাৰ বাহিৰে আন একো উপায় নাছিল।

সিহঁতৰ একমাত্ৰ ল'ৰা পিটাৰক ধাই-মাক এজনীৰ হাতত গটাই দিব লগা হ'ল। ···

সি ইফালে-সিফালে যাব লগীয়া হোৱাৰ বাবে, এটমক নিঃসঙ্গতাৰ পৰা মুক্তি দিবলৈকে বন্ধু এজনক একেবাৰেই দি দিলে।

সৰু বঙলাটোৰ এটা কমত সি দিনে-ৰাতিয়ে নিজক মহাকাশ-গবেষণাত ব্যস্ত ৰাখিলে। সময়ত মিঃ জ, দেশৰ এজন লেখত লব-লগীয়া মহাকাশ-যাত্ৰী গৱেষক ৰূপে পৰিগণিত হৈ চৰকাৰৰ সুদৃষ্টিত পৰিল।

সকৰে পৰাই সি আছিল, নিপোটল আৰু নিৰোগী। এইবিলাক কাৰণতেই তাৰ কাৰণ সম্ভৱপৰ হৈছিল, মহাকাশ-যাত্ৰীৰ সন্মান। ···

* * *

মিঃ জ ই নিৰাপদে আকৌ পৃথিৱীত অৱতৰণ কৰিছে। তেওঁৰ

এই প্ৰথম প্ৰথম সফল অভিযানত তেওঁৰ দেশ-বাসী গৌৰবান্বিত হৈছে। ... ... তেওঁৰ নিজৰ নগৰখনত তেওঁৰ কাৰণে ৰৈ আছিল, বহুতো সন্মান আৰু গোলাপৰ মালা। দেশৰ ৰাজধানীত দেশ-প্ৰধানে তেওঁৰ সন্মানাৰ্থে কেইদিনমানৰ পিছতেই এক বিৰাট ভোজ-সভাৰ আয়োজন কৰি—ইতিমধ্যে তেওঁক নিমন্ত্ৰণ জনাইছেই।

মহাকাশ-যাত্ৰাৰ অন্তত,—তিনিদিনৰ পিছতেই তেওঁক ডাক্তৰে ফুৰা-চকা কৰিবলৈ অনুমতি দিছে। জন-সমুদ্ৰৰ 'মৰমৰ অত্যাচাৰ'ৰ পৰা ৰক্ষা পাবলৈ তেওঁ গোপনে আৰু অকলশৰে, নগৰখনৰ মানসিক আস্পতালৰ এটা কোঠাত নীৰৱে সোমাল।

মিঃ জ ই আগ বাঢ়িল কোঠাটোৰ বিছনাখনৰ ফালে।

"মেৰী ! ... চেনেহী ! ... টি, ভি ত দেখিছিলা নহয়, মোৰ মহাকাশ-যাত্ৰাৰ সফল ছবি ? .. তুমিও জানো আজি গৌৰবান্বিতা নোহোৱা ... মেৰী ! .."

উত্তৰ নাহিল। ..

হঠাতে বিছনাৰ পৰা উঠি বাউলীৰ দৰে তেওঁৰ ওচৰ চাপি মেৰীয়ে এইবাৰ কলে,—"যুই ! ... যুই ! ... যুই !... ভাগ্.. ভাগ্ ...পলা...পলা ... "।

দুৱাৰখন লাহেকৈ জপাই দিয়া হ'ল। ...

পুৰুষ-চকু হাল, লোতকেৰে বাট নেদেখা হ'ল। ...

মিঃ জ তাৰ পিছত সোমাল আন এটা আস্পাতালত। দৰ্শকৰ কোঠাত তেওঁ কিছু সময় অপেক্ষা কৰিব লগীয়া হ'ল।

ইতিমধ্যে তেওঁ এটা চিগাৰেট জ্বলালে আৰু চিন্তা কৰিলে।

তেওঁৰ মনত ছবিৰ দৰেই অতীতৰ বহুকথাই মনলৈ আহিল। মেৰীক সি গীৰ্জ্জাত বিয়া কৰাই আনিছিল। সময়ত জন্ম হ'ল—, সিহঁতৰ ল'ৰা পিটাৰৰ। ঘৰলৈ আহিল, প্ৰিয় কুকুৰ 'এটম'। সৰু নগৰ খনৰ সৰু বঙলাটোত থকা প্ৰাণী কেইটাৰ সুখ দেখি হয়তো সৰগৰ দেৱতাইও ঈৰ্ষা কৰিছিল।

এনেতে, প্ৰথমে গ'ল মেৰী ...। মানসিক আস্পাতাললৈ।



তাৰ পিছত 'এটম্',...বন্ধুৰ ঘৰ পোহৰ কৰিবলৈ। সদৌশেহত, তেওঁৰ আৰু মেৰীৰ মৰমৰ পিটাৰ।

পাঁচ বছৰীয়া পিটাৰৰো এদিন হ'ল--কেঞ্চাৰ, তেজৰ কেঞ্চাৰ ...'লিউকিমিয়া'।

বাপেকে পুতেকৰ আশা কেতিয়াবাই এৰি দিছে। আস্পাতালত তাক ভৰ্ত্তি কৰি তেওঁ যেন সেইয়া পিতৃ হিচাপে মাথোন কৰ্ত্তব্য হে পালন কৰিছে। পিটাৰে যেন তেওঁক অহৰ্নিশে কৈ আছে,...'গুড্ বাই, পাপা ! ... ফৰ এ'ভাৰ ... '।

বেমাৰী পিটাৰক তেওঁক এবাৰ দেখুৱাবলৈ নাৰ্চ এজনীয়ে আস্পাতালৰ কোঠাৰ দুৱাৰ খন খুলি, ভিতৰলৈ মাতিলে।

পিটাৰৰ ওচৰলৈ গৈ তাক তেওঁ খালে—এটা তপত-চুমা। পুতেকৰ গালত আহি পৰিল বাপেকৰ দুটুপি তপত চকুলো। ....

ঃ দেউতা ! ... ... তোমাৰ মহাকাশৰ খেলা মই টি, ভি ত দেখিছিলোঁ।

অলপ পিছতেই পিটাৰে সেহালে, অসহ্য যন্ত্ৰণাত।

সি বিছনাত ঢলি পৰিল।...

আস্পাতালৰ কৰ্ত্তৃপক্ষই মিঃ জ ক কলে, "আপুনি, অনুগ্ৰহ কৰি, এতিয়া যাওক গৈ .."

খট্‌খটীয়েদি নামি যাওঁতে মিঃ জ ৰ মনত পৰিছিল—তাহানিৰ মৰমৰ কুকুৰ 'এটম'লৈ। তেওঁৰ সুখ্যাতিত দেশে আৰু হয়তো বিশ্বই ৰং কৰিছে। কিন্তু তেওঁৰ সৰু ঘৰখনত ৰং কৰিবলৈকে যে কোনো নাথাকিল ! এটম্ গ'ল। সি তো জক দেখি এতিয়া গৰাকী ভাবি নেজ নোজোকাৰে ! মেৰীজনীও চিৰদিন উন্মাদিনী হৈয়েই ৰ'ব। দুই এক সপ্তাহতেই হয়তো — পিটাৰো যাবগৈ— সৰগলৈ। ...

অশ্ৰুসিক্ত চকুৰে বেদনাত তেওঁ উচ্চাৰণ কৰিব লাগিছিল, "হে ! মোৰ ঈশ্বৰ ! ..." কিন্তু মৰমৰ এটমে্ তেওঁৰ হৃদয় এনেদৰে অধিকাৰ কৰি থৈছিল যে তেওঁৰ মুখেদি অজানিত ভাবেই ওলাই

আহিল,… 'অ' ! মাই ডগ্ ! …

*　　　*　　　*　　　*

দেশৰ ৰাজধানীত ৰাষ্ট্ৰ-প্ৰধানেৰে এজন বিশিষ্ট অতিথিৰ সম্মানেৰে তেওঁ গৈ দুদিন পিছতেই ভোজ-মেলত বহিব লগা হৈছিল। মানুহ হিচাপে তেওঁৰ মূল্য গোটেই দেশতেই বাঢ়ি গৈছিল—তেওঁৰ দেশৰ কাৰণে বহন কৰি অনা প্ৰথম মহাকাশ যাত্ৰাৰ সফলতাত। সেই নিশাই তেওঁৰ পদোন্নতি হৈছিল। চৰকাৰী বেচৰকাৰী পদক আৰু প্ৰসংসা-পত্ৰই তেওঁৰ ঘৰ ওপোচাই পেলাইছিল। 'অটোগ্ৰাফ'ত চহী কৰি কৰি হাত খন যেন অৱশ হৈ পৰিছিল।

ৰাষ্ট্ৰপ্ৰধানে তেওঁৰ সম্মানৰ অৰ্থে কৈছিল, "আহক। আমি আজি সকলোৱেই আমাৰ দেশ-বাসীৰ গৌৰৱৰ কাৰণ, এই মহান-মানুহ জনৰ সু-স্বাস্থ্য পান কৰোঁ ! …"

কথাষাৰ শুনি, মিঃ জ ই ৰুমালেৰে চকু মচিছিল। …

তেওঁ ভাবিছিল, বিজ্ঞানৰ এই উৎকৰ্ষৰ দিনতো মানুহ হিচাপে এতিয়াও তেওঁ কিমান নিঃসহ য় ! তাতোকৈয়ো তেওঁলোকে বাস কৰা ধুনীয়া-গ্ৰহটোৰ কান্দোন যে এতিয়াও শেষ হোৱা নাই।

আহাৰৰ মেজত বহি বহিয়েই তেওঁ আকৌ এবাৰ ভাবিছিল, মহাকাশ-যান খনৰ পৰা দেখা জোনটোৰ ছবি, আৰু জোনটোৱে কৰা কাল্পনিক বিদ্ৰূপৰ কথা।

জোনৰ লগতে আজি যেন মেৰী আৰু পিটাৰেও সমস্বৰে গাইছে, "মানুহ ! … তই এতিয়াও এটা পৰুৱা, এটা পিপীলিকা হে।"

জোনটোৰ চকুৰেদি সেইয়া যেন অগ্নিহে বৰষিছে।

তেওঁক যেন খঙাল-জোনে চিঞৰি চিঞৰি কৈছে, ঃ ইউ মে'ন ! ইউ লুনেটিকছ্ ! … ইউ হেভ্ ই অ'ৰ অউন্ প্ৰব্লেমছ্ মে'ন ! … ঃ …

---